www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমাৰ শেষ হ'বলৈ আৰম্ভ কৰে যেতিয়া আমি গুৰুত্বপূৰ্ণ কথাবোৰৰ প্ৰতি নিমাত হৈ পৰো। — মাৰ্টিন লুথাৰ কিং জুনিয়ৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৬৬ | বুধবাৰ | ০৫ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 266 | Wednesday | 05th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ শিৱসাগৰৰ বানপীড়িতৰ কাষত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ■

# নাগালেণ্ড সীমান্তৱৰ্তী এলেকাত হোৱা নাই অবৈধ খনন

## বানৰ কাৰণ জানিবলৈ বৈজ্ঞানিক অধ্যয়নৰ আহ্বান মুখ্যমন্ত্ৰীৰ ঃ ৯ আগষ্টৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ আৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট ঃ** উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সংঘটিত প্ৰলয়ংকাৰী বানপানীৰ বাবে অবৈধ খননেই দায়ী নেকি-এই বিতৰ্কৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। বানপীড়িতি অঞ্চলসমূহ পৰিদৰ্শন কৰি থকা অৱস্থাত তেওঁ স্পষ্টভাৱে কয় যে অসমৰ ভিতৰত কোনো ধৰণৰ অবৈধ খনন কাৰ্য চলি থকা নাই। লগতে তেওঁ স্মৰণ কৰে যে বান আৰু ঢলৰ প্ৰকৃত কাৰণ উদ্ধাৰ কৰিবলৈ আবেগ নহয়, বৈজ্ঞানিক অধ্যয়ন আৰু তথ্যৰ প্ৰয়োজন। মুখ্যমন্ত্ৰীগৰাকীয়ে নাগালেণ্ডত চলি থকা খনন কাৰ্য সম্পৰ্কে উত্থাপিত প্ৰশ্নৰ উত্তৰত কয় যে আইনী দিশত অসমে আন এখন ৰাজ্যৰ অভ্যন্তৰীণ কাম-কাজত হস্তক্ষেপ কৰাৰ কোনো অধিকাৰ নাই। অৱশ্যে তেওঁ আশ্বাস দিয়ে যে এই সম্পূৰ্ণ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰি উপযুক্ত হস্তক্ষেপ আৰু সমাধান বিচাৰিবলৈ অসম চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। তেওঁ কয় যে নাগালেণ্ডৰ খনন কাৰ্যই অসমৰ নদ-নদীৰ প্ৰাকৃতিক গতিপথত প্ৰভাৱ পেলাইছে নেকি সেয়া পৰীক্ষা কৰিবলৈ এটা বিশেষজ্ঞ সমিতি গঠন কৰা হৈছে, আৰু সেই সমিতিৰ প্ৰতিবেদনে বাস্তৱ কাৰণ উদ্‌ঘাটন কৰিব। বান ❑ ৬ পৃষ্ঠাত



### সংবিধানৰ অষ্টম সূচী স্বীকৃত ভাষাকো অগ্ৰাহ্য ঃ চিৰাং জিলা এবছুৰ স্মাৰক প্ৰদান

## জনগণনা পৰ্টেলত বাদ পৰিল বড়ো ভাষা ঃ নিখিল বড়ো ছাত্ৰ সন্থাৰ নিন্দা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট ঃ** সমগ্ৰ দেশজুৰি আগন্তুক জনগণনা কাৰ্যসূচীৰ বাবে উন্মুক্ত কৰা 'স্ব-গণনা' পৰ্টেল আৰু প্ৰ-পত্ৰসমূহত ভাৰতীয় সংবিধানে স্বীকৃতি প্ৰদান কৰা বড়ো ভাষাক অন্তৰ্ভুক্ত নকৰাৰ ঘটনাই তীব্ৰ বিৰোধ আৰু ক্ষোভৰ সৃষ্টি কৰিছে। নিখিল বড়ো ছাত্ৰ সন্থাই এই পদক্ষেপক চৰকাৰী ভাষাৰ প্ৰতি অৱহেলা আৰু সংবিধানবিৰোধী বুলি অভিহিত কৰি কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য্যৰ তীব্ৰ সমালোচনা কৰিছে। ঘটনাৰ প্ৰতিক্ৰিয়া স্বৰূপে চিৰাং জিলা ছাত্ৰ সন্থা (এবছু)ৰ পদাধিকাৰীসকলে কাজলগাঁৱত ❑ ৬ পৃষ্ঠাত

## "বান-সাহায্যক ৰাজনীতিকৰণ নকৰিব!"

### ৰাইজৰ কৰ-কাটলৰ ধনেৰে বানাক্ৰান্তলৈ অহা সাহায্য সামগ্ৰী একাংশই আত্মসাৎ কৰি ন্যস্ত স্বাৰ্থ সিদ্ধিৰ বাবে উঠি-পৰি লাগিছে ঃ আলফা(স্বাঃ)



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৪ আগষ্ট ঃ** থলগিৰি জাতিৰ এই সংকটৰ মুহূৰ্তত ভূতৰ ওপৰত দানহৰ দৰে একোটা বিশেষ ৰাজনৈতিক ❑ ৬ পৃষ্ঠাত

## তিতাবৰত বান সাহায্য বিতৰণক লৈ বিতৰ্ক ঃ দাৰে আক্ৰমণৰ চেষ্টা গাঁওপ্ৰধানৰ

### চৰকাৰী ১৫ হাজাৰ টকাৰ অনুদান প্ৰকৃত বানাক্ৰান্তলৈ নিদি ভুৱা নাম সন্নিবিষ্ট; ক্ষুব্ধ ৰাইজৰ বিৰোধ

**ষ্টাফ ৰিপৰ্টাৰ, তিতাবৰ, ৪ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে বানপানীৰ পিছত ক্ষতিগ্ৰস্ত লোকসকলক প্ৰদান কৰা ১৫ হাজাৰ ❑ ৬ পৃষ্ঠাত

# ১৭টা দিনৰ অন্তত বান বিধ্বস্ত অসমলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি



### অসমত উপস্থিত কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডা ঃ বুধবাৰে শিৱসাগৰ-চৰাইদেউ-নাজিৰা পৰিদৰ্শন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট ঃ** উজনি অসমৰ ভয়ংকৰ বান পৰিস্থিতি প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা মঙলবাৰে ডিব্ৰুগড়ত উপস্থিত হয়। ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰত অৱতৰণ কৰাৰ লগে লগে তেওঁক অসম চৰকাৰৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, চাবুৱা-লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা আৰু প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে উষ্ম আদৰণি জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকী তিনিদিনীয়া উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণত অহা বুলি জানিব পৰা গৈছে আৰু ❑ ৬ পৃষ্ঠাত

## ফুকেট-দিল্লী বিমান দুৰ্ঘটনা যাত্ৰী-ক্ৰু আহত

### দিল্লীত নিৰাপদ অৱতৰণ; প্ৰায় ৰুড়িজন যাত্ৰী আৰু দুজন ক্ৰু চিকিৎসাধীন

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ আগষ্ট ঃ** মঙলবাৰে ফুকেটৰ পৰা




দিল্লী অভিমুখে উৰা এয়াৰ ইণ্ডিয়াৰ এখন বিমানে মাজ আকাশত ভয়ংকৰ দুৰ্ঘটনাৰ সন্মুখীন হয়। এয়াৰবাছ Û320 ধৰণৰ এআই২৩৭৯ নম্বৰৰ বিমানখন কেইবাবাৰো ওলট-পালটকৈ ঘূৰি পৰে, যাৰ ফলত বিমানখনৰ ভিতৰত থকা ❑ ৬ পৃষ্ঠাত

# পানীত জঁপিয়াব পৰা মুখ্যমন্ত্ৰী 'প্ৰথমবাৰ দেখিলোঁ'

### হিমন্ত বিশ্ব শৰ্মাৰ কৰ্মদক্ষতাক প্ৰশংসা বিধায়ক অখিল গগৈৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট ঃ** অসমৰ ৰাজনীতিত আজি এক অত্যন্ত উল্লেখযোগ্য পৰিঘটনা ঘটি গৈছে। যি অখিল গগৈ এতিয়ালৈকে প্ৰতিটো বিষয়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তীব্ৰ সমালোচনা কৰি আহিছিল, সেই অখিল গগৈয়ে আজি হঠাৎ মুখ্যমন্ত্ৰীৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিছে। শিৱসাগৰৰ বিধায়ক গৰাকীয়ে সাংবাদিকসকলৰ সৈতে হোৱা এক অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মানৱীয় মনোভাৱ আৰু নেতৃত্ব গুণৰ ভূয়সী প্ৰশংসা কৰি ❑ ৬ পৃষ্ঠাত



# উজনিৰ বানাক্ৰান্ত অঞ্চললৈ চিকিৎসক-ঔষধ প্ৰেৰণ

### নলবাৰী মেডিকেল কলেজ হাস্পতাল পৰিদৰ্শন কৰি ঘোষণা স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট ঃ** অসমৰ স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে মঙলবাৰে নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি হাস্পতালখনৰ বিভিন্ন বিভাগ আৰু কক্ষসমূহ প্ৰত্যক্ষভাৱে পৰ্যবেক্ষণ কৰে। তেওঁ এই পৰিদৰ্শনকালত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, নলবাৰীৰ বিধায়ক নাৰায়ণ ডেকা আৰু বিভাগীয় বিষয়াসকলৰ সৈতে প্ৰতিটো শাখাত থকা চিকিৎসা সুবিধা, ৰোগী সেৱাৰ মান, আৰু আন্তঃগাঁথনিৰ অৱস্থা সম্পৰ্কে খোঁজ-খবৰ লয়। হাস্পতালখনৰ অভাৱ-অভিযোগসমূহো ❑ ৬ পৃষ্ঠাত

## জামিনৰ পাছতো এনএছএত প্ৰণৱ দলেক গ্ৰেপ্তাৰক তীব্ৰ নিন্দা আপৰ

### ৰাজেশ শৰ্মাৰ ভাষ্যত বিজেপি চৰকাৰ সমালোচকক গ্ৰেপ্তাৰ কৰাটো 'নিয়মত' পৰিণত

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট ঃ** মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে জনজাতীয় নেতা প্ৰণৱ দলেক জামিন মঞ্জুৰ কৰিছিল। কিন্তু এই জামিন লাভ কৰাৰ কিছু সময় নৌ পাওঁতেই তেওঁক পুনৰ ৰাষ্ট্ৰীয় সুৰক্ষা আইন ❑ ৬ পৃষ্ঠাত

# বন্যাৰ্তক দহ লাখৰো অধিক ধন দিম ঃ মুখ্যমন্ত্ৰী

### শিৱসাগৰৰ পলাশনি আশ্ৰয়শিবিৰ পৰিদৰ্শন; মৃতকৰ পৰিয়াললৈ ৫ লাখ টকাৰ সাহায্য



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট:** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মঙলবাৰে শিৱসাগৰ জিলাৰ বানপানীৰ কবলত পৰা লোকসকলক সাক্ষাৎ কৰি চৰকাৰী সাহায্যৰ বিষয়ে আশ্বাস প্ৰদান কৰে। পলাশনি অঞ্চলৰ অসম এনাৰ্জী ইনষ্টিটিউটত থকা আশ্ৰয়শিবিৰত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে বন্যাৰ্তসকলৰ সৈতে পোনপটীয়াকৈ মতবিনিময় কৰে আৰু তেওঁলোকৰ দুখ-কষ্টৰ বুজ লয়। এই শিবিৰ পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰীয়ে ❑ ৬ পৃষ্ঠাত

## তামিলনাড়ুৰ বিৰোধী দলপতি উদয়নিধি ষ্টালিনক বাসগৃহৰ পৰা গ্ৰেপ্তাৰ

### উচ্চন্যায়ালয়ৰ নিৰ্দেশত মুক্তি; অভিনেত্ৰী তৃষাক লৈ বিতৰ্কিত মন্তব্য

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ আগষ্ট ঃ** অভিনেত্ৰী তৃষাক লৈ কৰা বিতৰ্কিত মন্তব্যক কেন্দ্ৰ কৰি তামিলনাড়ুৰ ৰাজনীতি হঠাতে উত্তপ্ত হৈ পৰে। মঙলবাৰে পুৱা আৰক্ষীয়ে ডিএমকেৰ বিধায়ক আৰু বিৰোধী দলপতি উদয়নিধি ষ্টালিনক তেওঁৰ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰে। এই ঘটনাই ৰাজ্যজুৰি ব্যাপক চাঞ্চল্য সৃষ্টি কৰে আৰু ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। বিতৰ্কটোৰ ❑ ৬ পৃষ্ঠাত



## শিশুৰ মৰ্যাদা ৰক্ষাত অসম আৰক্ষীৰ কঠোৰ নিৰ্দেশনা

### বানপীড়িত শিশুৰ ফটো-ভিডিঅ' ব্যৱহাৰৰ ক্ষেত্ৰত কণ্টেণ্ট ক্ৰিয়েটৰসকলক সতৰ্কবাণী

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ আগষ্ট ঃ** অসমৰ বানপীড়িত অঞ্চলসমূহৰ ভয়াবহ দৃশ্য প্ৰচাৰ কৰাৰ প্ৰতি থকা উদ্বেগৰ মাজতে অসম আৰক্ষীয়ে এক গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰী কৰিছে। বিশেষকৈ বানাক্ৰান্ত শিশুসকলৰ ফটো আৰু ভিডিঅ' যাতে অনুচিতভাৱে ব্যৱহাৰ নহয়, তাৰ বাবে আৰক্ষী বিভাগে কণ্টেণ্ট ক্ৰিয়েটৰ আৰু সমাজ মাধ্যম ব্যৱহাৰকাৰীসকলক কেইবাটাও ❑ ৬ পৃষ্ঠাত

# চৰাইদেউত ১০ আগষ্টলৈ গৰম বন্ধ বৃদ্ধি

### বিদ্যালয় পৰিদৰ্শন শিক্ষামন্ত্ৰীৰ; বানত ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহৰ শিক্ষাৰ পৰিৱেশ ঘূৰাই অনাৰ উদ্যোগ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট ঃ** নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত চৰাইদেউ জিলাত ভয়ংকৰ বানপানীয়ে ৰাইজৰ ঘৰ-সম্পত্তি যিদৰে নষ্ট কৰিলে, একেদৰে জিলাখনৰ শিক্ষা প্ৰতিষ্ঠানসমূহো সেই সংহাৰৰ পৰা ৰক্ষা নাপালে। বানৰ পানীয়ে বিদ্যালয়ৰ আন্তঃগাঁথনি, শ্ৰেণীকোঠা, আচবাব-পত্ৰ আৰু কিতাপ-বহী ধুই নিলে, যাৰ ফলত গ্ৰীষ্মকালীন বন্ধ খোলাৰ পাছতো চৰাইদেউৰ প্ৰায়বোৰ বিদ্যালয়তে পাঠদান আৰম্ভ কৰিব পৰা পৰিস্থিতি নাই। বিদ্যালয়বোৰৰ চৌহদত এতিয়াও বোকা-পানী জমি আছে, আনকি কোনো কোনো ঠাইত ভৱনৰ গাঁথনিও দুৰ্বল হৈ পৰিছে। এনে পৰিস্থিতিত অসম চৰকাৰৰ শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ ❑ ৬ পৃষ্ঠাত

## প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীক হিমন্ত বিশ্ব শৰ্মাৰ নৈতিক সমৰ্থন

### ঝাৰখণ্ডৰ নিযুক্তি পৰীক্ষাত অনিয়মৰ অভিযোগ ৰাঁচীত অনিৰ্দিষ্টকালীন আন্দোলন

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ আগষ্ট ঃ** নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলক লৈ হোৱা দেশজুৰি প্ৰতিবাদ যি গতিত আগবাঢ়িছিল, সেই গতি কিছু পৰিমাণে লেহেমীয়া হৈছে। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰাৰ পাছত নতুন দিল্লীৰ যন্তৰ মন্তৰত ক'কৰোচ্ছ জনতা পাৰ্টীৰ নেতৃত্বত হোৱা প্ৰতিবাদৰ সামৰণি পৰে যদিও প্ৰতিবাদ শেষ হৈ যোৱা বুলি ক'ব নোৱাৰি। ঠিক এনে সময়তে ঝাৰখণ্ডৰ নিযুক্তি পৰীক্ষাত প্ৰশ্নকাকত ফাদিলৰ নতুন ❑ ৭ পৃষ্ঠাত



# বানপীড়িতসকলৰ বাবে শিৱসাগৰ, চৰাইদেউত ৫ আগষ্টৰ পৰা ৯ আগষ্টলৈ বিশেষ স্বাস্থ্য শিবিৰ

বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু ঔষধ; বানোত্তৰ ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধত গুৰুত্ব



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট ঃ** উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত বানৰ পৰিস্থিতি কিছু পৰিমাণে উন্নতি ঘটা সত্ত্বেও এইবাৰৰ বানপানীক জলপ্ৰলয়ৰ সৈতে তুলনা ❑ ৬ পৃষ্ঠাত

## এনডিএৰ 'মংগল মিলন'ত কৌশল নিৰ্ধাৰণ ঃ অংশগ্ৰহণ প্ৰধানমন্ত্ৰী মোদীৰ

### অধিবেশনৰ অন্তিম দহ দিনলৈ লক্ষ্য ৰাখি মিত্ৰজোঁটৰ সাংসদসকলৰ লগত গুৰুত্বপূৰ্ণ আলোচনা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ আগষ্ট ঃ** সংসদৰ বৰ্ষাকালীন অধিবেশনৰ বাকী থকা দহটা অধিবেশন সফলভাৱে পৰিচালনা কৰিবলৈ শাসকীয় ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটে (এনডিএ) মঙলবাৰে পুৱা এক গুৰুত্বপূৰ্ণ ❑ ৫ পৃষ্ঠাত

## স্বাধীনতাৰ দিশত বেলুচিস্তান! ১১ আগষ্টক 'স্বাধীনতা দিৱস' ঘোষণা

### ■ 'ৰিপাব্লিক অৱ বেলুচিস্তান'ৰ আহ্বান ঃ ৰাষ্ট্ৰসংঘক স্বীকৃতিৰ দাবী ■

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ৪ আগষ্ট ঃ** পাকিস্তানৰ জটিল ৰাজনৈতিক পৰিস্থিতিত যেন এক নতুন মাত্ৰা যোগ হৈছে। পাকিস্তান অধিকৃত কাশ্মীৰ (পিওকে)ৰ অস্থিৰতাৰ মাজতে এইবাৰ পাকিস্তানৰ আটাইতকৈ বৃহৎ প্ৰদেশ বেলুচিস্তানত স্বাধীনতাৰ নতুন দাবী শক্তিশালী হৈ উঠিছে। 'ৰিপাব্লিক অৱ বেলুচিস্তান' নামৰ সংগঠনটোৱে ১১ আগষ্টক 'বেলুচিস্তানৰ স্বাধীনতা দিৱস' হিচাপে ঘোষণা কৰাৰ পিছত সমগ্ৰ অঞ্চলটোত তীব্ৰ ৰাজনৈতিক চাঞ্চল্যৰ সৃষ্টি হৈছে। সংগঠনটোৱে বিশ্বজুৰি থকা সকলো বেলুচ লোকক ১১ আগষ্টত স্বাধীনতা দিৱস পালন কৰিবলৈ আহ্বান জনাইছে। তেওঁলোকে দাবী কৰিছে যে ১৯৪৭ চনৰ ১১ আগষ্টত ব্ৰিটিছ শাসনৰ অৱসানৰ পূৰ্বেই বেলুচিস্তানে স্বাধীনতা ঘোষণা কৰিছিল, কিন্তু পাকিস্তানে বলপূৰ্বকভাৱে 'কলাট' ৰাজ্যখনক সংযুক্ত কৰি লৈছিল। সেই ঐতিহাসিক পটভূমিৰ ভিত্তিতেই ৰৰ আগষ্ট তাৰিখটোক স্বাধীনতা দিৱস হিচাপে বাছনি কৰা হৈছে। ❑ ৬ পৃষ্ঠাত



# বোকাখাত সমষ্টিৰ ১৪৬ জন হিতাধিকাৰীৰ একাউণ্টত DBT যোগে ১৫ হাজাৰ টকাকৈ অন্তৰ্ৱৰ্তীকালীন সাহায্য

**ক্ষয়-ক্ষতিৰ মূল্যায়ন অব্যাহত, যোগ্য সকলো বানপীড়িতক পৰ্যায়ক্ৰমে সাহায্য প্ৰদানৰ আশ্বাস মুখ্যমন্ত্ৰীৰ**

**অসম বাৰ্তা, নুমলীগড়, ৪ আগষ্ট ঃ** শেহতীয়াকৈ উজনি অসমৰ বিভিন্ন জিলাত সংঘটিত প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক প্ৰাৰম্ভিকভাৱে আৰ্থিক সকাহ প্ৰদানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে সোমবাৰে অন্তৰ্ৱৰ্তীকালীন বান সাহায্যৰ প্ৰথম কিস্তিৰ ধনৰাশি মুকলি কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ পৰা ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে ৰাজ্যজুৰি এই সাহায্য বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ সমান্তৰালভাৱে বোকাখাত সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষতো এক অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত বোকাখাত আৰু খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বানপীড়িত হিতাধিকাৰীসকললৈ প্ৰত্যক্ষ লাভ হস্তান্তৰ (DBT) ব্যৱস্থাৰ জৰিয়তে আৰ্থিক সাহায্য প্ৰদান কৰা হয়। আজি বোকাখাত সমষ্টিৰ বোকাখাত আৰু খুমটাই ৰাজহ চক্ৰৰ মুঠ ১৪৬জন বানপীড়িত হিতাধিকাৰীৰ বেংক একাউণ্টত ১৫ হাজাৰ টকাকৈ অন্তৰ্ৱৰ্তীকালীন সাহায্য জমা কৰা হয়। চৰকাৰে এই সাহায্যৰ জৰিয়তে বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক তাৎক্ষণিকভাৱে কিছু আৰ্থিক সকাহ প্ৰদানৰ চেষ্টা কৰিছে। ভিডিঅ' কনফাৰেন্সযোগে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কয় যে, বানপীড়িত প্ৰতিগৰাকী লোকৰ কাষত ৰাজ্য চৰকাৰ সদায় থিয় হৈ আছে। তেওঁ কয়, বহু অঞ্চলত এতিয়াও ক্ষয়-ক্ষতিৰ সঠিক মূল্যায়ন আৰু জৰীপৰ কাম চলি আছে। মূল্যায়ন সম্পূৰ্ণ হোৱাৰ পাছত চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি সকলো যোগ্য হিতাধিকাৰীক পৰ্যায়ক্ৰমে উপযুক্ত ক্ষতিপূৰণ আৰু সাহায্য আগবঢ়োৱা হ'ব। কোনো প্ৰকৃত ক্ষতিগ্ৰস্ত ব্যক্তি যাতে সাহায্যৰ পৰা বঞ্চিত নহয়, সেই বিষয়ত চৰকাৰ বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। সমজিলা প্ৰশাসনৰ সূত্ৰে জানিব পৰা মতে, বানপীড়িত আন বহু পৰিয়ালৰ ক্ষয়-ক্ষতিৰ মূল্যায়ন (Assessment) অব্যাহত আছে। জৰীপ সম্পূৰ্ণ হোৱাৰ পিছতে চৰকাৰী নীতি অনুসৰি পৰৱৰ্তী পৰ্যায়ত যোগ্য হিতাধিকাৰীসকলক সাহায্য আগবঢ়োৱা হ'ব। অনুষ্ঠানত বোকাখাত সমজিলাৰ সমজিলা আয়ুক্ত সুজাতা গগৈ, বোকাখাত পৌৰসভাৰ পৌৰপতি ৰত্নেশ্বৰ বৰুৱা, NEEPCO-ৰ সঞ্চালক (স্বতন্ত্ৰ) অনিমেষ শইকীয়া, সমাজকৰ্মী জগত চন্দ্ৰ কলিতা আৰু দেৱ প্ৰদীপ বৰা, চক্ৰ বিষয়া দেবাহুতি ডেকা, সমজিলা প্ৰশাসনৰ সহকাৰী আয়ুক্তসকল, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, পঞ্চায়ত প্ৰতিনিধি আৰু বোকাখাত তথা খুমটাই ৰাজহ চক্ৰৰ বহু হিতাধিকাৰী উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত হিতাধিকাৰীসকলে চৰকাৰৰ এই তাৎক্ষণিক সহায়ক আদৰণি জনোৱাৰ লগতে আগন্তুক দিনত পুনৰ্বাসন আৰু পুনৰ্নিৰ্মাণৰ ক্ষেত্ৰতো চৰকাৰৰ পৰা একেধৰণৰ সহযোগিতা অব্যাহত থাকিব বুলি আশা ব্যক্ত কৰে। সমজিলা প্ৰশাসনেও বানপীড়িতসকলক চৰকাৰী সকলো সুবিধা সময়মতে প্ৰদান কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি যোৱাৰ আশ্বাস দিয়ে।

**সোণাপুৰত সোলেঙী নৈৰ বাঢ়নী পানীয়ে খহালে পকী দলঙৰ পূব অংশ; পথ যোগাযোগ বিচ্ছিন্ন**

# গহপুৰ লোক নিৰ্মাণ বিভাগৰ গাফিলতিৰ ভয়ংকৰ পৰিণাম



**অসম বাৰ্তা, গহপুৰ, ৪ আগষ্ট ঃ** গহপুৰ লোক নিৰ্মাণ বিভাগৰ চূড়ান্ত গাফিলতি আৰু দায়িত্বহীনতাৰ ফলত সোলেঙী নৈৰ ওপৰত থকা এখন পকী দলংৰ পাৰ খহি পৰাৰ ফলত সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰিছে যাতায়ত ব্যৱস্থা। গহপুৰ সমজিলাৰ উত্তৰাঞ্চলৰ চাৰিলেনযুক্ত ৪১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নলবাৰী, ঘগৰাবস্তি হৈ এন চি সোণাপুৰ সংযোগী সোলেঙী নৈৰ উক্ত পকী দলঙখনৰ পূৱ অংশৰ পাৰতো যোৱা নিশা খহাই নিয়ে সোলেঙী নৈৰ বাঢ়নী পানীয়ে। ফলত আজি পুৱাৰে পৰা সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে যাতায়ত ব্যৱস্থা। অঞ্চলটোৰ এন চি সোণাপুৰ, মধ্য সোণাপুৰ, উত্তৰ সোণাপুৰ, সোণাপুৰ ফৰেষ্ট, ৰঙাজান, ননকে সোলেঙী, ব্ৰহ্মপুৰকে ধৰি একাধিক গাঁৱৰ পথ যোগাযোগৰ অন্যতম মাধ্যম উক্ত দলংখনৰ পাৰতো খহাই নিয়াৰ ফলত বিদ্যালয়লৈ যোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে ছাত্ৰ -ছাত্ৰী সকল। যিহেতু আজিৰে পৰা গৰম বন্ধ খুলিছে, তেনেক্ষেত্ৰত দলংখনৰ বিধ্বস্ত অৱস্থাই ছাত্ৰ ছাত্ৰীৰ লগতে শিক্ষক শিক্ষয়িত্ৰী আৰু চৰকাৰী কৰ্মচাৰী সকলক যথেষ্ট সমস্যাত পেলাইছে। তদুপৰি সাধাৰণ ৰাইজ, ব্যৱসায়ী আদিও যথেষ্ট আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছে। উল্লেখযোগ্য যে -যোৱা প্ৰায় এক ডেৰমাহৰ পৰা দলংখনৰ উক্ত অংশতো খহিবলৈ আৰম্ভ কৰে। স্থানীয় ৰাইজে এই বিষয়ে সংশ্লিষ্ট বিভাগক অৱগত কৰিছিল। সংবাদ মাধ্যমতো এই বিষয়ে বাতৰি প্ৰকাশ পাইছিল। কিন্তু গহপুৰ লোক নিৰ্মাণ বিভাগ আৰু জলসম্পদ বিভাগৰ বৰমুৰীয়াসকলে স্থানীয় ৰাইজৰ কথাত বিশেষ গুৰুত্ব আৰোপ নকৰি খহনীয়া ৰোধৰ কাৰ্য্য ব্যৱস্থা পালমাৰি থয়। এইক্ষেত্ৰত স্থানীয় ৰাইজে সংশ্লিষ্ট বিভাগৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ আৰু অসন্তুষ্টি প্ৰকাশ কৰি কয় যে তেওঁলোকে স্থানীয় ৰাইজৰ কথাত অকণো গুৰুত্ব নিদি কেইডালমান বাঁহৰ গোজ পুতি দায়িত্ব সামৰাৰ বাবেই এতিয়া স্থানীয় ৰাইজে যাতায়তৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিবলগীয়া হৈছে। দলংখনৰ উক্ত অংশটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে আৰম্ভণিতেই বিজ্ঞানসন্মত কাৰ্য্য পদ্ধতি গ্ৰহণ কৰা হ'লে যোৱা নিশাৰ পৰিস্থিতি নহ'লহেঁতেন বুলি মন্তব্য কৰিছে স্থানীয় ৰাইজে। ইপিনে সোলেঙী নৈৰ বাঢ়নী পানীয়ে বৰঘূলি আৰু ন-বিল গাঁৱৰ প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ ওপৰৰ অংশ খহাই নিয়াৰ ফলত পথটো তেনেই বিধ্বস্ত হৈ পৰিছে। আজি পুৱা উক্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয় গহপুৰৰ বিধায়ক উৎপল বৰা, বিশ্বনাথৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ আৰু বিভাগীয় বিষয়া অভিযন্তাই। ইপিনে গহপুৰত চত্ৰং নদীৰ মথাউৰি চিঙি বিস্তৰ ক্ষতিসাধন কৰিছে একাধিক অঞ্চল। উন্মুক্ত মথাউৰিয়েদি বৈ অহা বাঢ়নী পানীয়ে জয়পুৰ অঞ্চলৰ এটা গড়কাপ্তানী পথৰ অৰ্ধেক অংশ চিঙি নিয়াৰ লগতে গহপুৰ পুৰুপবাৰী চাহ বাগিচা বুৰাই ক্ষতিসাধন কৰিছে। জয়পুৰ, দক্ষিণ জয়পুৰ, ভোগপুৰ, মিলনপুৰ গাঁও কেইখন বানত বুৰ গৈ থকাৰ লগতে বিস্তীৰ্ণ এলেকা জুৰি কৃষিভূমিত বালিৰ তৰপ পেলায় বিনষ্ট কৰা পৰিলক্ষিত হৈছে।

**টুলুঙা নাওৱেৰেই এতিয়া ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ যাতায়তী সমল; মথাউৰি ওপৰতে চলিছে শিক্ষাদান**

# বোকাখাত সম জিলাৰ মহুৰামুখ অঞ্চলত বানত জলমগ্ন বহুকেইখন বিদ্যালয়

**অসম বাৰ্তা, নুমলীগড়, ৪ আগষ্ট ঃ** বোকাখাত সম জিলাত নৈপৰীয়া দ-অঞ্চল সমূহৰ এতিয়াও সম্পুৰ্ন বান মুক্ত হোৱা নাই। কেতিয়া শুকাব পানী? শালি ধানৰ কঠীয়া ডৰাত পৰিব নেকি পুনৰ একাঠু পলশ? পুনৰ ফেনে ফুটুকাৰে উঠলি উঠিব নেকি গেলাবিল, ধনশিৰি কিম্বা বৰলুইতৰ বলীয়া বান? এনে এশ এবুৰি ভাবৰ দোমাজাত এতিয়া অনিশ্চয়তাত আবদ্ধ দৰিদ্ৰ চহা ৰাইজৰ জীৱন গাঁঠা। গৰমৰ বন্ধৰ শেষত ১ আগষ্টৰ পৰা পুনৰ আৰম্ভ হৈছে বিদ্যালয়সমূহৰ নিয়মীয়া পাঠদান। কিন্তু শেহতীয়া প্ৰলয়ংকৰী বানৰ ধ্বংসলীলাত এতিয়াও সম্পূৰ্ণৰূপে হাবুডুবু বোকাখাত সমজিলাৰ মহুৰামুখ অঞ্চল। আংশিকভাবে বানপানী কমিছে যদিও অঞ্চলটোৰ উত্তৰাংশৰ কেইবাখনো বিদ্যালয় এতিয়াও জলমগ্ন হৈ থকাত শিক্ষাদান আৰু শিক্ষাগ্ৰহণ দুয়ো ক্ষেত্ৰতে অসুবিধাৰ সৃষ্টি হৈছে। এনে প্ৰতিকূল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা যাতে ব্যাহত নহয়, তাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলে অসাধাৰণ দায়বদ্ধতা আৰু মানৱীয়তাৰ পৰিচয় দি বিভিন্ন বিকল্প ব্যৱস্থাৰে পাঠদান অব্যাহত ৰখাৰ ব্যবস্থা কৰিছে। অঞ্চলটোৰ ভলুকাগুৰি প্ৰাথমিক বিদ্যালয় বৰ্তমানেও সম্পূৰ্ণৰূপে বানপানীৰ কবলত পৰি ককবকাই আছে। বিদ্যালয়খনৰ শ্ৰেণীকোঠা আৰু চৌহদত এতিয়াও পানী থকাৰ বাবে বিদ্যালয়ৰ ভিতৰত পাঠদান কৰাটো সম্ভৱ হৈ উঠা নাই। সেয়েহে বিদ্যালয়খনৰ শিক্ষকসকলে কাষতে থকা ৰাইজৰ একমাত্ৰ ভৰষাৰ স্থল নেঘেৰিটিং-বংকোৱাল মথাউৰিৰ ওপৰত মুকলি আকাশৰ তলতে সাময়িকভাবে অতি কষ্টেৰে পাঠ দানৰ ব্যবস্থা কৰিছে। বানৰ ভয়াবহতাক প্ৰতিপন্ন কৰি মথাউৰিৰ ওপৰত বহি কণ-কণ ছাত্ৰ-ছাত্ৰীসকলে পাঠ গ্ৰহণ কৰাৰ দৃশ্যয়ে সকলোকে চিন্তিত কৰি তুলিছে যদিও শিশু সকলৰ নিয়মীয়া শিক্ষা অব্যাহত ৰখাৰ বাবে শিক্ষক সকলে গ্ৰহণ কৰা এই প্ৰচেষ্টাৰ প্ৰতি সকলোৱে সন্মান প্ৰদৰ্শন কৰিছে। মুকলি আকাশৰ তলত, সীমিত সুবিধাৰ মাজতো শিক্ষকসকলে নিষ্ঠাৰে পাঠদান কৰি থকাটো সকলোৱে উচ্চ স্বৰে প্ৰশংসা কৰিছে। অন্যহাতে, ২নং বৰটিকা প্ৰাথমিক বিদ্যালয়ত গ্ৰহণ কৰিছে এক ব্যতিক্ৰমী পদক্ষেপ। বিদ্যালয়ৰ চৌহদৰ পৰা এতিয়াও পানী ওলাই যোৱাৰ নাই কাৰণে বিদ্যালয়ৰ যাতায়াত অত্যন্ত কষ্টকৰ হৈ পৰিছে। এনে অৱস্থাত শিক্ষকসকলে এখন নাওৰ সহায়ত প্ৰতিদিনে কণ-কণ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ কঢ়িয়াই নিয়াৰ লগতে পাঠদান শেষ হোৱাৰ পিছত পুনৰ নিৰাপদে নাৱেৰে ঘূৰাই আনি অভিভাবকৰ কাষ পোৱাইগৈ। শিক্ষকসকলে এই সামাজিক দায়বদ্ধতা শিৰ পাতি লৈ আত্মনিয়োগ কৰি কন কন শিশু সকলক প্ৰলয়ংকাৰী বানৰ মাজতে এটা শৈক্ষিক পৰিবেশ দিবলৈ যত্ন কৰা এনেধৰণৰ মাহানুভবতাক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰিছে। আনহাতে, বংকোৱাল উচ্চ মাধ্যমিক বিদ্যালয়, বৰটিকা-অফলা উচ্চ মাধ্যমিক বিদ্যালয় আৰু বৰটিকা-অফলা মধ্য ইংৰাজী বিদ্যালয়ৰ চৌহদতো এতিয়াও একাঁঠু পৰ্যন্ত পানী জমা হৈ আছে। ফলত প্ৰতিদিনে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে পানীত খোজ কাঢ়ি বিদ্যালয়লৈ অহা-যোৱা কৰিবলগীয়া হৈছে। বিদ্যালয়সমূহত পাঠদান চলি থাকিলেও এনে পৰিৱেশে শিক্ষাৰ স্বাভাৱিক পৰিবেশ বিঘ্নিত কৰা পৰিলক্ষিত হৈছে। বলীয়া বানৰ এনে বিপৰ্যস্ত পৰিবেশৰ বাবে বিশেষকৈ ছাত্ৰ ছাত্ৰী সকলৰ লগতে শিক্ষক সমাজৰ স্বাস্থ্যৰ প্ৰতিও ভাকুকি কঢ়িয়াই আনিছে। স্বাস্থ্যজনিত বিপদৰ আশংকা এতিয়া যথেষ্ট বৃদ্ধি পাইছে। বিশেষকৈ কন কন ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষা আৰু স্বাস্থ্যক লৈ অভিভাৱকসকল উদ্বিগ্ন হৈ পৰিছে। সমান্তৰাল ভাবে গৰৈমাৰী উচ্চ মাধ্যমিক বিদ্যালয় আৰু নৈপৰীয়া অঞ্চলৰ একমাত্ৰ ব্যক্তিগত ইংৰাজী মাধ্যমৰ বিদ্যালয় দিঁচৈ ভেলি ইংলিছ স্কুল এতিয়াও সম্পূৰ্ণৰূপে বানপানীত ডুব গৈ থকাৰ ফলত এই দুয়োখন বিদ্যালয়ত পাঠদান সম্পূৰ্ণৰূপে বন্ধ হৈ আছে। বিদ্যালয়সমূহৰ শ্ৰেণীকোঠা, খেলপথাৰ আৰু চৌহদ পানীৰ তলত থকাত কেতিয়া পুনৰ অনুকূল পৰিবেশত পাঠদান আৰম্ভ হ'ব সেয়া এতিয়াও অনিশ্চিত হৈ পৰিছে। ইয়াৰ ফলত বহু ছাত্ৰ-ছাত্ৰীৰ শিক্ষাজীৱনত অস্থায়ীভাৱে স্থবিৰতাৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজ, অভিভাৱক আৰু শিক্ষকসমাজে শীঘ্ৰে বিদ্যালয়সমূহলৈ সুষ্ঠিৰ পৰিবেশ নহা পৰ্যন্ত ভুক্তভোগী ছাত্ৰ-ছাত্ৰী সকলৰ বাবে কাষৰে যিকোনো ওখ স্থানত অস্থায়ী ভাৱে শৈক্ষিক কেম্পৰ ব্যৱস্থা কৰিবলৈ প্ৰসাশনক আহ্বান জনাইছে। সমান্তৰাল ভাবে পানী কমিলেই বিদ্যালয়ৰ চৌহদ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, ক্ষতিগ্ৰস্ত আন্তঃগাঁথনি মেৰামতি আৰু প্ৰয়োজনীয় শিক্ষা সামগ্ৰী যোগান ধৰাৰ বাবে শিক্ষা বিভাগ আৰু জিলা প্ৰশাসনে জৰুৰী ভিত্তিত ব্যৱস্থা গ্ৰহণৰো আহ্বান জনাইছে। ইয়াৰোপৰি জলমগ্ন বিদ্যালয়সমূহৰ অস্থায়ী পাঠদান কেন্দ্ৰলৈ ছাত্ৰ-ছাত্ৰীসকলৰ নিৰাপদ যাতায়াতৰ ব্যৱস্থা আৰু স্বাস্থ্য সুৰক্ষাৰ দিশতো তাৎক্ষণিক পদক্ষেপ গ্ৰহণৰ দাবী উত্থাপন কৰিছে। এফালে বানৰ প্ৰলয়ংকাৰী প্ৰকোপ, আনফালে শিক্ষাৰ প্ৰতি শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ নিষ্ঠাবান প্ৰচেষ্টা, মহুৰামুখৰ বান অধ্যুষিত অঞ্চলৰ এনেবোৰ দায়বদ্ধতাশীল দৃশ্যই প্ৰমাণ কৰিছে যে যিকোনো দুৰ্যোগৰ মাজতো শিক্ষাৰ জ্যোতি বিকশিত হোৱাৰ স্বাৰ্থত ৰজাঘৰ প্ৰজাঘৰ সকলোৱেই আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব।

# নাজিৰাত বানাক্ৰান্ত ৰাইজৰ কাষত মুখ্যমন্ত্ৰী; অন্তৰ্ৱৰ্তীকালীন বান সাহায্যৰ প্ৰথম কিস্তি মুকলি

**অসম বাৰ্তা, গেলেকী, ৪ আগষ্ট ঃ** শেহতীয়াকৈ ৰাজ্যত দেখা দিয়া প্ৰলয়ংকাৰী বানত বিস্তৰ ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ জিলাৰ নাজিৰাৰ বানপীড়িত ৰাইজৰ কাষত সোমবাৰে উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। সম্প্ৰতি ডিব্ৰুগড়ৰ পৰা আনুষ্ঠানিকভাৱে অন্তৰ্ৱৰ্তীকালীন বান সাহায্যৰ প্ৰথম কিস্তিৰ ধনৰাশি মুকলি কৰাৰ পাছতেই মুখ্যমন্ত্ৰীগৰাকীয়ে নাজিৰাত উপস্থিত হৈ ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ বুজ লয়। গ্ৰহণ কৰা এই তাৎক্ষণিক পদক্ষেপ আৰু সাহায্য ব্যৱস্থাৰ মূল তথ্যসমূহ তলত আগবঢ়োৱা হ'ল: আৰ্থিক সাহায্য মুকলি: প্ৰথম পৰ্যায়ত ৰাজ্যৰ প্ৰায় ৭৫, ০০০ৰো অধিক ক্ষতিগ্ৰস্ত পৰিয়াললৈ ১৫, ০০০ টকাকৈ প্ৰাৰম্ভিক সাহায্যৰ ধন হস্তান্তৰ কৰা হৈছে। পৰৱৰ্তী সময়ত প্ৰভাৱিত পৰিয়ালসমূহলৈ দ্বিতীয় কিস্তি হিচাপে পুনৰ ১০, ০০০ টকাকৈ প্ৰদান কৰা হ'ব। ভাৰ্চুৱেল অনুষ্ঠান: সাহায্য মুকলি উপলক্ষে নাজিৰা সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা এক বিশেষ ভাৰ্চুৱেল কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। য'ত স্থানীয় বিধায়ক ময়ূৰ বৰগোহাঁই, জিলা আয়ুক্ত আৰু স্থানীয় বানপীড়িত ৰাইজ উপস্থিত থাকে। প্ৰত্যক্ষ ক্ষয়-ক্ষতিৰ বুজ: যোৱা ১৯ জুলাইৰ প্ৰলয়ংকাৰী বানত শিৱসাগৰ জিলাৰ নাজিৰা, বিহুবৰ আৰু নেপালী খুটি অঞ্চল সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। বহুলোকে অকাল মৃত্যুক সাৱটি ল'বলগীয়া হোৱাৰ লগতে হাজাৰ হাজাৰ পশুধনৰো হানি ঘটে। ঘৰে ঘৰে গৈ ক্ষতিপূৰণ নিৰ্ধাৰণ: মুখ্যমন্ত্ৰী গৰাকীয়ে প্ৰতিশ্ৰুতি দিয়ে যে বঞ্চিত সকলো লোকে চৰকাৰী সুবিধা পাব। অহা ৯ আগষ্টৰ পৰা প্ৰশাসনৰ প্ৰতিনিধিয়ে প্ৰতিজন ক্ষতিগ্ৰস্ত লোকৰ ঘৰলৈ গৈ সবিশেষ জৰীপ চলাব আৰু সেই অনুসৰি পৰৱৰ্তী ক্ষতিপূৰণ আগবঢ়াব। মথাউৰি মেৰামতিৰ আশ্বাস: বানত খহি পৰা দিখৌ নদীৰ ভাগি যোৱা মথাউৰিটো জৰুৰীভাৱে পুনৰ নিৰ্মাণ কৰাৰো আশ্বাস দিয়ে মুখ্যমন্ত্ৰীয়ে। চৰকাৰৰ এই তৎপৰতা আৰু ক্ষিপ্ৰ পদক্ষেপক নাজিৰাৰ বানপীড়িত ৰাইজে আদৰণি জনাইছে।

# অবৈধভাৱে বেত সৰবৰাহ কৰা বাহন জব্দ চাউলধোৱা আৰক্ষীৰ; দুজনক আটক



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৪ আগষ্ট ঃ** তিনি আগষ্টৰ পুৱতি নিশা প্ৰায় ৪ বজাত লখিমপুৰ জিলাৰ চাউলধোৱা আৰক্ষীয়ে চলোৱা নিয়মীয়া তালাচিত এখন অবৈধভাৱে বেত কঢ়িয়াই অনা বাহন জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। এ এছ ০৭ বি চি ৯৫৭৯ নম্বৰৰ বলেৰ' পিকআপখনত কোনো প্ৰয়োজনীয় নথি-পত্ৰ অবিহনে বৃহৎ পৰিমাণৰ বেত সৰবৰাহ কৰিবলৈ যত্ন কৰোঁতে চাউলধোৱাৰ ৰাষ্ট্ৰীয় পথত বাহনখন আৰক্ষীয়ে জব্দ কৰাৰ লগতে ঘিলামৰা থানাৰ অন্তৰ্গত বঞ্চিৰাম চুকৰ দিগন্ত পগাগৰ পুত্ৰ থমাচ পগাগ (২৯) আৰু একে ঠাইৰে জীতেন পগাগৰ পুত্ৰ আকাশ পগাগ (২৫)ক আটক কৰে। চাউলধোৱা আৰক্ষীয়ে জব্দ কৰা বাহন, বেত আৰু দুই সৰবৰাহকাৰীক পথালিপাম বনখণ্ডৰ কাৰ্যালয়লৈ হস্তান্তৰ কৰে।

# লখিমপুৰত নিষিদ্ধ মাংসৰ সৈতে গ্ৰেপ্তাৰ দুজনক; জে'ল হাজোতলৈ প্ৰেৰণ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৪ আগষ্ট ঃ** লখিমপুৰ জিলাৰ বগীনদী থানাৰ অন্তৰ্গত চাউলধোৱা আৰক্ষীয়ে আজি ৩ আগষ্টৰ পুৱা প্ৰায় ৫ মান বজাত নিষিদ্ধ গৰু মাংসৰ সৈতে দুজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এ এছ ০৭ টি ৪১৪৩ নম্বৰৰ টি ভি এছ বাইকেৰে দুজন লোকে অৰুণাচল-অসম সীমান্তৰ ৰূপহী ৰাজগড় পথেৰে ১১ কেজি ৩৭৮ গ্ৰাম গৰু মাংস কঢ়িয়াই আনি থকাৰ খবৰ লাভ কৰে আৰক্ষীয়ে। খবৰৰ ভিত্তিত আৰক্ষীয়ে আনন্দ বাগান তিনিআলিৰ সমীপত দুই নিষিদ্ধ গৰু মাংস সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ জেৰাত দুই ব্যক্তিয়ে নিষিদ্ধ গৰু মাংসখিনি কাটৰি চাপৰি অঞ্চলৰ কোনো ঠাইত বিক্ৰী কৰিবলৈ অনাৰ কথা স্বীকাৰ কৰে। দুই গৰু মাংস সৰবৰাহকাৰী ক্ৰমে অৰুণাচল প্ৰদেশৰ কামলে জিলাৰ কলাপটুকৰ থানাৰ অন্তৰ্ভুক্ত বম-টে গাঁৱৰ নিদো চালাৰ পুত্ৰ নিদৰ ৰঞ্জন(২৬) আৰু লখিমপুৰ জিলাৰ বগীনদী থানাৰ অন্তৰ্ভুক্ত পথালিপাম ৰূপহীৰ বিপিন ওৰাঙৰ পুত্ৰ টামিন ওৰাং(২৫) ক লখিমপুৰ জিলা আদালতৰ জৰিয়তে আৰক্ষীয়ে জে'ল হাজোতলৈ প্ৰেৰণ কৰে।

# মাজুলীৰ লোহিত খাবলুত পুনৰ মৰ্মান্তিক ঘটনা; ট্ৰেক্টৰৰ ট্ৰলিতেই সন্তান প্ৰসৱ কৰিলে প্ৰসূতিয়ে

**পথ-যোগাযোগ ব্যৱস্থাৰ শোচনীয় অৱস্থাই পুনৰ উদঙালে উন্নয়নৰ বাস্তৱ ছবি; সচেতন মহলৰ ক্ষোভ**

**অসম বাৰ্তা, উজনী মাজুলী, ৪ আগষ্ট ঃ** মাজুলী জিলাৰ লগত নতুনকৈ চামিল হোৱা লোহিত খাবলু গাঁও পঞ্চায়তৰ অন্তৰ্গত লিগিৰামুখ চানং গাঁৱত পুনৰ সংঘটিত হৈছে এক মৰ্মান্তিক ঘটনা। উন্নত পথ-যোগাযোগ ব্যৱস্থা আৰু সময়মতে চিকিৎসালয়লৈ নিয়াৰ সুবিধাৰ অভাৱত এগৰাকী গৰ্ভৱতী মহিলাই চিকিৎসালয়লৈ যোৱাৰ পথতে ট্ৰেক্টৰৰ ট্ৰলিতেই সন্তান প্ৰসৱ কৰিবলগীয়া হয়। এই ঘটনাই পুনৰ এবাৰ অঞ্চলটোৰ দুৰ্বল যোগাযোগ ব্যৱস্থা আৰু মৌলিক আন্তঃগাঁথনিৰ কৰুণ বাস্তৱ ছবিখন উদঙাই তুলিছে। জানিব পৰা মতে, লিগিৰামুখ চানং গাঁৱৰ বাসিন্দা ৰেস্মা পেগু নামৰ প্ৰসূতি গৰাকীৰ হঠাতে প্ৰসৱ বেদনা আৰম্ভ হোৱাত পৰিয়ালৰ লোকে তেওঁক গড়মূৰ পীতাম্বৰদেৱ জিলা চিকিৎসালয়লৈ নিয়াৰ উদ্দেশ্যে ট্ৰেক্টৰত উঠাই আনে। কিন্তু জৰাজীৰ্ণ পথ অতিক্ৰম কৰি চিকিৎসালয়লৈ যোৱাৰ সময়তে ট্ৰেক্টৰৰ ট্ৰলিতেই তেওঁ এটি সন্তান জন্ম দিয়ে। প্ৰসৱৰ পিছত মাতৃগৰাকীৰ স্বাস্থ্যৰ অৱনতি ঘটিলেও পিছত চিকিৎসা লাভ কৰাৰ ফলত বৰ্তমান তেওঁ সুস্থ হৈ নিজ গৃহত আছে বুলি জানিব পৰা গৈছে। প্ৰসূতিগৰাকীৰ স্বামীৰ নাম ভৰত পেগু। উল্লেখযোগ্য যে, লোহিত খাবলু অঞ্চলত এনে ঘটনা এইবাৰেই প্ৰথম নহয়। ইয়াৰ পূৰ্বেও নাৱৰ ওপৰত, পথৰ দাঁতিত, ঠেলাগাড়ীত আৰু ট্ৰেক্টৰতেই প্ৰসূতিয়ে সন্তান জন্ম দিবলগীয়া হোৱা একাধিক ঘটনাই ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। কিন্তু বাৰম্বাৰ এনে ঘটনা সংঘটিত হোৱাৰ পাছতো অঞ্চলটোৰ পথ-যোগাযোগ আৰু জৰুৰী স্বাস্থ্যসেৱাৰ স্থায়ী সমাধান নোহোৱাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টি বিৰাজ কৰিছে। ইফালে ঘটনাটোক লৈ সচেতন মহলতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সচেতন মহলৰ মতে, এগৰাকী গৰ্ভৱতী মহিলাই চিকিৎসালয়লৈ যোৱাৰ পথত ট্ৰেক্টৰৰ ট্ৰলিতেই সন্তান প্ৰসৱ কৰিবলগীয়া হোৱাটো মাজুলীৰ গ্ৰাম্য যাতায়াত ব্যৱস্থাৰ বাস্তৱ ছবিখন পুনৰবাৰ স্পষ্ট কৰি তুলিছে। এগৰাকী মাতৃ আৰু নৱজাতকক চিকিৎসালয়লৈ সুৰক্ষিতভাৱে লৈ যাবলগীয়া সময়ত যদি বাট-পথৰ দুৰৱস্থাৰ বাবে ট্ৰেক্টৰৰ দৰে অনুপযুক্ত বাহনৰ আশ্ৰয় ল'বলগীয়া হয়, তেন্তে ই অঞ্চলটোৰ গভীৰ সংকটৰ স্পষ্ট প্ৰতিচ্ছবি বুলিও তেওঁলোকে মন্তব্য কৰে। সচেতন মহলে লগতে কয় যে, যাতায়াত কেৱল উন্নয়নৰ এটা অংশ নহয়; ই মানুহৰ জীৱন, স্বাস্থ্য আৰু সুৰক্ষাৰ সৈতে পোনপটীয়াকৈ জড়িত। বিশেষকৈ গৰ্ভৱতী মহিলা, ৰোগী, শিশু আৰু জৰুৰীকালীন চিকিৎসাৰ প্ৰয়োজন হোৱা লোকসকলৰ বাবে সুচল পথ-যোগাযোগ ব্যৱস্থা নিশ্চিত কৰাটো অতি জৰুৰী। সেয়েহে মাজুলীৰ বাট-পথ, দলং, স্বাস্থ্যসেৱা আৰু অন্যান্য মৌলিক আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত চৰকাৰ তথা সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষই আৰু বিলম্ব নকৰি ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিব লাগে, যাতে ভৱিষ্যতে কোনো মাতৃয়ে চিকিৎসালয়লৈ যোৱাৰ পথতে এনে অসহায় আৰু জীৱন-সংশয়জনক পৰিস্থিতিৰ সন্মুখীন হ'বনালাগে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। উল্লেখযোগ্য যে দেশে স্বাধীনতাৰ শতবৰ্ষ অতিক্ৰম কৰিবলৈ গৈ থকাৰ সময়তো ৰাস্তা-ঘাটৰ উন্নয়ন নেদেখা মাজুলীৰ লোহিত খাবলু পঞ্চায়তৰ প্ৰায় ২৮খন গাঁৱৰ ৰাইজে যমৰ-যাতনা ভোগ কৰি আহিছে। কলিয়াপানী স্বৰূপ অঞ্চলটো পূৰ্বে লখিমপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত আছিল যদিও নিৰ্বাচন সমূহৰ পূৰ্বে কেৱল ভোটভিক্ষাৰ বাবে অহাৰ বাদে কোনো জনপ্ৰতিনিধিয়ে আৰ্থ সামাজিক উন্নয়নৰ আঁচনি লৈ লোহিত খাবলু পঞ্চায়তলৈ নহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। বিভিন্ন সময়ত লোহিত খাবলুত টুলুঙা নাৱত সন্তান প্ৰসৱ কৰা, ঠেলা গাড়ীত সন্তান প্ৰসৱ কৰা, ঘোঁৰা গাড়ী, ট্ৰেক্টৰত ৰোগীক চিকিৎসালয়লৈ অনাৰ পাছত লোহিত নদীৰ জৰাজীৰ্ণ কাঠৰ দলঙত মৃতদেহ লৈ পথ অৱৰোধ কৰি পকী দলং নিৰ্মাণৰ দাবী জনাইছিল। পূৰ্বৰ ঘটনা সমূহৰ পিছতো পুনৰ আজি অঞ্চলটোৰ বাট-পথৰ দুৰৱস্থাৰ বাবে মাজুলীত মুঠ ১১ খনকৈ ১০৮ এম্বুলেন্স সেৱা থকাৰ পাছতো বৰ্তমান সময়ত প্ৰসূতিয়ে ট্ৰেক্টৰৰ ট্ৰলিতেই সন্তান প্ৰসৱ কৰিবলগীয়া হোৱাৰ ঘটনা চাগৈ দেশৰ ভিতৰতে বিৰল হিচাপে চিহ্নিত হৈছে। অঞ্চলৰ ৰাইজে দাম্বুকীয়াল ঘাটত পকী দলং নিৰ্মাণৰ বাবে দাবী উত্থাপন কৰিছে।

# কৃষ্ণাইৰ পাইপাণত দিন দুপৰতে চুৰিকাণ্ড; চোৰে লুটি নিলে নগদ টকাসহ সোণৰ আ-অলংকাৰ

**অসম বাৰ্তা, কৃষ্ণাই, ৪ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত পাইকান নয়াপাৰাত দিন দুপৰতে সংঘটিত এক চুৰিকাণ্ডই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, চেলিনা খাতুন নামৰ মহিলা গৰাকীৰ ঘৰত দিন দুপৰতে অচিনাক্ত চোৰে সংঘটিত কৰিলে এই চুৰিকাণ্ড। চোৰে নগদ ৩৭ হেজাৰ টকাসহ চুৰি কৰি নিলে সোণৰ ভালেমান আ-অলংকাৰ। ঘটনাটো সংঘটিত হৈছে আজি দিনৰ প্ৰায় ১১ বজাত। ঘটনাৰ বিৱৰণী অনুসৰি আজি পুৱা প্ৰায় ১০-৩০ বজাত চেলিনা খাতুনে নিজ গৃহৰ পৰা বেংকৰ ঋণৰ কিস্তি দিবলৈ পাইকাণ বজাৰলৈ গৈছিল। সেইখিনি সময়তে ঘৰত কোনো নথকাৰ সুযোগত অচিনাকি চোৰে মহিলা গৰাকীৰ ঘৰৰ দুৱাৰ ভাঙি আলমিৰাত থকা নগদ ৩৭ হেজাৰ টকাৰ লগতে সোণৰ আ-অলংকাৰখিনি লৈ উধাও হয়। ইফালে ঘৰলৈ উভতি আহি এই দৃশ্য দেখি মহিলা গৰাকী দিশহাৰা হৈ কান্দোনত ভাগি পৰে। ইয়াৰ পিছতে মহিলা গৰাকীয়ে ঘটনা সন্দৰ্ভত কৃষ্ণাই আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিতে আৰক্ষীয়ে প্ৰাথমিক তদন্ত আৰম্ভ কৰিছে।

# উজনি অসমৰ বানপীড়িত ৰাইজৰ সহায়াৰ্থে জাহোৰপাম বজাৰত নিখিল ভাৰত কৃষক সভাৰ সাহায্য সংগ্ৰহ অভিযান

**অসম বাৰ্তা, মন্দিয়া, ৪ আগষ্ট ঃ** উজনি অসমৰ বানপীড়িত ৰাইজৰ সহায়াৰ্থে নিখিল ভাৰত কৃষক সভাৰ উদ্যোগত জাহোৰপাম বজাৰত এক বান সাহায্য সংগ্ৰহ কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত, বিশেষকৈ উজনি অসমত অব্যাহত থকা বান পৰিস্থিতিৰ ফলত হাজাৰ হাজাৰ পৰিয়াল গৃহহীন, জীৱিকাহীন আৰু খাদ্য সংকটৰ সন্মুখীন হোৱাৰ প্ৰেক্ষাপটত এই মানৱীয় উদ্যোগ গ্ৰহণ কৰা হয়। কাৰ্যসূচীৰ জৰিয়তে বজাৰৰ ব্যৱসায়ী, ক্ৰেতা, পথচাৰী আৰু সচেতন নাগৰিকৰ পৰা আৰ্থিক সাহায্য সংগ্ৰহ কৰা হয়। নিখিল ভাৰত কৃষক সভাৰ কৰ্মীসকলে বানপীড়িত লোকসকলৰ দুৰ্দশাৰ বিষয়ে ৰাইজক অৱগত কৰাৰ লগতে সমাজৰ প্ৰতিজন ব্যক্তিক নিজৰ সামৰ্থ্য অনুসৰি সহায়ৰ হাত আগবঢ়োৱাৰ আহ্বান জনায়। বহু লোকে স্বতঃস্ফূৰ্তভাৱে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি সাহায্য আগবঢ়ায় আৰু বানত ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰতি নিজৰ সহমৰ্মিতা প্ৰকাশ কৰে। কাৰ্যসূচীত উপস্থিত থাকি কৃষক নেতা জয়নাল আবেদিনে কয় যে প্ৰাকৃতিক দুৰ্যোগে সৰ্বাধিক আঘাত হানে দৰিদ্ৰ, খেতিয়ক, কৃষিশ্ৰমিক আৰু সাধাৰণ শ্ৰমজীৱী মানুহৰ ওপৰত। এনে সময়ত সমাজৰ সকলো স্তৰৰ মানুহে একেলগে আগবাঢ়ি আহি দুৰ্দশাগ্ৰস্ত লোকসকলৰ কাষত থিয় দিয়াটো নৈতিক আৰু মানৱীয় দায়িত্ব। তেওঁ লগতে চৰকাৰক ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপন, উপযুক্ত ক্ষতিপূৰণ আৰু প্ৰয়োজনীয় সাহায্য তৎপৰতাৰে প্ৰদান কৰাৰ দাবী জনায়। অনুষ্ঠানত ভাৰতৰ ছাত্ৰ ফেডাৰেচন চমুকৈ এছএফআইৰ বৰপেটা জিলা সমিতিৰ যুটীয়া সম্পাদক আফতাদ বাঁহমূৰীয়াই বান পৰিস্থিতিৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে বহু বিদ্যালয় বানৰ পানীত প্লাৱিত হোৱাৰ ফলত পাঠদান ব্যাহত হৈছে। বহু শিক্ষাৰ্থীৰ পাঠ্যপুথি, বহী-পত্ৰ, বিদ্যালয়ৰ পোছাক আৰু শিক্ষাৰ সামগ্ৰী নষ্ট হৈছে। বহু শিক্ষাৰ্থী আশ্ৰয় শিবিৰত থাকিবলৈ বাধ্য হোৱাত নিয়মীয়া অধ্যয়ন সম্পূৰ্ণৰূপে ব্যাহত হৈছে। তেওঁ চৰকাৰক ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকলৰ বাবে বিশেষ সাহায্য, বিনামূলীয়া শিক্ষাসামগ্ৰী বিতৰণ আৰু শিক্ষা ব্যৱস্থা স্বাভাৱিক কৰিবলৈ তাৎক্ষণিক পদক্ষেপ গ্ৰহণৰ দাবী জনায়। লগতে সমাজৰ সকলো শ্ৰেণীৰ মানুহক বানপীড়িত শিক্ষাৰ্থীসকলৰ কাষত থিয় দিয়াৰ আহ্বান জনায়। নিখিল ভাৰত কৃষক সভা, এছ এফ আই আৰু অন্যান্য গণসংগঠনৰ বহু কৰ্মী-সমৰ্থক উপস্থিত থাকে। উপস্থিত নেতাসকলে কয় যে দুৰ্যোগৰ সময়ত ৰাজনৈতিক মতাদৰ্শৰ উৰ্ধ্বত উঠি মানৱতাৰ স্বাৰ্থত সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টা অতি প্ৰয়োজনীয়। সংগ্ৰহকাৰীসকলে জানিবলৈ দিয়ে যে জাহোৰপাম বজাৰত সংগৃহীত সাহায্য শীঘ্ৰেই উজনি অসমৰ বানপীড়িত অঞ্চলসমূহলৈ প্ৰেৰণ কৰা হ'ব। লগতে এই কাৰ্যসূচীত সহযোগিতা আগবঢ়োৱা জাহোৰপাম বজাৰৰ ব্যৱসায়ী, সাধাৰণ ৰাইজ, শুভাকাংক্ষী আৰু সকলো দাতাক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

# শ্ৰীৰামপুৰত পুৰণি বজাৰ কমিটি ভংগ; নতুন ৩৫ জনীয়া বজাৰ কমিটি গঠন




**অসম বাৰ্তা, গোসাঁইগাঁও, ৪ আগষ্ট ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত শ্ৰীৰামপুৰ বজাৰৰ ব্যৱসায়ী আৰু স্থানীয় ৰাইজৰ উপস্থিতিত অনুষ্ঠিত এখন সাধাৰণ সভাত সৰ্বসন্মতিক্ৰমে পুৰণি বজাৰ কমিটি ভংগ কৰি নতুনকৈ শ্ৰীৰামপুৰ বজাৰ কমিটি গঠন কৰা হয়। ভিচিডিচিৰ চেয়াৰমেন পিনিয়াছ মুৰ্মুৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত নতুন কমিটিৰ সভাপতি হিচাপেজন কান্দুলা আৰু সাধাৰণ সম্পাদক হিচাপে ইছাহাক ইছ্‌ৰাৰীক দায়িত্ব অৰ্পণ কৰা হয়। সভাত বিভিন্ন পদবীত সদস্য অন্তৰ্ভুক্ত কৰি মুঠ ৩৫ জনীয়া এখন শক্তিশালী বজাৰ কমিটি গঠন কৰা হয়। নতুন কমিটিয়ে বজাৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা, শৃংখলা সুদৃঢ় কৰা, ব্যৱসায়ীসকলৰ বিভিন্ন সমস্যা সমাধান, গ্ৰাহকসকলক উন্নত সেৱা প্ৰদান, বজাৰৰ আন্তঃগাঁথনি উন্নয়ন আৰু স্থানীয় প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষা কৰি কাম কৰাৰ সংকল্প গ্ৰহণ কৰে। নৱনিৰ্বাচিত সভাপতিজন কান্দুলাই সকলো ব্যৱসায়ী আৰু স্থানীয় ৰাইজৰ সহযোগিতা কামনা কৰি কয় যে শ্ৰীৰামপুৰ বজাৰক অধিক পৰিষ্কাৰ, সু-শৃংখলিত আৰু উন্নত বজাৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে কমিটিয়ে নিষ্ঠা আৰু দায়িত্বশীলতাৰে কাম কৰিব। আনহাতে সাধাৰণ সম্পাদক ইছাহাক ইছ্‌ৰাৰীয়ে বজাৰৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত সকলো ব্যৱসায়িক একত্ৰিত হৈ নতুন কমিটিৰ সৈতে সহযোগিতা আগবঢ়োৱাৰ আহ্বান জনায়। সভাৰ অন্তত উপস্থিত ব্যৱসায়ী আৰু স্থানীয় ৰাইজে নৱগঠিত বজাৰ কমিটিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে আগন্তুক দিনত বজাৰৰ উন্নয়নমূলক কাৰ্য্যসূচী সফলভাৱে ৰূপায়ণ হোৱাৰ আশা ব্যক্ত কৰে।

# নাৰায়ণপুৰৰ বিস্তৃত অঞ্চল জলমগ্ন; পিছলা নদীৰ বানত অচলাৱস্থা ৰাইজৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ৪ আগষ্ট ঃ** লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ বহুকেইখন গাঁও কালিৰে পৰা জলমগ্ন হৈ পৰিছে। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰীয়া খৰস্ৰোতা পিছলা নদীৰ জলপৃষ্ঠ ফেনেফুটুকাৰে উপচি পৰি নাৰায়ণপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰজাবাৰী আৰু খলিহামাৰী সংলগ্ন পিছলা নদীৰ কৃষিবান্ধ বিচ্ছিন্ন কৰি হাজাৰ হাজাৰ বিঘা কৃষিভূমিৰ বিস্তৰ ক্ষতিসাধন কৰে। বিচ্ছিন্ন অংশৰে তীব্ৰবেগেত পানী সোমাই আহি ইতিমধ্যে নিদানচোৱা, ৰজাবাৰী, ২নং খলিহামাৰী, ৰূপতলী, সৰুকাঠনি, বেতনি গাঁও, ভাতমৌ, কলমৌগুৰি আদি জলমগ্ন কৰি তুলিছে। বানৰ ফলত ইতিপূৰ্বে যাতায়ত ব্যাহত হোৱাৰ লগতে ভূঁই ৰোপণ কৰা পথাৰ প্লাৱিত কৰি মানুহৰ ঘৰ-দুৱাৰ, বাৰী, মীনপালন ক্ষেত্ৰ, শাক-পাচলি খেতিৰ ব্যাপক ক্ষতিসাধন কৰিছে। অঞ্চলটোত এই বৰ্ষৰ প্ৰথমটো বানে শ শ বিঘা কৃষিভূমিৰ ৰুৱা মাৰি নিয়াৰ পিছত দ্বিতীয় বাৰৰ বাবে কঠীয়া ৰোৱা হৈছিল যদিও কৃষকৰ আশাত চেঁচাপানী পৰাহে পৰিলক্ষিত হৈছে। যিহেতু নৈৰ প্ৰবল সোঁতে কঢ়িয়াই অনা বালি আৰু পলসে এইসমূহ ধানখেতি পুতি থৈ যোৱাৰ সম্ভাৱনাই সৰ্বাধিক বুলি ৰাইজে শংকা প্ৰকাশ কৰিছে। নদীৰ পানীয়ে বিছিন্ন কৰা কৃষিবান্ধটো তৎকালীনভাৱে মেৰামতি কৰিবলৈ স্থানীয় ৰাইজে জিলা প্ৰশাসনক আহ্বান জনাইছে যদিও বৰ্তমানলৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আনহাতে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পই এৰি দিয়া অতিৰিক্ত পানীৰ ফলত সোৱণশিৰি নদীৰ জলপৃষ্ঠও বৃদ্ধি কৰিছে। নাৰায়ণপুৰ ৰাজহ এলেকাৰ নুনীবাৰী, টিকিৰাই, স্বয়ংপাতিৰ, কংবং চাপৰি, শিলিখাগুৰি, বৰবিল, বালিগাঁও, তিনতিয়াকে ধৰি দ্বি-শতাধিক গাঁও অচিৰেই জলমগ্ন কৰি তোলাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। উল্লেখ্য যে বিগত বৰ্ষত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এনএছপিছি কৰ্তৃপক্ষৰ লগত আলোচনা কৰি ৰাইজৰ ক্ষতিসাধন নোহোৱাকৈ পানী অলপ অলপকৈ এৰিবলৈ পৰামৰ্শ দিছিল যদিও সেই নিৰ্দেশ কিমান ফলৱতী হয় সেয়া সময়তহে ক'ব পৰা যাব।

# হঠাৎ সৰুপথাৰৰ বাৰঘৰীয়া বেবেজীয়া গাঁৱত উপস্থিত বলিউদৰ তাৰকা ৰণদীপ হুদা

## সাধাৰণ মানুহৰ দৰেই টুলুঙা নাৱত উঠিল অভিনেতাজনে

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ এখন সৰু গাঁও। গাঁওখনত হঠাতে উপস্থিত হয় বলিউদৰ জনপ্ৰিয় অভিনেতা ৰণদীপ হুদা। কোনো পূৰ্বঘোষণা নোহোৱাকৈ, কোনো আড়ম্বৰ বা বিশেষ নিৰাপত্তা ব্যৱস্থা নোহোৱাকৈ, একেবাৰে সাধাৰণ মানুহৰ দৰেই চাইলাঘাটত এখন টুলুঙা নাৱেৰে যাত্ৰা কৰি সোমবাৰে তেওঁ উপস্থিত হয় সৰুপথাৰৰ বাৰঘৰীয়া বেবেজীয়া গাঁৱত। বলিউদৰ এগৰাকী খ্যাতনামা অভিনেতাক এনেদৰে অতি সৰল ৰূপত নিজৰ মাজত দেখি মুহূৰ্ততে আনন্দ আৰু উৎসাহৰ ঢৌ বিয়পি পৰে সমগ্ৰ গাঁৱখনত। গাঁৱখনত উপস্থিত হৈ অভিনেতাজনে পোনে পোনে যায় স্থানীয় যুৱক সাগৰ লিম্বুৰ বাসগৃহলৈ। হঠাতে ৰণদীপ হুদাক নিজৰ দুৱাৰমুখত দেখি সাগৰ লিম্বুৰ পৰিয়ালৰ লগতে সমগ্ৰ অঞ্চলটোৰ ৰাইজ অভিভূত হৈ পৰে। খবৰ বিয়পি পৰাৰ লগে লগে বহু লোক সাগৰ লিম্বুৰ ঘৰৰ সন্মুখত সমবেত হয়। সকলোৱে নিজৰ প্ৰিয় অভিনেতাজনৰ সৈতে দেখা কৰাৰ, হাত মিলোৱাৰ, মত বিনিময় কৰাৰ লগতে স্মৃতি হিচাপে ফটো তোলাৰ সুযোগ লাভ কৰে। এই সন্দৰ্ভত ৰণদীপ হুদাই জানিবলৈ দিয়ে যে, সাগৰ লিম্বুৱে বিগত প্ৰায় ১৫বছৰ ধৰি তেওঁৰ ব্যক্তিগত সহযোগী হিচাপে কাম কৰি আহিছে। দীঘলীয়া সময় একেলগে কাম কৰাৰ ফলত দুয়োৰে মাজত কেৱল পেছাগত সম্পৰ্কই নহয়, এক আন্তৰিক পাৰিবাৰিক সম্পৰ্কও গঢ় লৈ উঠিছে। অসম ভ্ৰমণৰ সময়ত সাগৰে নিজৰ গাঁওখন ওচৰতে অৱস্থিত বুলি কোৱাত তেওঁ সাগৰৰ ঘৰখন স্বচক্ষে চাবলৈ আগ্ৰহ প্ৰকাশ কৰে। সেইমতেই কোনো ধৰণৰ আনুষ্ঠানিকতা নোহোৱাকৈ তেওঁ বাৰঘৰীয়া বেবেজীয়া গাঁৱলৈ আহে। উল্লেখযোগ্য যে, ৰণদীপ হুদা মূলত শিৱসাগৰ জিলাৰ বানপীড়িত লোকসকলৰ খবৰ ল'বলৈ আৰু তেওঁলোকৰ কাষত থিয় দিবলৈ অসমলৈ আহিছিল। বানৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ অৱস্থা নিজ চকুৰে পৰ্যবেক্ষণ কৰাৰ লগতে সম্ভৱপৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যেই তেওঁৰ এই ভ্ৰমণ। এই মানৱীয় পদক্ষেপে অসমৰ ৰাইজৰ মাজত ব্যাপক সঁহাৰি লাভ কৰিছে। বাৰঘৰীয়া বেবেজীয়া গাঁৱত উপস্থিত হৈ অভিনেতাজনে অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, ইয়াৰ সংস্কৃতি আৰু মানুহৰ আন্তৰিক আতিথ্যৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়- "অসম এখন অত্যন্ত ধুনীয়া ঠাই। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য মনোমোহা। ইয়াৰ মানুহবোৰ অত্যন্ত মৰমিয়াল, সঁচা আন্তৰিকতা ভৰা আৰু অত্যন্ত অতিথিপৰায়ণ। তেখেতে অসমৰ মানুহবোৰ স্বৰ্গতে বাস কৰে বুলি উল্লেখ কৰে। অভিনেতাজনে সাগৰ লিম্বুৰ পৰিয়ালৰ আতিথ্যও আন্তৰিকভাৱে গ্ৰহণ কৰে। তেওঁ পৰম আগ্ৰহেৰে অসমীয়াৰ পৰম্পৰাগত খাদ্যৰ সোৱাদ লয়। বিশেষকৈ চেল ৰুটি, লোকেল কুকুৰা, তিলৰ চাটনি, লাওপানী আৰু গাহৰিৰ মাংস খাই তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। স্থানীয় লোকসকলৰ সৈতে একেবাৰে আপোন মানুহৰ দৰে সময় কটোৱা, হাঁহি-মাতি মত বিনিময় কৰা আৰু কোনো ধৰণৰ তাৰকাসুলভ আড়ম্বৰ নেদেখুৱাই সকলোৰে সৈতে সহজ-সৰলভাৱে মিলি যোৱাটো উপস্থিত সকলোৰে হৃদয় জয় কৰে। স্থানীয় ৰাইজেও কয় যে, ইমান এজন ডাঙৰ বলিউদ তাৰকাই কোনো ধৰণৰ অহংকাৰ নেদেখুৱাই, সাধাৰণ মানুহৰ দৰে টুলুঙা নাৱেৰে গাঁৱখনলৈ আহি তেওঁলোকৰ সুখ-দুখৰ খবৰ লোৱাটো এক স্মৰণীয় অভিজ্ঞতা। অভিনেতাজনৰ এই মানৱীয় আচৰণ আৰু সৰল জীৱনশৈলীয়ে সকলোকে গভীৰভাৱে আপ্লুত কৰে। গাঁও এৰাৰ পূৰ্বে ৰণদীপ হুদাই সৰুপথাৰবাসী তথা অসমৰ সমগ্ৰ ৰাইজলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁৰ এই আকস্মিক আগমন, বানপীড়িত লোকসকলৰ প্ৰতি সহমৰ্মিতা আৰু সাধাৰণ মানুহৰ সৈতে একাত্ম হৈ সময় কটোৱা ঘটনাই বাৰঘৰীয়া বেবেজীয়া গাঁৱৰ ইতিহাসত এক স্মৰণীয় অধ্যায় হিচাপে চিৰদিন ৰৈ যাব। শেষত অভিনেতাজন ডিমাপুৰ অভিমুখে ৰাওনা হয়।

# শোলমাৰত ইতিহাস থিয়েটাৰৰ চিজন টিকট মুকলি



**অসম বাৰ্তা, চামতা, ৪ আগষ্ট ঃ** শোলমাৰা বজাৰ পৰিচলনা সমিতিয়ে আমন্ত্ৰণ জনোৱা ইতিহাস থিয়েটাৰৰ সোমবাৰে ছিজন টিকত মুকলি অনুষ্ঠান শোলমাৰা বজাৰ গৃহত অনুষ্ঠিত হয়। উক্ত টিকট মুকলি কৰে অসমৰ জনপ্ৰিয় অভিনেত্ৰী প্ৰাঞ্জনা দত্তই। শোলমাৰা বজাৰৰ পবিত্ৰ শ্ৰী শ্ৰী বিষ্ণু মন্দিৰ নিৰ্মাণৰ সাহায্যাৰ্থে আমন্ত্ৰণ কৰা ইতিহাস থিয়েটাৰৰ চিজন টিকত মুকলি অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী কৰুণা ভৰালী, অৱসৰপ্ৰাপ্ত শিক্ষক সতীশ ডেকা, প্ৰাক্তন পঞ্চায়ত সভাপতি অমৰ দাস, ক্ষেত্ৰী ধৰ্মপুৰ বহুমুখী সমবায় সমিতিৰ সচিব দাস, বজাৰ পৰিচালনা সমিতিৰ সভাপতি বসন্ত ৰাজবংশী, ৬১ নং পশ্চিম ক্ষেত্ৰী ধৰ্মপুৰ গাঁও পঞ্চায়তৰ সভাপতি জয়ন্ত দাস, চিত্ৰশিল্পী মৃণাল দাস। শোলমাৰা গাঁৱৰ গাঁওপ্ৰধান লোহিত দাসে আত ধৰা অনুষ্ঠানত জনপ্ৰিয় অভিনেত্ৰী প্ৰঞ্জনা দত্ত ক সম্বৰ্দ্ধনা জনোৱাৰ পিছতে অভিনেত্ৰী গৰাকীয়ে ছিজন টিকত মুকলি কৰি কয় যে ভাম্যমান থিয়েটাৰ চলাই যোৱাটো আজিৰ তাৰিখত কঠিন হৈ পৰিছে। ইতিহাস থিয়েটাৰে অভিজিত ভট্টচাৰ্য্যৰ দুখন নাট সাগৰ বৰুৱা আহি আছে, ভিক্ষাৰী আৰু কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ জনপ্ৰিয় গল্পৰ আধাৰত কাবুলিৱালা নাট লৈ শোলমাৰা উচ্চতৰ মাধ্যমিক খেল পথাৰত অহা ছেপ্টেম্বৰ মাহৰ ৯ তাৰিখৰ পৰা ১১ তাৰিখলৈ প্ৰদৰ্শন কৰা হব বুলি বজাৰ পৰিচালনা সমিতিৰ সম্পাদকঃ বুদ্ধদেৱ দাসে জানিব দিয়ে।

# হাউৰীয়াপেট-মালাগুৰি-গোসাঁইগাঁও একমাত্ৰ পথৰ বেহাল অৱস্থা; জনজীৱনত চূড়ান্ত দুৰ্ভোগ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৪ আগষ্ট ঃ** ১নং গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত হাউৰীয়াপেটৰ পৰা মালাগুৰি হৈ গোসাঁইগাঁৱলৈ যোৱা একমাত্ৰ গুৰুত্বপূৰ্ণ সংযোগী পথটোৰ বেহাল অৱস্থাই অঞ্চলবাসীৰ জীৱন-যাত্ৰাত তীব্ৰ প্ৰভাৱ পেলাইছে। দীৰ্ঘদিন ধৰি পথটোৰ উন্নয়ন নোহোৱাৰ ফলত প্ৰতিদিনে হাজাৰ হাজাৰ লোকে দুৰ্ভোগৰ মাজেৰে যাতায়াত কৰিবলৈ বাধ্য হৈছে। পথটোৰ বিভিন্ন স্থানত সৃষ্টি হোৱা ডাঙৰ-ডাঙৰ গাঁত, ভঙা অংশ আৰু বৰষুণৰ সময়ত জমা হোৱা কাদাপানীৰ বাবে যান-বাহন চলাচল অত্যন্ত বিপদজনক হৈ পৰিছে। বিশেষকৈ বিদ্যালয়-মহাবিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰী, চিকিৎসাৰ বাবে গোসাঁইগাঁও আৰু এন বি চিভিল হাস্পতাললৈ যোৱা ৰোগী, ব্যৱসায়ী, চাকৰিয়াল আৰু সাধাৰণ যাত্ৰীসকলে প্ৰতিদিনে চৰম অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। উল্লেখযোগ্য যে, এই পথটোৱেই গোসাঁইগাঁও আৰু এন বি চিভিল হাস্পতাল, গোসাঁইগাঁও মহকুমাধিপতি কাৰ্যালয়, বিভিন্ন চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান আৰু বজাৰলৈ যোৱাৰ একমাত্ৰ মুখ্য পথ। পথটোৰ শোচনীয় অৱস্থাৰ বাবে জৰুৰীকালীন চিকিৎসা সেৱাও বহু সময়ত ব্যাহত হোৱা বুলি স্থানীয় লোকে অভিযোগ উত্থাপন কৰিছে। স্থানীয় ৰাইজে কয় যে, বহু বছৰ ধৰি পথটোৰ স্থায়ী মেৰামতি বা পুনৰ নিৰ্মাণৰ দাবী জনাই আহিলেও এতিয়ালৈকে কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। সেয়ে অতিশীঘ্ৰে পথটোৰ পুনৰ নিৰ্মাণ আৰু উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰ, বিটিচি চৰকাৰ, সংশ্লিষ্ট বিভাগ আৰু স্থানীয় জনপ্ৰতিনিধিৰ ওচৰত জোৰ দাবী জনাইছে অঞ্চলবাসীয়ে।

# শিৱসাগৰৰ বানাক্ৰান্ত পৰিয়ালক সাহায্যৰ বাবে পশুখাদ্য লৈ ৰাওনা পথালিপাহাৰ সীমান্ত প্ৰহৰী আদৰ্শ গাঁৱৰ যুৱকৰ দল

**অসম বাৰ্তা, বান্দৰদেৱা, ৪ আগষ্ট ঃ** শিৱসাগৰৰ বানত জৰ্জড়িত পৰিয়াল সমূহলৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ লগতে পশুধনৰ খাদ্যৰ যোগান ধৰাৰ উদ্দেশ্যে দেওবাৰে নিশা ৰাওনা হৈছে লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰস্থিত সীমান্ত প্ৰহৰী আদৰ্শ গাঁৱৰ এটা যুৱকৰ দল। শিৱসাগৰৰ বানাক্ৰান্তৰ দুৰ্দশাপূৰ্ণ সময়ছোৱাত ৰাজ্যখনৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন দল-সংগঠন, সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে বান সাহায্য আগবঢ়ায় কিছু সঁকাহ দিবলৈ প্ৰয়াস কৰিছে যদিও সমান্তৰালভাৱে বানপীড়িত অঞ্চল সমূহত জীয়াই থকা পোহনীয়া গৰু, ছাগলী আদি কৰি পশুধনখিনিয়ে কোনো ধৰণৰ খাদ্য খাবলৈ নাপাই ভোকত কক্‌বকাই থকা পৰিলক্ষিত হয়। তেনে ক্ষেত্ৰত লখিমপুৰ জিলাৰ পথালিপাহাৰস্থিত সীমান্ত প্ৰহৰী আদৰ্শ গাঁৱৰ ৰাইজে উক্ত পশুধন সমূহৰ কষ্ট দেখি পশুখাদ্যৰ বাবে ২০০ মুঠা কেঁচা দল ঘাঁহ কাটি লোৱাৰ উপৰিও চাপৰ, মিমখ, পানী বাল্টি, ফেনাইল ইত্যাদি ৰাইজৰ পৰা সংগ্ৰহ কৰি শতাধিক বানাক্ৰান্ত পৰিয়ালক আজি সাহায্য বিতৰণ কৰাৰ প্ৰয়াস কৰি যুৱকৰ দলটোৱে নিশাই যাত্ৰা আৰম্ভ কৰে।

# ডিব্ৰুগড় প্ৰেছ ক্লাবৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫১ হেজাৰ টকাৰ আৰ্থিক অনুদান



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৪ আগষ্ট ঃ** কিছুদিনৰ পূৰ্বে এক অনাকাংক্ষিত প্ৰাকৃতিক দুৰ্যোগত সৃষ্টি হোৱা প্ৰলয়ংকৰী বানৰ ফলত উজনি অসমত যি বিনষ্টকাৰী পৰিবেশ হল তাৰ মোকাবিলা কৰিবলৈ অসমৰ ৰাইজ, দল, সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠানে ঐক্যবদ্ধ হৈ যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। সমান্তৰাল ভাৱে অসম চৰকাৰেও যুদ্ধকালীন তৎপৰতাৰে ক্ষতিগ্ৰস্ত হোৱা ৰাইজৰ বাবে সহায়, সাহায্য আগবঢ়াই আহিছে। সমাজৰ দুৰ্যোগৰ সময়ত সামাজিক দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰি ডিব্ৰুগড় প্ৰেছ ক্লাবেও অসমৰ সাম্প্ৰতিক প্ৰলয়ংকৰী বানৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ উদ্দেশ্যে ক্লাবৰ সীমিত পুঁজিৰ পৰা ৫১ (একাৱন্ন) হেজাৰ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ায়। এই উপলক্ষে ২ আগষ্টৰ নিশা ডিব্ৰুগড় প্ৰেছক্লাবৰ সভাপতি মানস জ্যোতি দত্ত, সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাস আৰু উপ সভাপতি অনিল পোদ্দাৰে ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি এই অনুদানৰ চেক প্ৰদান কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে "ডিব্ৰুগড় প্ৰেছক্লাব"ৰ প্ৰতিনিধিৰ দলটোক এই সামাজিক দায়বদ্ধতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় প্ৰেছ ক্লাবৰ গৃহ নিৰ্মাণ প্ৰসংগৰ অগ্ৰগতিৰ বুজ লয়। লগতে, গৃহ নিৰ্মাণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই যৎপৰোনাস্তি সহায় আগবঢ়াব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। পঞ্চাছ বছৰীয়া অসমৰ অন্যতম পুৰণি 'ডিব্ৰুগড় প্ৰেছ ক্লাব' সমাজৰ প্ৰতি দায়বদ্ধ আৰু মানৱীয় আৰু সামাজিক মূল্যবোধত বিশ্বাসী এক দায়িত্বশীল প্ৰতিষ্ঠান হিচাপেও পুনৰবাৰ নিজৰ দায়িত্ব, কৰ্তব্য আৰু সামাজিক দায়বদ্ধতা অনন্য দৰ্শন হিচাপে প্ৰতিফলিত কৰিলে।

## চক্ৰ বিষয়ালৈ স্মাৰক পত্ৰ; কৃষিভূমিৰ বিস্তৰ ক্ষতি সাধন

# ছয়গাঁৱত ফ্লিপকাৰ্টৰ গেটৰ সন্মুখত তীব্ৰ প্ৰতিবাদ



**অসম বাৰ্তা, ছয়গাঁও, ৪ আগষ্ট ঃ** কামৰূপ জিলাৰ ছয়গাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত ১ নং বালাসিদ্ধি ভাটাপাৰাত অৱস্থিত অছোৱাল লজিষ্টিক পাৰ্ক তথা ফ্লিপকাৰ্ট ব্যৱসায়িক প্ৰতিষ্ঠানত আজি শতাধিক মহিলাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ফ্লিপকাৰ্টে তেওঁলোকৰ নিৰ্মাণ কাৰ্য্য চলাই নিয়াৰ ফলত তাৰ পাৰ্শ্ববৰ্তী কৃষিভূমি সমূহৰ বিস্তৃৰ ক্ষতি সাধন কৰিছে। বৰ্তমানেও কৃষক সকলে উক্ত স্থানৰ কৃষিভূমিত এতিয়াও কৃষিকাৰ্য্য কৰিবলৈ সক্ষম হোৱা নাই। সেয়েহে সোমবাৰে স্থানীয় শতাধিক পুৰুষ মহিলাই হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। ধৰ্ণা কাৰ্যসূচীত কোম্পানীয়ে নষ্ট কৰা কৃষিভূমিৰ বছৰি ক্ষতিপূৰণ দিয়া, পানী ওলাই যোৱাৰ উপযুক্ত ব্যৱস্থা কৰা, স্থানীয় যুৱকক যোগ্যতাৰ ভিত্তিত উপযুক্ত নিযুক্তি দিবলৈ দাবী জনায় চক্ৰ বিষয়াৰ জৰিয়তে কামৰূপৰ উপায়ুক্তলৈ স্মাৰক পত্ৰ প্ৰদান কৰে। যদিহে ইয়াৰ পিছতো উদ্যোগীক প্ৰতিষ্ঠাটোৱে স্থানীয় ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি নজনাই ইয়াতকৈও তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে।

# মাজুলীতো লোকপিয়ল-২০২৭ৰ প্ৰথম পৰ্যায়ৰ প্ৰস্তুতি সম্পূৰ্ণ; ২-১৬ আগষ্টলৈ স্ব-গণনাৰ আহ্বান

## সংবাদমেলত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ ঘোষণা; ১৭ আগষ্টৰ পৰা আৰম্ভ হ'ব ঘৰে-ঘৰে তথ্য সংগ্ৰহ

**অসম বাৰ্তা, উজনী মাজুলী, ৪ আগষ্ট ঃ** মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি আয়োজিত এখন সংবাদমেলত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে দেশজোৰা লোকপিয়ল-২০২৭ৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী সন্দৰ্ভত বিস্তৃত তথ্য দাঙি ধৰে। সংবাদমেলত তেওঁ জানিবলৈ দিয়ে যে ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ নাগৰিকে se.census.gov.in পৰ্টেলৰ জৰিয়তে স্ব-গণনা সম্পন্ন কৰিব পাৰিব। ইয়াৰ পিছত ১৭ আগষ্টৰ পৰা গণনাকাৰীসকলে ঘৰে ঘৰে গৈ ক্ষেত্ৰভিত্তিক তথ্য সংগ্ৰহ আৰম্ভ কৰিব। জিলা আয়ুক্ত গৰাকীয়ে কয় যে মাজুলী জিলাত লোকপিয়লৰ কাম সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৩৫৬জন গণনাকাৰী আৰু ৮০জন পৰিদৰ্শক নিযুক্ত কৰা হৈছে। ২৩ জুলাইৰ পৰা ৫ আগষ্টলৈকে তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। স্ব-গণনা সম্পন্ন কৰা নাগৰিকসকলক প্ৰক্ৰিয়া শেষত লাভ কৰা ৰেফাৰেন্স নম্বৰ সংৰক্ষণ কৰিবলৈও তেওঁ আহ্বান জনায়। সংবাদমেলৰ আৰম্ভণিতে মাজুলীত পুনৰবাৰ জিলা আয়ুক্ত হিচাপে নিযুক্তি লাভ কৰা ৰাতুল চন্দ্ৰ পাঠকক মাজুলী জিলা আপকু আৰু মাজুলী জিলা সাংবাদিক সন্থাৰ ফালৰ পৰা একোখনকৈ চেলেং আৰু ফুলাম গামোচাৰৰ সম্বৰ্ধনা জনোৱা হয়। সংবাদমেলত সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোহাঁইৰ লগতে লোকপিয়লৰ সৈতে জড়িত বিভিন্ন বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। শেষত জিলা আয়ুক্ত গৰাকীয়ে সকলো নাগৰিকক লোকপিয়ল-২০২৭ সফলভাৱে ৰূপায়ণৰ বাবে সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

# লাচাঙ্গাত ড্ৰাগছ বিৰোধী অভিযান; পলাতক অভিযুক্ত ছাইব উদ্দিন গ্ৰেপ্তাৰ

**অসম বাৰ্তা, কুমুল্লীপাৰা, ৪ আগষ্ট ঃ** বৰপেটা জিলাৰ লাচাঙ্গা অঞ্চলত ড্ৰাগছবিৰোধী অভিযানৰ ধাৰাবাহিকতাত আৰক্ষীয়ে পলাতক অভিযুক্ত ছাইব উদ্দিনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, যোৱা ২৩ জুনত ছাইব উদ্দিনৰ বাসগৃহত চলোৱা এক অভিযানত প্ৰায় ১৭.৪৫ গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ, নগদ ৫, ১১০ টকা আৰু এখন মটৰচাইকেল জব্দ কৰা হৈছিল। অৱশ্যে অভিযান চলি থকা সময়তে অভিযুক্তই পলায়ন কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত অব্যাহত অনুসন্ধানৰ অংশ হিচাপে ২ আগষ্টত গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই আৰক্ষীয়ে ছাইব উদ্দিনক গ্ৰেপ্তাৰ কৰে। এই অভিযানত তেওঁৰ পৰা দুখন চিৰিঞ্জ, নগদ ২১, ৩২০ টকা আৰু এখন মটৰচাইকেলো জব্দ কৰা হয় বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। ঘটনাটোক কেন্দ্ৰ কৰি আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে। জব্দ কৰা সামগ্ৰীসমূহৰ সৈতে সম্ভাব্য ড্ৰাগছ সৰবৰাহ চক্ৰৰ সম্পৰ্ক আছে নেকি আৰু আন কোনো ব্যক্তি জড়িত আছে নেকি, সেই দিশতো তদন্ত চলি আছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

## সম্পাদকীয়

# দুৰ্যোগৰ খবৰ প্ৰচাৰ আৰু শিশুৰ অধিকাৰ

**বা**নপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগত অসমৰ ৰাইজে যেতিয়া নিজৰ ঘৰ-বাৰী, খেতি-বাতি আৰু আত্মীয়-স্বজন হেৰুৱাই সংকটৰ মাজেৰে পাৰ হৈছে, ঠিক তেতিয়াই সমাজ মাধ্যমত কিছু কণ্টেণ্ট প্ৰচাৰ হোৱা দেখা গৈছে। বিশেষকৈ শিশুসকলক লৈ কৰা ভিডিঅ' আৰু ফটোৰ ব্যৱহাৰে এক গুৰুতৰ নৈতিক প্ৰশ্ন উত্থাপন কৰিছে। এই প্ৰেক্ষাপটত অসম আৰক্ষীয়ে জাৰী কৰা কঠোৰ নিৰ্দেশনা অতি যুগান্তকাৰী আৰু সময়োপযোগী বুলি আমি বিবেচনা কৰো। কিন্তু এই নিৰ্দেশনা কেৱল কাগজ-কলমৰ নিয়ম হৈ নাথাকি কিমানদূৰ কাৰ্যকৰী হয়, সেয়া সম্পূৰ্ণৰূপে আমাৰ সমাজ আৰু গণমাধ্যমৰ সজাগতাৰ ওপৰত নিৰ্ভৰশীল।

আমি প্ৰথমেই অসম আৰক্ষীৰ এই পদক্ষেপক আদৰণি জনাইছো। কিয়নো, দুৰ্যোগত ক্ষতিগ্ৰস্ত শিশুসকল ইতিমধ্যেই শাৰীৰিক আৰু মানসিকভাৱে বিধ্বস্ত। তেওঁলোকে ভয়, অনিশ্চয়তা মাজেৰে পাৰ হৈ আছে। এনে অৱস্থাত কোনো কণ্টেণ্ট ক্ৰিয়েটৰে যদি তেওঁলোকৰ মুখমণ্ডল অস্পষ্ট নকৰাকৈ, নাম-ঠিকনা প্ৰকাশ কৰি, বা বিপদজনক অৱস্থাত থকা ছবি ভাইৰেল কৰে, তেন্তে সেয়া শিশুটিৰ জীৱনত দীৰ্ঘম্যাদী নেতিবাচক প্ৰভাৱ পেলাব পাৰে। অসম আৰক্ষীয়ে দিয়া মুখ অস্পষ্ট কৰা, তথ্য গোপন ৰখা, আৰু সাক্ষাৎকাৰ নোলোৱাৰ পৰামৰ্শসমূহ আধুনিক শিশু সুৰক্ষা আইনৰ সৈতে সম্পূৰ্ণৰূপে সংগতিপূৰ্ণ। শিশুৰ মৰ্যাদা আৰু গোপনীয়তা আইনগতভাৱেও সংৰক্ষিত অধিকাৰ, আৰু এই নিৰ্দেশনাই সেই অধিকাৰ ৰক্ষাৰ বাবে অসম আৰক্ষী সজাগ হৈ থকাৰ ইংগিত দিয়ে।

তথাপি, এই নিৰ্দেশনা প্ৰয়োগৰ ক্ষেত্ৰত আমি কেইটামান বাস্তৱিক প্ৰত্যাহ্বান উপেক্ষা কৰিব নোৱাৰো। প্ৰথমতে, সমাজ মাধ্যমৰ প্ৰকৃতি এনে যে যাৰ ওপৰত কোনো কেন্দ্ৰীয় নিয়ন্ত্ৰণ সম্ভৱ নহয়। গাঁৱৰ এজন সাধাৰণ ব্যৱহাৰকাৰীয়েও নিজৰ মোবাইলৰ জৰিয়তে শিশুৰ দৃশ্য ৰেকৰ্ড কৰি পেলায়, যাক তৎক্ষণাৎ নিয়ন্ত্ৰণ কৰাটো আৰক্ষীৰ বাবে অসম্ভৱপ্ৰায়। দ্বিতীয়তে, বহু কণ্টেণ্ট ক্ৰিয়েটৰে দৰ্শক আৰু ভিউৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে সংবেদনশীল সামগ্ৰী প্ৰচাৰ কৰে। সেয়া তেওঁলোকৰ ৰুজি সৈতে জড়িত। সেয়ে কেৱল ভাবুকি বা নিৰ্দেশনাৰে তেওঁলোকক দমন কৰাটো সম্ভৱ নহয়; ইয়াৰ বিপৰীতে তেওঁলোকক সজাগ কৰি তুলিবলৈ আৰু নৈতিক কণ্টেণ্ট নিৰ্মাণৰ প্ৰশিক্ষণ দিবলৈ ৰাজ্য চৰকাৰ আৰু আৰক্ষী বিভাগে বিশেষ উদ্যোগ লোৱা উচিত।

আনহাতে, আমি এই সত্যকো স্বীকাৰ কৰিবই লাগিব যে গণমাধ্যম আৰু কণ্টেণ্ট ক্ৰিয়েটৰসকলৰ মূল কৰ্তব্য হৈছে ৰাজ্যৰ বাস্তৱ অৱস্থা বিশ্ববাসীৰ আগত তুলি ধৰা। বানপানীৰ ভয়াৱহতা প্ৰচাৰ নকৰাকৈ যদি সকলো দৃশ্য আঁৰত ৰখা হয়, তেন্তে চৰকাৰে আৰু ৰাইজে দুৰ্যোগৰ গুৰুত্ব বুজিব নোৱাৰে। সেয়ে শিশুৰ মুখ অস্পষ্ট কৰি বা দূৰৰ পৰা পেন'ৰামিক দৃশ্য ব্যৱহাৰ কৰি খবৰ প্ৰচাৰ কৰাটো গণমাধ্যমৰ বাবে এক সুবৰ্ণ সুযোগ। অসম আৰক্ষীয়ে যাতে শিশুসকলৰ একচন ফটো নিষিদ্ধ কৰে, কিন্তু ৰাজ্যৰ অৱস্থাৰ সামগ্ৰিক দৃশ্য প্ৰচাৰত বাধা নিদিয়ে, তাতো লক্ষ্য ৰখা উচিত। অন্যথা, নিৰ্দেশনাটোৱে যদি সাংবাদিকৰ স্বাধীনতাক অংগীকৃতভাৱে খুন্দা মাৰে, তেন্তে সেয়া গ্ৰহণযোগ্য নহয়। কিন্তু বৰ্তমান জাৰী কৰা নিৰ্দেশনাত সাংবাদিকতাৰ স্বাধীনতাৰ প্ৰতি থকা সন্মান স্পষ্ট, কেৱল অপব্যৱহাৰকেই লক্ষ্য কৰা হৈছে।

আমি আৰক্ষী বিভাগক ধন্যবাদ জনাইছো যে তেওঁলোকে সামাজিক মাধ্যম ব্যৱহাৰকাৰীসকলক অনুপযুক্ত কণ্টেণ্ট ৰিপৰ্ট কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ দ্বাৰা ৰাইজক নিজে প্ৰহৰীৰ ভূমিকা পালন কৰাৰ সুযোগ দিয়া হৈছে। যদি আমি প্ৰতিজনে এনে অমানৱীয় কণ্টেণ্ট দেখা পালে তৎক্ষণাত ৰিপৰ্ট কৰো আৰু ফৰৱাৰ্ড কৰা বন্ধ কৰো, তেন্তে এই কু-প্ৰৱণতা কিছু পৰিমাণে ৰোধ কৰিব পাৰিম।

অসম আৰক্ষীৰ এই নিৰ্দেশনা এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। কিন্তু এই নিৰ্দেশনাৰ সফলতা সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে আমাৰ সামূহিক নৈতিক দায়বদ্ধতাৰ ওপৰত। কণ্টেণ্ট ক্ৰিয়েটৰসকলে বুজিব লাগে যে এখন 'ভাইৰেল' ভিডিঅ'ৰ খাতিৰত এটা শিশুৰ জীৱনৰ মানসিক শান্তি নষ্ট কৰা উচিত নহয়। অভিভাৱকসকল সজাগ হোৱাটোও সমানে প্ৰয়োজন, কাৰণ বহু ক্ষেত্ৰত মাক-দেউতাকেই নিজৰ সন্তানৰ দুৰ্দশাৰ দৃশ্য প্ৰচাৰ কৰি আহিছে। শিশুৰ মৰ্যাদা ৰক্ষা কৰাটো কেৱল আৰক্ষীৰ নিয়ন্ত্ৰণৰ বিষয় নহয়; ই আমাৰ সমাজৰ সাংস্কৃতিক আৰু মানৱীয় সংবেদনশীলতাৰ পৰিচায়ক। অসমৰ বানপীড়িত শিশুসকলক আমাৰ সহানুভূতি দিয়ক, কিন্তু তেওঁলোকৰ আঘাতক পুঁজি কৰি কোনো লাভ নলওক- এইটোৱেই হওক আজিৰ প্ৰধান বাৰ্তা।



# ভোগবাদ আৰু মধ্যবিত্ত শ্ৰেণী

*পুৰণি সমাজত মানুহে কোনো এটা গুৰুত্বপূৰ্ণ সামগ্ৰী ক্ৰয় কৰাৰ আগতে তাৰ বাবে বছৰ বছৰ ধৰি টকা সংগ্ৰহ বা সঞ্চয় কৰিছিল, অৰ্থাৎ প্ৰকৃত ধন হাতলৈ অহাৰ পিছতহে ক্ৰয়ৰ চূড়ান্ত সিদ্ধান্ত লোৱা হৈছিল। কিন্তু বৰ্তমানৰ আধুনিক অৰ্থনৈতিক নীতিয়ে এই সমগ্ৰ প্ৰক্ৰিয়াটোকে সম্পূৰ্ণ ওলোটা কৰি পেলালে, য'ত 'প্ৰথমে সামগ্ৰী ব্যৱহাৰ কৰক, পিছত লাহে-লাহে ধন পৰিশোধ কৰক' ধাৰণাটোক এক আধুনিক জীৱনশৈলী হিচাপে জনপ্ৰিয় কৰি তোলা হ'ল। ইয়াৰ ফলত মধ্যবিত্তৰ সাময়িক ক্ৰয় ক্ষমতা বা ক্ৰয় কৰাৰ সাহস বহুত গুণ বৃদ্ধি পালে যদিও তেওঁলোক সমান্তৰালভাৱে এক দীৰ্ঘম্যাদী আৰু জটিল ঋণৰ জালত আৱদ্ধ হৈ পৰিল। কাইলৈ বা ভৱিষ্যতে হ'বলগীয়া উপাৰ্জনক আজিয়েই খৰচ কৰি পেলোৱাৰ এই যি আত্মঘাতী প্ৰৱণতা, ই মধ্যবিত্ত সমাজখনক এক গভীৰ আৰু অদৃশ্য অৰ্থনৈতিক অনিশ্চয়তাৰ অন্ধকাৰ দিশলৈ ধীৰে ধীৰে ঠেলি দিছে। বাহ্যিক চকুৰে চালে তেওঁলোকৰ জীৱনযাত্ৰা অত্যন্ত উচ্চমানৰ, চহকী আৰু বিলাসী যেন লাগিলেও, আভ্যন্তৰীণভাৱে তেওঁলোকে প্ৰতি মাহৰ নিৰ্দিষ্ট তাৰিখত ই.এম.আই. আৰু ঋণৰ কিস্তি পৰিশোধ কৰাৰ এক তীব্ৰ, অসহ্য মানসিক চাপৰ মাজেৰে প্ৰতিটো দিন অতিবাহিত কৰিবলগীয়া হয়।*

**আ**ধুনিক অৰ্থনৈতিক ব্যৱস্থাৰ আটাইতকৈ স্পৰ্শকাতৰ আৰু গতিশীল চালিকা শক্তিটো হৈছে সমাজৰ মধ্যবিত্ত শ্ৰেণী। এই শ্ৰেণীটো কেৱল সংখ্যাগতভাৱেই বৃহৎ নহয়, বৰঞ্চ ই সমগ্ৰ দেশ এখনৰ অৰ্থনীতি, সংস্কৃতি আৰু সামাজিক মূল্যবোধৰ আধাৰশিলা স্বৰূপ। বিংশ শতিকাৰ শেষৰ দশকটোৰ পৰা আৰম্ভ হোৱা গোলকীকৰণ আৰু অৰ্থনৈতিক উদাৰীকৰণৰ ঢৌৱে সমগ্ৰ বিশ্বৰে আৰ্থ-সামাজিক পৰিৱেশ আমূল সলনি কৰি পেলালে আৰু ইয়াৰ আটাইতকৈ পোনপটীয়া প্ৰভাৱ পৰিল মধ্যবিত্ত সমাজৰ ওপৰত। পূৰ্বতে যি মধ্যবিত্ত শ্ৰেণী মিতব্যয়িতা, সীমিত প্ৰয়োজনীয়তা, দীৰ্ঘম্যাদী সঞ্চয় আৰু সৰল জীৱন ধাৰণৰ বাবে জনাজাত আছিল, বৰ্তমানৰ পুঁজিবাদী বজাৰ ব্যৱস্থাই তেওঁলোকক এক নতুন সংস্কৃতিৰ দিশলৈ ধাৱমান কৰিলে, যাক সহজ কথাত ভোগবাদ বুলি অভিহিত কৰা হয়। ভোগবাদ কেৱল বজাৰৰ পৰা সামগ্ৰী ক্ৰয় কৰাৰ এক সাধাৰণ প্ৰক্ৰিয়া নহয়, ই হৈছে এক গভীৰ মানসিকতা আৰু সামাজিক ব্যাধি, য'ত মানুহৰ পৰিচয়, যোগ্যতা আৰু সামাজিক মৰ্যাদা তেওঁৰ ব্যৱহাৰ্য জড় সামগ্ৰীৰ মূল্যৰ দ্বাৰা নিৰূপণ কৰা হয়। এই সমগ্ৰ প্ৰক্ৰিয়াটোত বজাৰে অতি সূক্ষ্মভাৱে মধ্যবিত্তৰ মনস্তত্ত্বক নিয়ন্ত্ৰণ কৰি আহিছে। পুৰণি অৰ্থনৈতিক সমাজত মানুহে নিজৰ প্ৰাকৃতিক আৰু অপৰিহাৰ্য প্ৰয়োজনসমূহ পূৰণ কৰিবলৈহে বজাৰৰ আশ্ৰয় লৈছিল, কিন্তু বৰ্তমানৰ অত্যাধুনিক পুঁজিবাদী ব্যৱস্থাই প্ৰথমতে গ্ৰাহকৰ মনত এক কৃত্ৰিম নাটনি বা প্ৰয়োজনীয়তাৰ সৃষ্টি কৰে আৰু পৰৱৰ্তী সময়ত সেই কৃত্ৰিম অভাৱ পূৰণ কৰাৰ নামত নিজৰ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰে। এই সমগ্ৰ চক্ৰটোৰ মূল বলি হৈছে মধ্যবিত্ত শ্ৰেণীটো, কাৰণ উচ্চবিত্তৰ দৰে তেওঁলোকৰ হাতত অপৰিসীম ধন নাথাকিলেও, নিজৰ সামাজিক স্থিতি উন্নত কৰাৰ আৰু উচ্চ শ্ৰেণীক অনুকৰণ কৰাৰ এক তীব্ৰ মানসিক আকাংক্ষা তেওঁলোকৰ মাজত অহৰহ ক্ৰিয়া কৰি থাকে। ইয়াৰ বিপৰীতে নিম্নবিত্ত শ্ৰেণীটোৱে এতিয়াও জীৱনৰ মৌলিক প্ৰয়োজনসমূহ যেনে খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ বাবেই সংগ্ৰাম কৰিবলগীয়া হয়, যাৰ বাবে ভোগবাদৰ এই আধুনিক ৰথখন চলাই ৰখাৰ মূল দায়িত্ব আৰু ইয়াৰ সামগ্ৰিক অৰ্থনৈতিক বোজা মধ্যবিত্তৰ কান্ধতেই আহি পৰে।

আগতে মধ্যবিত্ত পৰিয়াল এটাই ভৱিষ্যতৰ নিৰাপত্তা, সন্তানৰ শিক্ষা আৰু স্বাস্থ্যৰ সুৰক্ষাৰ বাবে নিজৰ উপাৰ্জনৰ এক বুজন অংশ সঞ্চয় কৰাটো নিয়ম আছিল। ভোগ-বিলাস বা অপ্ৰয়োজনীয় খৰচ কৰাটো সমাজত এক প্ৰকাৰৰ দোষ বা লজ্জিত হ'বলগীয়া বিষয় বুলি গণ্য কৰা হৈছিল। কিন্তু উদাৰীকৰণৰ পৰৱৰ্তী সময়ে সমগ্ৰ বজাৰখনক ইমান বেছি আকৰ্ষণীয়, উন্মুক্ত আৰু প্ৰতিযোগিতামূলক কৰি তুলিলে যে পুৰণি সামাজিক মূল্যবোধ আৰু নৈতিকতাৰ দেৱালসমূহ লাহে লাহে খহি পৰিবলৈ বাধ্য হ'বলগীয়া হ'ল। বহুজাতিক কোম্পানীবোৰে বিশ্বজুৰি তেওঁলোকৰ বিশাল উৎপাদনৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ এক বৃহৎ আৰু স্থায়ী গ্ৰাহক গোষ্ঠীৰ সন্ধান কৰিছিল। তেওঁলোকে অতি চতুৰতাৰে এই সন্ধান সম্পূৰ্ণ কৰিলে মধ্যবিত্ত শ্ৰেণীৰ মাজত, কাৰণ এই শ্ৰেণীটো উচ্চাকাংক্ষী আৰু তেওঁলোকক মানসিকভাৱে প্ৰভাৱিত কৰাটো বজাৰৰ বাবে আটাইতকৈ সহজ আছিল। বজাৰৰ নতুন নতুন ৰণনীতি, ৰং-বিৰঙী আকৰ্ষণীয় বিজ্ঞাপন আৰু মনস্তাত্বিক কৌশলৰ জৰিয়তে মধ্যবিত্তৰ মন মগজুত এই ধাৰণা অতি গভীৰভাৱে সুমুৱাই দিয়া হ'ল যে অধিক পৰিমাণে সামগ্ৰী ভোগ কৰাটোৱেই হৈছে মানুহৰ সুখ, সমৃদ্ধি আৰু সফলতাৰ একমাত্ৰ চৰ্ত। ইয়াৰ পৰিণতিত সমাজত এক এনেধৰণৰ আত্মকেন্দ্ৰিক মানসিকতাৰ সৃষ্টি হ'ল, য'ত ব্যক্তিয়ে নিজৰ প্ৰকৃত প্ৰয়োজনীয়তাতকৈ বজাৰে সৃষ্টি কৰা ইচ্ছাকহে জীৱনৰ মূল লক্ষ্য হিচাপে বাছি ল'বলৈ ধৰিলে।

বিজ্ঞাপনে ভোগবাদৰ এই ক্ৰমবিকাশ আৰু প্ৰসাৰত এক অতি গুৰুত্বপূৰ্ণ, শক্তিশালী আৰু সূক্ষ্ম ভূমিকা পালন কৰি আহিছে। আধুনিক যুগৰ বিজ্ঞাপনবোৰে কেৱল এটা সামগ্ৰীৰ কাৰ্যকাৰী গুণাগুণ প্ৰদৰ্শন কৰিয়েই নিজৰ দায়িত্ব সামৰি নথয়, বৰঞ্চ তেওঁলোকে সেই সামগ্ৰীটোৰ সৈতে গ্ৰাহকৰ মনৰ সুপ্ত আবেগ, সামাজিক মৰ্যাদা, অহংকাৰ আৰু আত্মসন্মানক সাঙুৰি দিয়ে। এটা নিৰ্দিষ্ট ব্ৰেণ্ডৰ বিলাসী গাড়ী, দামী অট্টালিকা, বা অত্যাধুনিক ম'বাইল ফোন ব্যৱহাৰ নকৰিলে যেন সমাজত এজন ব্যক্তিৰ কোনো অস্তিত্ব বা সন্মান নাই, তেনে এক কৃত্ৰিম হীনমন্যতা গ্ৰাহকৰ অৱচেতন মনত সুমুৱাই দিয়াত বজাৰখন সম্পূৰ্ণৰূপে সফল হৈছে। মধ্যবিত্ত শ্ৰেণীটো যিহেতু সদায় নিজৰ বৰ্তমানৰ সামাজিক অৱস্থানৰ পৰা ওপৰলৈ উঠিবলৈ প্ৰাণপণে চেষ্টা কৰি থাকে, সেয়েহে তেওঁলোকে এই বজাৰৰ প্ৰলোভনৰ ফান্দত আটাইতকৈ প্ৰথমে আৰু সহজে ভৰি দিয়ে। উচ্চবিত্ত শ্ৰেণীৰ জীৱনশৈলীক যিকোনো প্ৰকাৰে অন্ধ অনুকৰণ কৰাৰ এই তীব্ৰ হেঁপাহেই মধ্যবিত্তক লাহে লাহে ভোগবাদৰ এক চকুৰে নেদেখা দাসলৈ ৰূপান্তৰিত কৰে। এই ক্ৰয় প্ৰক্ৰিয়াত প্ৰয়োজনীয়তা সম্পূৰ্ণৰূপে গৌণ হৈ পৰে আৰু বাহ্যিক প্ৰদৰ্শনকামিতাই মুখ্য স্থান লাভ কৰে। যাৰ ফলস্বৰূপে মানুহে ঘৰত থকা সম্পূৰ্ণ কাৰ্যক্ষম হৈ থকা কাপোৰ সাঁজ, ভালে থকা গাড়ীখন বা ম'বাইল ফোনটো কেৱলমাত্ৰ নতুন মডেল বা ব্ৰেণ্ড এটা বজাৰলৈ অহাৰ বাবেই সলনি কৰিবলৈ অলপো কুণ্ঠাবোধ নকৰে। বজাৰে সৃষ্টি কৰা এই নিৰন্তৰ অসন্তুষ্টিৰ বাবেই মানুহে কেতিয়াও নিজৰ হাতত থকাখিনিক লৈ সুখী হ'ব নোৱাৰে আৰু সদায় এক অন্তহীন দৌৰত লিপ্ত হৈ থাকিবলগীয়া হয়।



হিমাংশু ৰঞ্জন ভূঞা

ভোগবাদৰ এই ভয়াৱহ আৰু দ্ৰুত উত্থানৰ অন্তৰালত ক্ৰেডিট কাৰ্ড, ই.এম.আই. (EMI) অৰ্থাৎ মাহেকীয়া কিস্তি আৰু বাণিজ্যিক বেংকসমূহৰ অত্যন্ত সুলভ তথা আকৰ্ষণীয় ঋণ নীতিৰ অৱদানো কোনো কাৰণতে অস্বীকাৰ কৰিব নোৱাৰি। পুৰণি সমাজত মানুহে কোনো এটা গুৰুত্বপূৰ্ণ সামগ্ৰী ক্ৰয় কৰাৰ আগতে তাৰ বাবে বছৰ বছৰ ধৰি টকা সংগ্ৰহ বা সঞ্চয় কৰিছিল, অৰ্থাৎ প্ৰকৃত ধন হাতলৈ অহাৰ পিছতহে ক্ৰয়ৰ চূড়ান্ত সিদ্ধান্ত লোৱা হৈছিল। কিন্তু বৰ্তমানৰ আধুনিক অৰ্থনৈতিক নীতিয়ে এই সমগ্ৰ প্ৰক্ৰিয়াটোকে সম্পূৰ্ণ ওলোটা কৰি পেলালে, য'ত 'প্ৰথমে সামগ্ৰী ব্যৱহাৰ কৰক, পিছত লাহে-লাহে ধন পৰিশোধ কৰক' ধাৰণাটোক এক আধুনিক জীৱনশৈলী হিচাপে জনপ্ৰিয় কৰি তোলা হ'ল। য়াৰ ফলত মধ্যবিত্তৰ সাময়িক ক্ৰয় ক্ষমতা বা ক্ৰয় কৰাৰ সাহস বহুত গুণ বৃদ্ধি পালে যদিও তেওঁলোক সমান্তৰালভাৱে এক দীৰ্ঘম্যাদী আৰু জটিল ঋণৰ জালত আৱদ্ধ হৈ পৰিল। কাইলৈ বা ভৱিষ্যতে হ'বলগীয়া উপাৰ্জনক আজিয়েই খৰচ কৰি পেলোৱাৰ এই যি আত্মঘাতী প্ৰৱণতা, ই মধ্যবিত্ত সমাজখনক এক গভীৰ আৰু অদৃশ্য অৰ্থনৈতিক অনিশ্চয়তাৰ অন্ধকাৰ দিশলৈ ধীৰে ধীৰে ঠেলি দিছে। বাহ্যিক চকুৰে চালে তেওঁলোকৰ জীৱনযাত্ৰা অত্যন্ত উচ্চমানৰ, চহকী আৰু বিলাসী যেন লাগিলেও, আভ্যন্তৰীণভাৱে তেওঁলোকে প্ৰতি মাহৰ নিৰ্দিষ্ট তাৰিখত ই.এম.আই. আৰু ঋণৰ কিস্তি পৰিশোধ কৰাৰ এক তীব্ৰ, অসহ্য মানসিক চাপৰ মাজেৰে প্ৰতিটো দিন অতিবাহিত কৰিবলগীয়া হয়। এই জটিল ঋণ ব্যৱস্থাই মানুহক নিজৰ চাকৰি, ব্যৱসায় বা উপাৰ্জনৰ উৎস হেৰুওৱাৰ ভয়ত সদায় শংকিত আৰু শৰণাপন্ন কৰি ৰাখে, যাৰ ফলত তেওঁলোকে জীৱনত কোনো ধৰণৰ প্ৰগতিশীল অৰ্থনৈতিক বিপদাশংকা বা নতুন পৰীক্ষা-নিৰীক্ষা কৰিবলৈ সাহস হেৰুৱাই পেলায়।

বৰ্তমান সময়ত ডিজিটেল মাধ্যম, ই-কমাৰ্চ প্লেটফৰ্ম আৰু ছচিয়েল মিডিয়াৰ ব্যাপক প্ৰসাৰে ভোগবাদক এক নতুন, অত্যন্ত ভয়াৱহ মাত্ৰা প্ৰদান কৰিছে। ফেচবুক, ইনষ্টাগ্ৰাম, ইউটিউব আদি ছচিয়েল মিডিয়া প্লেটফৰ্মসমূহ বৰ্তমান সময়ত কেৱল পাৰস্পৰিক যোগাযোগ বা বিনোদনৰ মাধ্যম হৈ থকা নাই, বৰঞ্চ এইবোৰ একোখন বিশাল, গোলকীয় প্ৰদৰ্শনীৰ বা ব্যৱসায়িক স্থলীলৈ ৰূপান্তৰিত হৈছে। মানুহে নিজৰ দৈনন্দিন জীৱনৰ প্ৰতিটো সৰু-বৰ মুহূৰ্ত, তেওঁলোকে বজাৰৰ পৰা ক্ৰয় কৰা দামী সামগ্ৰী, ভ্ৰমণ কৰা দেশ-বিদেশৰ বিলাসী পৰ্যটন স্থান, ফাইভ ষ্টাৰ হোটেলত খোৱা খাদ্য আদি সকলোবোৰ বৰ বৰকৈ এই মাধ্যমসমূহত ছবি আৰু ভিডিঅ'ৰ জৰিয়তে প্ৰদৰ্শন কৰিবলৈ আৰম্ভ কৰিছে। এই নিৰন্তৰ আৰু কৃত্ৰিম প্ৰদৰ্শনে স্ক্ৰীণৰ সিপাৰে থকা আন এজন সাধাৰণ মধ্যবিত্ত ব্যক্তিৰ মনত এক তীব্ৰ মানসিক চাপ, হীনমন্যতা আৰু নিজৰ জীৱনক লৈ অসন্তুষ্টিৰ সৃষ্টি কৰে, যাক আধুনিক মনোবিজ্ঞানৰ ভাষাত 'ফ'মʼ বা হেৰুৱাই পেলোৱাৰ ভয় বা এক অন্তহীন সামাজিক প্ৰতিযোগিতা বুলি অভিহিত কৰা হয়। আনৰ ভোগবাদী বিলাসী জীৱনযাত্ৰা নিৰন্তৰ প্ৰত্যক্ষ কৰি নিজৰ স্বাভাৱিক, সৰল জীৱনটোক লৈ লজ্জিত হোৱা আৰু যিকোনো উপায়েৰে, লাগিলে ধাৰ কৰিয়েই হওক, সেই একেই কৃত্ৰিম জীৱনশৈলী লাভ কৰিবলৈ কৰা আৱেগিক প্ৰয়াসে মধ্যবিত্ত সমাজখনক এক ভয়াৱহ মানসিক অৱসাদ আৰু সংকটৰ পিনে লৈ গৈছে। বজাৰৰ এই চক্ৰবেহুত এবাৰ সোমাই পৰাৰ পিছত মানুহে এই সৰল সত্যটো পাহৰি যায় যে প্ৰকৃত সুখ বা মানসিক শান্তি সামগ্ৰীৰ ক্ৰয় আৰু প্ৰদৰ্শনৰ ওপৰত কেতিয়াও নিৰ্ভৰ নকৰে।

ভোগবাদে মধ্যবিত্ত পৰিয়ালসমূহৰ আভ্যন্তৰীণ সম্পৰ্ক, পাৰস্পৰিক মৰম-চেনেহ আৰু পৰম্পৰাগত সামাজিক গাঁথনিৰ ওপৰতো এক গভীৰ কু-প্ৰভাৱ পেলাইছে। পুৰণি সুস্থ সমাজ ব্যৱস্থাত পাৰস্পৰিক সহযোগিতা, একতা আৰু আৱেগিক বান্ধোনক যিমান গুৰুত্ব দিয়া হৈছিল, বৰ্তমানৰ এই চৰম বস্তুবাদী সমাজে তাক বহুখিনি ম্লান আৰু অৰ্থহীন কৰি পেলাইছে। এতিয়া পৰিয়ালসমূহৰ ভিতৰতো এক প্ৰকাৰৰ অঘোষিত প্ৰতিযোগিতাৰ সৃষ্টি হৈছে, য'ত সন্তানৰ দামী নামভৰ্তি, স্কুলৰ মাচুলৰ পৰা আৰম্ভ কৰি ঘৰৰ অত্যাধুনিক আচবাব, বিলাসী সা-সঁজুলিলৈকে সকলোতে এক উচ্চমানৰ কৃত্ৰিম প্ৰদৰ্শনৰ প্ৰয়োজনীয়তা পৰিয়ালে অনুভৱ কৰে। এই অতিৰিক্ত অৰ্থৰ ধাৰাবাহিক যোগান ধৰিবলৈ পৰিয়ালৰ প্ৰাপ্তবয়স্ক সদস্যসকলে দিন-ৰাতি একাকাৰ কৰি, নিজৰ স্বাস্থ্যক আওকাণ কৰি কাম কৰিবলগীয়া হয়, যাৰ ফলত তেওঁলোকে নিজৰ সন্তান, পত্নী বা পৰিয়ালৰ অন্যান্য জ্যেষ্ঠ সদস্যসকলক দিবলগীয়া প্ৰকৃত গুণগত সময়খিনি সম্পূৰ্ণৰূপে হেৰুৱাই পেলায়। অৰ্থাৎ, যিটো পৰিয়ালৰ তথাকথিত সুখ আৰু আৰামৰ বাবে ইমানবোৰ বিলাসী সামগ্ৰী ক্ৰয় কৰা হৈছে, সেই পৰিয়ালটোৱেই লাহে লাহে আৱেগিকভাৱে ইজনে সিজনৰ পৰা বহুত দূৰৈলৈ আঁতৰি গৈছে। মানৱীয় সম্পৰ্কবোৰৰ স্থান লাহে লাহে এতিয়া জড় পদাৰ্থই ল'বলৈ আৰম্ভ কৰিছে, য'ত মৰম, আন্তৰিকতা বা স্নেহ প্ৰকাশ কৰাৰ মাধ্যম হিচাপে কেৱল দামী উপহাৰ বা বস্তুবাদী সামগ্ৰী দিয়াটোৱেই একমাত্ৰ সামাজিক উপায় হৈ পৰিছে।

কেৱল ব্যক্তিগত, পাৰিবাৰিক বা সামাজিক স্তৰতেই নহয়, ভোগবাদৰ এক ভয়াৱহ আৰু অলংঘনীয় প্ৰভাৱ আমাৰ সামগ্ৰিক প্ৰাকৃতিক পৰিৱেশ তন্ত্ৰৰ ওপৰতো অত্যন্ত মাৰাত্মকভাৱে পৰিছে। ভোগবাদৰ মূল চালিকা মন্ত্ৰই হৈছে 'ব্যৱহাৰ কৰক আৰু পেলাই দিয়ক'। কোনো এটা সামগ্ৰী দীৰ্ঘদিন ধৰি ব্যৱহাৰ কৰা বা তাক মেৰামতি কৰি পুনৰ ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে, তাক অতি সোনকালে আৱৰ্জনা হিচাপে পেলাই দি নতুন আন এটা সামগ্ৰী লোৱাৰ এই যি অন্ধ প্ৰৱণতা, ইয়াৰ বাবে পৃথিৱীৰ বুকুত থকা অপৰিসীম আৰু সীমিত প্ৰাকৃতিক সম্পদৰ অবাধ অপচয় ঘটিছে। ইলেক্ট্ৰনিক আৱৰ্জনা বা ই-ৱেষ্টৰ ভয়াৱহ পাহাৰৰ পৰা আৰম্ভ কৰি কেতিয়াও ধ্বংস নোহোৱা প্লাষ্টিকৰ ভয়াৱহ প্ৰদূষণলৈকে, এই সকলোবোৰ গোলকীয় বিপৰ্যয়ৰ গুৰিতেই আছে মধ্যবিত্ত শ্ৰেণীৰ এই অন্তহীন ভোগ আৰু ক্ৰয়ৰ লালসা। বজাৰে ক্ৰমাগতভাৱে নতুন নতুন চমতকাৰী সামগ্ৰী উৎপাদন কৰি গৈছে আৰু মধ্যবিত্তই নিজৰ অহংকাৰ পূৰণৰ বাবে তাক ক্ৰয় কৰি পুৰণি কাৰ্যক্ষম সামগ্ৰীবোৰ আৱৰ্জনা হিচাপে প্ৰকৃতিৰ বুকুত দলিয়াই দিছে। এই সমগ্ৰ প্ৰক্ৰিয়াটো কোনো কাৰণতে দীৰ্ঘম্যাদীভাৱে বহনক্ষম হ'ব নোৱাৰে, কাৰণ এই পৃথিৱীৰ প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ অত্যন্ত সীমিত। এক অনিয়ন্ত্ৰিত উপভোক্তাবাদে সমগ্ৰ মানৱ জাতিক এক ডাঙৰ গোলকীয় পৰিৱেশগত সংকট, জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ পিনে তীব্ৰ গতিত ঠেলি দিছে, যাৰ ভয়াৱহ পৰিণাম বৰ্তমানৰ লগতে অনাগত প্ৰজন্ময়ো সমানে ভুগিব লাগিব।

অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে দেখা যায় যে ভোগবাদে বাহ্যিকভাৱে দেশ এখনৰ মুঠ ঘৰুৱা উৎপাদন বা জিডিপি (GDP) বৃদ্ধিত সাময়িকভাৱে সহায় কৰে, কাৰণ বজাৰত যেতিয়া সামগ্ৰীৰ চাহিদা ক্ৰমাগতভাৱে বাঢ়ি থাকে, তেতিয়া উদ্যোগসমূহৰ উৎপাদন বাঢ়ে আৰু ইয়াৰ ফলত নতুন নতুন কৰ্মসংস্থাপনৰ সৃষ্টি হয়। কিন্তু এই সমগ্ৰ অৰ্থনৈতিক বিকাশ যদি কেৱল ক্ৰেডিট কাৰ্ড বা বেংকৰ ঋণৰ ওপৰত ভিত্তি কৰি ফোঁপোলাভাৱে গঢ়ি উঠে, তেন্তে ই এক দীৰ্ঘম্যাদী অৰ্থত অত্যন্ত ক্ষণস্থায়ী আৰু সংকটপূৰ্ণ অৰ্থনীতিৰহে সূচনা কৰে। যেতিয়া মধ্যবিত্ত শ্ৰেণীৰ এটা বুজন অংশ নিজৰ প্ৰকৃত উপাৰ্জনক অতিক্ৰম কৰি ঋণৰ বোজাত ডিঙিলৈকে ডুব গৈ থাকে, তেতিয়া দেশৰ অৰ্থনীতিলৈ অহা যিকোনো সৰু বা মজলীয়া জোকাৰণিয়েও, যেনে মহামাৰী, যুদ্ধ বা গোলকীয় মন্দাৱস্থা, সমগ্ৰ বেংকিং আৰু বজাৰ ব্যৱস্থাটোক এক মুহূৰ্ততে খহি পেলাব পাৰে। বিশ্বৰ অৰ্থনৈতিক ইতিহাস চালে দেখা যায় যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা আৰম্ভ কৰি ইউৰোপ পৰ্যন্ত হোৱা ডাঙৰ ডাঙৰ অৰ্থনৈতিক মন্দাৱস্থাবোৰৰ অন্তৰালত এই অতিৰিক্ত গ্ৰাহক ঋণ আৰু নিয়ন্ত্ৰণহীন ভোগবাদী মানসিকতাই মূল কাৰক হিচাপে কাম কৰিছিল। সেয়েহে, কেৱল অন্ধ ক্ৰয় আৰু বিক্ৰীৰ উন্মাদনাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা অৰ্থনীতি কেতিয়াও সুস্থিৰ বা নিৰাপদ হ'ব নোৱাৰে, যদিহে তাত প্ৰকৃত উৎপাদনশীলতা, সঞ্চয় আৰু প্ৰকৃত সম্পদ সৃষ্টিৰ কোনো শক্তিশালী সামাজিক ভিত্তি নাথাকে।

এইজটিল আৰু ভয়াৱহ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে এতিয়া মধ্যবিত্ত শ্ৰেণীটোৱে নিজৰ জীৱন ধাৰণৰ মূল দৰ্শন আৰু চিন্তাধাৰাক নতুনকৈ মূল্যায়ন তথা পুনৰীক্ষণ কৰাৰ চৰম প্ৰয়োজন আহি পৰিছে। ভোগবাদৰ এই অন্ধ, বিবেকহীন অনুকৰণৰ পৰা নিজকে আঁতৰাই আনি এক যুক্তিসংগত, মিতব্যয়ী আৰু সচেতন উপভোক্তা হিচাপে নিজকে গঢ়ি তোলাটোৱেই বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ সামাজিক প্ৰত্যাহ্বান। মানুহে নিজৰ প্ৰকৃত দৈহিক প্ৰয়োজন আৰু বজাৰে সৃষ্টি কৰা মানসিক প্ৰলোভনৰ মাজত থকা সূক্ষ্ম প্ৰভেদটো স্পষ্টকৈ বুজি পাব লাগিব। সাম্প্ৰতিক সমাজ ব্যৱস্থাই কৃত্ৰিমভাৱে দেখুওৱা সুখৰ ছায়া-মায়াজালক সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰি জীৱনৰ প্ৰকৃত মানদণ্ড উন্নত কৰাত মনোযোগ দিয়া উচিত, য'ত শৰীৰৰ স্বাস্থ্য, গুণগত শিক্ষা, মানসিক শান্তি, সামাজিক দায়বদ্ধতা আৰু ভৱিষ্যতৰ বাবে সুৰক্ষিত সঞ্চয় অন্তৰ্ভুক্ত থাকে। ধাৰ কৰি বা ঋণ লৈ বিলাসী জীৱন যাপন কৰাৰ এই যি আধুনিক কু-প্ৰৱণতা, ই কেৱল এজন ব্যক্তিক মানসিকভাৱে ধ্বংস কৰাই নহয়, বৰঞ্চ সমগ্ৰ সমাজখনকে ভিতৰি ফোঁপোলা আৰু মেৰুদণ্ডহীন কৰি পেলাইছে। গতিকে, বৰ্তমান সমাজত এক নতুন শৈক্ষিক আৰু সাংস্কৃতিক সজাগতাৰ সৃষ্টি হোৱাটো অপৰিহাৰ্য হৈ পৰিছে, য'ত মানুহৰ সামাজিক মৰ্যাদা আৰু সন্মানৰ মাপকাঠি কোনো ব্ৰেণ্ড, দামী গাড়ী বা জড় সামগ্ৰী নহৈ এজন ব্যক্তিৰ জ্ঞান, নৈতিক চৰিত্ৰ, অৰ্থনৈতিক সততা আৰু সমাজলৈ আগবঢ়োৱা প্ৰকৃত অৱদানহে হ'ব লাগিব। তেতিয়াহে সমাজৰ এই বৃহৎ মধ্যবিত্ত শ্ৰেণীটোৱে ভোগবাদৰ এই চকুৰে নেদেখা দাসত্বৰ কবলৰ পৰা চিৰদিনৰ বাবে মুক্ত হৈ দেশ আৰু সমাজৰ এক প্ৰকৃত, শক্তিশালী আৰু বিবেকৱান চালিকা শক্তি হিচাপে নিজকে পুনৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব।

# চৰকাৰে মূল্যবৃদ্ধিত তীক্ষ্ণ নজৰ ৰাখক

ৰাজু কলিতা

**বা**নপানীৰ দৰে এক ভয়ংকৰ আৰু সংকটজনক প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সমগ্ৰ ৰাজ্যবাসী যেতিয়া এক অকল্পনীয় দুৰ্দশাৰ মুখত পৰে, ঠিক তেনে সময়তে দৈনন্দিন ব্যৱহাৰ্য নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ অনিয়ন্ত্ৰিত মূল্যবৃদ্ধিয়ে এই বিপত্তিক বহু গুণ বৃদ্ধি কৰে। বানপানীয়ে কেৱল মানুহৰ ঘৰ-বাৰী, সম্পত্তি আৰু খেতি-বাতি উটুৱাই লৈ নাযায়, বৰঞ্চ ৰাজ্যখনৰ পথ যাতায়াত, ৰেল যোগাযোগ আৰু সামগ্ৰী সৰবৰাহ ব্যৱস্থা সম্পূৰ্ণৰূপে স্তব্ধ কৰি পেলায়। এই যোগাযোগ বিচ্ছিন্নতা আৰু যোগান শৃংখল ভংগ হোৱাৰ সুযোগ লৈয়েই একশ্ৰেণী অতিমুনাফালোভী তথা অসাধু ব্যৱসায়ীয়ে বজাৰত কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিবলৈ আৰম্ভ কৰে। চাউল, দাইল, আলু, পিয়াঁজ, খোৱা তেল, নিমখ আৰু কেঁচা শাক-পাচলিৰ দৰে অপৰিহাৰ্য বস্তুসমূহ চোৰাংভাৱে মজুত ৰাখি বা কৃত্ৰিমভাৱে যোগান বন্ধ কৰি তেওঁলোকে অভাৱনীয় হাৰত মূল্য বৃদ্ধি ঘটায়। ইফালে নিজৰ ঘৰ-বাৰী হেৰুৱাই আশ্ৰয় শিৱিৰত থকা, বা আপোনজনক লৈ ওখ পথ-বান্ধত দুৰ্বিষহ দিন নিয়াব লগা হোৱা দৰিদ্ৰ আৰু মধ্যবিত্ত লোকসকলৰ বাবে এই দুৰ্যোগৰ সময়ত আকাশলংঘী দামত বস্তু ক্ৰয় কৰাটো এক মৰাৰ ওপৰত খাঁৰৰ মাটোহে হৈ পৰে। এফালে বানৰ বিভীষিকা আৰু আনফালে বজাৰৰ শোষণে জনসাধাৰণক সম্পূৰ্ণৰূপে দিশহাৰা আৰু নিঃস্ব কৰি তোলে। এনে এক অতিকৈ সংবেদনশীল আৰু সংকটময় সন্ধিক্ষণত চৰকাৰ তথা জিলা প্ৰশাসনৰ এক অত্যন্ত সক্ৰিয়, গতিশীল আৰু নৈতিক দায়িত্ব আছে। চৰকাৰৰ ওচৰত মোৰ এক আন্তৰিক আৰু বিনম্ৰ অনুৰোধ যে, বিশেষকৈ নাজিৰা শিৱসাগৰ জিলাৰ মহকুমা আৰু ব্লক পৰ্যায়ত বিশেষ নিৰীক্ষণ গোট গঠন কৰি দৈনিক বজাৰৰ দৰ-দাম সূচী আৰু গোদামসমূহত থকা সামগ্ৰীৰ মজুত পৰিমাণ নিয়মিতভাৱে পৰীক্ষা কৰা উচিত। প্ৰশাসনে কেৱল নিৰ্বাক দৰ্শক হৈ নাথাকি বজাৰত সামগ্ৰীৰ সৰ্বোচ্চ খুচুৰা মূল্য নিৰ্ধাৰণ কৰি দিয়া আৰু সেই নিৰ্ধাৰিত মূল্যত যাতে সকলোৱে সামগ্ৰী লাভ কৰে, তাৰ বাবে ফ্ল্যাইং স্কোৱাডৰ জৰিয়তে হঠাৎ বজাৰ পৰিদৰ্শন কৰাটো বাধ্যতামূলক হ'ব লাগে। যিসকল ব্যৱসায়ীয়ে বানৰ দুৰ্দশাক পুজি কৰি ৰাইজক লুটিবলৈ চেষ্টা কৰে বা খাদ্যসামগ্ৰীৰ ক'লা বজাৰ চলায়, তেওঁলোকৰ বিৰুদ্ধে সামগ্ৰী জব্দ কৰা, ব্যৱসায় লাইচেঞ্চ বাতিল কৰা আৰু তাৎক্ষণিকভাৱে গ্ৰেপ্তাৰ কৰাৰ দৰে অতি কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। নৈ কাষৰীয়া অঞ্চলসমূহৰ উপৰিও মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন হৈ পৰা অত্যন্ত দুৰ্গম আৰু জলবন্দী অঞ্চলসমূহত যাতে খাদ্যৰ নাটনিয়ে ভয়াবহ ৰূপ নলয়, তাৰ বাবে চৰকাৰী উদ্যোগত বিকল্প পৰিবহণ আৰু নৌকাবাহিনী ব্যৱহাৰ কৰি খাদ্যসামগ্ৰী পোৱাই দিয়াটো জৰুৰী। একেদৰে সুলভ মূল্যৰ দোকান, আমাৰ দোকান বা চৰকাৰী সমবায় সমিতিৰ জৰিয়তে জৰুৰীকালীনভাৱে ৰেহাই মূল্যত বা বিনামূলীয়াকৈ জনসাধাৰণৰ হাতত খাদ্যৰ পেকেট তুলি দিলে বজাৰত ব্যক্তিগত ব্যৱসায়ীৰ একচ্ছত্ৰী কাৰবাৰ স্বয়ংক্ৰিয়ভাৱে হ্ৰাস পাব। গণমাধ্যম আৰু সামাজিক মাধ্যমৰ জৰিয়তে প্ৰতিদিনে চৰকাৰীভাৱে নিৰ্ধাৰিত মূল্যৰ তালিকা ৰাজহুৱা কৰিলে অসাধু ব্যৱসায়ীসকলৰ ভয় উপজিব আৰু সাধাৰণ ৰাইজো সজাগ হ'ব পৰা অৱস্থাৰ সৃষ্টি হ'ব। বানাক্ৰান্তসকলৰ বাবে সাহায্য আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ সমান্তৰালভাৱে বজাৰৰ এই অনিয়ন্ত্ৰিত শোষণাংক ৰোধ কৰিব পাৰিলেহে বিপন্ন মানুহখিনিয়ে প্ৰকৃত অৰ্থত সকাহ পাব আৰু বিষম পৰিস্থিতিত চৰকাৰী যন্ত্ৰৰ প্ৰতি ৰাইজৰ ধাৰণা আৰু গভীৰ আস্থা পুনৰুজ্জীৱিত হৈ ৰ'ব।



# অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰক




সম্পাদক ডাঙৰীয়া,

অসমৰ প্ৰাকৃতিকভাৱে বানপানী সমস্যা আজিৰ নহয়। বছৰে-বছৰে বানপানীয়ে অসমৰ গাঁৱে-ভূঞে অনেক ক্ষতি সাধন কৰে। এই ক্ষেত্ৰত পোণ প্ৰথমে ক্ষতিগ্ৰস্ত হয় আমাৰ কৃষ বন্ধু সকল। অৱশ্যে কৃত্ৰিম বানপানীয়েও অশেষ ক্ষতিসাধন কৰে। য'ত নলাত পৰি পৰি মাজে মাজে মানুহৰ মৃত্যু হয়। এনেধৰণৰ বাধা বিঘিনিৰ বাবে আজি বহু কৃষক সকল উন্নতি পথত আগবাঢ়ি যাব পৰা নাই। এতিয়াও অসমৰ বহু ঠাইত জলসিঞ্চন ব্যৱস্থা হৈ উঠা নাই। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হৈ এতিয়াও হাল বোৱা মাটি পুতা কঠীয়া পাৰা ব্যৱস্থা চলি আছে। গতিকে তেনেকুৱা এটা ব্যৱস্থাত আকৌ বানপানীয়ে পথাৰৰ খেতি আৰু ভৰাঁলৰ জমা থকা ধান হালৰ গৰু পোহনীয়া কুকুৰা ছাগলী মহ হাঁহ পাৰ চৰাই উটুৱাই নিয়ে। এনে স্থলত কেনেকৈ উন্নত হ'ব। সেয়ে আমাৰ দেশৰ চৰকাৰে বানপানীক ৰাষ্ট্ৰীয় সমস্যা বুলি ঘোষণা কৰক। তেতিয়া হে আগবাঢ়ি যাব পাৰিম।

*বিপুল চন্দ্ৰ দাস*
*নহিৰা গাঁও, দক্ষিণ কামৰূপ*

# অব্যাহত উদ্ধাৰ অভিযান; ১৩ দিনৰ পাছতো নেপালী খুটিত অস্বাভাৱিক পৰিস্থিতি, দিশহাৰা খেতিয়ক-ৰাইজ

**অসম বাৰ্তা, গেলেকী, ৪ আগষ্ট ঃ** বিগত ১৯ জুলাইত অহা প্ৰলয়ংকাৰী বানৰ তাণ্ডৱৰ পাছত ১৩ দিন অতিক্ৰম কৰাৰ পিছতো স্বভাৱিক অৱস্থা ঘূৰি অহা নাই উজনি অসমৰ শিৱসাগৰ জিলাৰ নাজিৰা বিহুবৰস্থিত নেপালী খুটিত। বৰ্তমানলৈকে অঞ্চলটোত অব্যাহত আছে উদ্ধাৰ অভিযান। উল্লেখযোগ্য যে, এই ভয়ংকৰ বানত সমগ্ৰ শিৱসাগৰ জিলাতে বিস্তৰ ক্ষতিসাধন হৈছে। জিলাখনত এতিয়ালৈকে ৩০ গৰাকীৰো অধিক লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ উপৰিও বিহুবৰৰ নেপালী খুটিত বহুসংখ্যক লোক এতিয়াও সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে, যাৰ বাবে সমগ্ৰ অঞ্চলজুৰি এক শোকাকুল তথা হাহাকাৰ পৰিৱেশে বিৰাজ কৰিছে। এই বিপত্তিসংকুল সময়ছোৱাত চৰকাৰী সাহায্যৰ উপৰিও বিভিন্ন স্বেচ্ছাসেৱী সংগঠন, স্থানীয় দল-সংগঠন আৰু হৃদয়বান লোকসকলে নিজ নিজ সামৰ্থ অনুসৰি বানাক্ৰান্তসকলৰ বাবে সাহায্য আগবঢ়াইছে। উদ্ধাৰ আৰু পুনৰসংস্থাপনৰ বাবে যুদ্ধকালীন তৎপৰতাৰে কাম-কাজ চলাই থকা হৈছে যদিও নেপালী খুটিৰ পৰিস্থিতি এতিয়াও সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণলৈ অহা নাই। ইফালে, এই প্ৰলয়ংকাৰী বানৰ ফলত নাজিৰা আৰু শিৱসাগৰ সমষ্টিৰ কৃষক সমাজ সম্পূৰ্ণৰূপে দিশহাৰা হৈ পৰিছে। দিখৌ নদীকে ধৰি শিৱসাগৰ জিলাৰ নাজিৰা আৰু শিৱসাগৰ সমষ্টিৰ উপনৈসমূহৰ কাষৰ কৃষি পথাৰত সংহাৰী বানৰ ভয়াৱহ প্ৰভাৱ পৰা দেখিবলৈ পোৱা গৈছে। নাজিৰাৰ বহু ভিতৰুৱা অঞ্চল, গেলেকীৰ কেইবাটাও এলেকা, দেওপানী গোহাঁই গাঁও আৰু নামদঙীয়া অঞ্চলৰ কৃষিকৰ্ম বানৰ কবলত পৰি ধ্বংস হৈছে। বহু ঠাইত বাঢ়নী পানীয়ে খেতি-পথাৰ, কঠীয়া আৰু চাহ গছ আদি বুৰাই পেলোৱাৰ ফলত খেতিয়কসকলে মূৰে-কপালে হাত দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। কেৱল খেতি-বাতিয়েই নহয়, পানীত উটি গৈ মৃত্যু ঘটিছে হাজাৰ হাজাৰ পশুধনৰো। সমগ্ৰ অঞ্চলটোত এতিয়া এক অনাকাংক্ষিত সংকটজনক পৰিস্থিতিয়ে বিৰাজ কৰিছে। এই বিৰাট ক্ষয়-ক্ষতিৰ পাছত প্ৰভাৱিত ৰাইজক উপযুক্ত পুনৰসংস্থাপন দিয়া আৰু এই সামগ্ৰিক পৰিস্থিতিৰ সৈতে ৰাজ্য চৰকাৰে পৰৱৰ্তী সময়ত কেনেদৰে মোকাবিলা কৰে, সেয়া হ'ব অতি লক্ষণীয়।

দায়িত্ব ল'লৈ ৰোগাক্ৰান্তক চিকিৎসাৰ, দুখীয়া মেধাৱী শিক্ষাৰ্থীৰ অধ্যয়নৰ খৰচৰ

# মথনগুৰি সমষ্টিত ই.এম. বেগম আখতাৰাৰ মানৱ সেৱা

**অসম বাৰ্তা, শালবাৰী, ৪ আগষ্ট ঃ** বিটিচিৰ কাৰ্যবাহী সদস্য তথা মথনগুৰী পৰিষদীয় সমষ্টিৰ এমচিএলএ বেগম আখতাৰা আহমেদে আজি মথনগুৰী সমষ্টিৰ বিভিন্ন প্ৰান্তৰ কেবাগৰাকীও দুখীয়া, অসহায়, সুবিধাবঞ্চিত লোকৰ বাসগৃহলৈ গৈ তেওঁলোকক সাক্ষাৎ কৰি ৰোগাক্ৰান্ত লোকৰ চিকিৎসা, দুখীয়া মেধাৱী শিক্ষাৰ্থীৰ অধ্যয়নৰ দায়িত্ব লৈ এক প্ৰশংসনীয় কাৰ্যত জড়িত হোৱাটোৱে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। উল্লেখ্য যে- খাগ্ৰাবাৰী গাঁৱৰ চকুৰ দৃষ্টি হেৰুৱাই সৰ্বা বড়ো নামৰ এগৰাকী দুখীয়া-অসহায় ব্যক্তিয়ে ধনৰ অভাৱত চিকিৎসাৰ পৰা বঞ্চিত হৈ সুদীৰ্ঘ দিন ধৰি নিজৰ ঘৰতেই আৱদ্ধ হৈ থকাৰ পিছত আজি বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদে সৰ্বা বড়োৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ অসুস্থতা আৰু ঘৰুৱা পৰিস্থিতি প্ৰত্যক্ষ কৰে। বেগম আখতাৰা আহমেদে সৰ্বা বড়ো আৰু তেওঁৰ পৰিয়ালটোৰ আৰ্থিক দুৰৱস্থাৰ বিষয়ে অৱগত হৈ দৃষ্টিহীন ব্যক্তিগৰাকীৰ চিকিৎসাৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ তথা চিকিৎসাৰ খৰচ বহন কৰাৰ ঘোষণা কৰে। লগতে আৰ্থিক অনুদানো আগবঢ়ায়। তদুপৰি বেগম আখতাৰা আহমেদে আজি কুঠুৰিঝাৰ গাঁৱৰ অতি দুখীয়া মেধাৱী ছাত্ৰী ঋতুমণি বড়োৰ বাসগৃহত উপস্থিত হৈ উচ্চ শিক্ষাৰ সপোন বাস্তৱায়িত কৰাৰ বাবে আৰ্থিক অনুদান আগবঢ়াই অধ্যয়নৰ দায়িত্বও লয়। আনহাতে বুনমাজা গাঁৱৰ দীৰ্ঘ দিন ধৰি ৰোগাক্ৰান্ত হৈ থকা দুখীয়া ব্যক্তি দেবেন বড়োৰ বাসগৃহত বেগম আখতাৰা আহমেদে আজি উপস্থিত হৈ ৰোগাক্ৰান্ত বড়োৰ স্বাস্থ্যৰ খবৰ লৈ চিকিৎসাৰ বাবে আৰ্থিক সহায় প্ৰদান কৰাৰ লগতে পৰৱৰ্তী সময়ত চিকিৎসাৰ খৰচৰ দায়িত্ব লয় আহমেদে। ৰোগাক্ৰান্ত ব্যক্তি সৰ্বা বড়ো, দেবেন বড়ো আৰু মেধাৱী শিক্ষাৰ্থী ঋতুমণি বড়োক সাক্ষাতৰ পিছত বেগম আখতাৰা আহমেদে সংবাদ মাধ্যমৰ প্ৰশ্নোত্তৰত কয়- "মথনগুৰী সমষ্টিৰ সৰ্বস্তৰৰ ৰাইজে মোক নিৰ্বাচনত ভোটদানেৰে নিৰ্বাচিত কৰাটোৱে এক বিশেষ শক্তি আৰু সাহস দিছিল। যাৰ বাবে আজি মই ৰাইজৰ সুখ-দুখত ৰাইজৰ কাষত থিয় হ'বলৈ সক্ষম হৈছোঁ। মই নিৰ্বাচনৰ আগতেও কৈছিলোঁ- ৰাইজৰ লগত থাকিম। ৰাইজে জনপ্ৰতিনিধিৰূপে নিৰ্বাচিত কৰাৰ পিছত আজিও কৈছোঁ- মই ৰাইজৰ লগতেই আছোঁ আৰু থাকিম। জনসেৱাই মোৰ লক্ষ্য।"

তীব্ৰ বৰষুণৰ মাজতে হিমাংশু শেখৰ বৈশ্যাই ভূই ৰুলে কৃষকৰ লগত

# ছয়গাঁৱৰ খেতি পথাৰত বিধায়ক হিমাংশু শেখৰ বৈশ্য

**ট্ৰেক্টৰ চলাই, পাৱাৰ টিলাৰ চলাই পশ্চিমধূলিৰ পথাৰত বিধায়কৰ ঘোষণা; "পলাশবাৰীৰ কৃষকৰ সপোন পূৰণ কৰা হ'ব"**



**অসম বাৰ্তা, ছয়গাঁও, ৪ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ ছয়গাঁৱৰ পশ্চিমধূলি গাঁৱৰ খেতি পথাৰত ৰবিবাৰে ছয়গাঁও পলাশবাৰী মণ্ডল বিজেপি কৃষাণ মৰ্চাৰ উদ্যোগত ভূই ৰোৱা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বিধায়ক হিমাংশু শেখৰ বৈশ্যই প্ৰথমে ট্ৰেক্টৰেৰে হাল বাই, পাৱাৰ টিলাৰ চলাই, কান্দত ভূই আনি যোগান ধৰিলে কৃষকক। কৃষক আৰু ৰোৱণী সকলে বিধায়কৰ সৈতে একেলগে ভূই ৰুলে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কৃষি মন্ত্ৰী পিযুষ হাজৰিকাই অসমৰ কৃষকৰ বাবে বহু চিন্তা কৰি আছে বুলি উল্লেখ কৰি বিধায়ক হিমাংশু শেখৰ বৈশ্যই পলাশবাৰীৰ কৃষকক শীঘ্ৰে কৃষি পঞ্জীয়ন কৰি চৰকাৰী সুবিধা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰাৰ লগতে অসমৰ কৃষকে ধান খেতিতে ব্যস্ত নাথাকি ৰবি শস্য, তামোল নাৰিকল আদি খেতিও কৰিবলৈ অনুৰোধ জনাইছে। বিধায়ক গৰাকীয়ে ভূই ৰুই শৈশৱৰ ভূই ৰোৱা স্মৃতি, পুখুৰীত মাছ মৰা স্মৃতি ৰোমন্থন কৰে। ভূই ৰোৱা সময়ত বিধায়ক হিমাংশু শেখৰ বৈশ্যক সংগ দিয়ে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ৰমাকান্ত ৰাভা, জিলা পৰিষদৰ সদস্য মিহিৰ ৰঞ্জন দাস, ছয়গাঁও পলাশবাৰী কৃষক মৰ্চাৰ সভাপতি পবিত্ৰ নাথ, মণ্ডল সভাপতি সভাপতি কমলেশ্বৰ দাস, যুৱ মৰ্চাৰ জিলা সভাপতি জিতুমণি কলিতা, কৃষক মৰ্চাৰ জিলা সভাপতি ৰাতুল দাস, বিজেপি মৰ্চাৰ কৃষি বিভাগৰ সমষ্টিৰ পৰ্যবেক্ষক জ্যোতিষ ৰাভা, ছয়গাঁও কৃষি চক্ৰ উন্নয়ন বিষয়া উৰ্মিল বৰঠাকুৰ প্ৰমুখ্যে বিজেপিৰ কাৰ্য্যকৰ্তা আৰু কৃষাণ মৰ্চাৰ সদস্য সকল উপস্থিত আছিল। কৃষি খণ্ডত এক বিপ্লৱ সূচনা কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কৃষিমন্ত্ৰী পীযুষ হাজৰিকাৰ নেতৃত্বত অসমত কৃষি বিভাগটোৱে এক বিশেষ গতি লাভ কৰিবলৈ সক্ষম হৈছে বুলি কয় বিধায়ক হিমাংশু শেখৰ বৈশ্যই।

# ডুমডুমাৰ নীলম বুক ষ্টলৰ স্বত্বাধিকাৰ ৰামা শঙ্কৰ প্ৰসাদৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৪ আগষ্ট ঃ** আজিৰ পৰা ৫৬ বছৰ পূৰ্বে ১৯৭০ চনত ডুমডুমাত স্থাপিত 'নীলম বুক ষ্টল'ৰ স্বত্বাধিকাৰ ৰামা শঙ্কৰ প্ৰসাদৰ আজি পুৱা ৫-৩০ বজাত বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ ডুমডুমা হিন্দী প্ৰাথমিক বিদ্যালয়ৰ পিছফালে থকা নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৫ বছৰ। অতি সৰবৰহী, সমাজপ্ৰেমী আৰু প্ৰচুৰ জ্ঞানৰ অধিকাৰী এই ব্যক্তিগৰাকীৰ বিয়োগত জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে ডুমডুমাৰ সকলো শ্ৰেণীৰ লোকৰ মাজত গভীৰ শোকৰ ছাঁ পৰিছে। মৃতকে পত্নী, পুত্ৰ তথা জ্যেষ্ঠ সাংবাদিক ৰাজেশ কুমাৰ প্ৰসাদ, এক কন্যা-জোঁৱাই সহ বহু আত্মীয়ক ইহ সংসাৰত এৰি থৈ গৈছে। ৰামা শঙ্কৰ প্ৰসাদে 'নীলম বুক ষ্টল' প্ৰতিষ্ঠাৰ সময়ৰে পৰা নীৰৱচ্ছিন্নভাৱে অঞ্চলটোৰ পাঠক ৰাইজলৈ বাতৰি কাকত যোগান ধৰি সেৱা আগবঢ়াই আহিছিল। তেওঁৰ এই বিশেষ সেৱাৰ বাবে ডুমডুমা প্ৰেছ ক্লাবে 'বিশিষ্ট বাতৰি কাকত বিতৰক' ৰূপে তেওঁক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰিছিল। আনহাতে যোৱা পহিলা ব'হাগৰ 'নিজৰ দিন'ত অসম সাহিত্য সভাৰ হৈ ডুমডুমা শতদল শাখা সাহিত্য সভাই ও তেওঁক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰিছিল। তেখেতৰ মৃত্যুত ডুমডুমা প্ৰেছ ক্লাব, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ লগতে ডুমডুমাৰ বিভিন্ন অনুষ্ঠান - প্ৰতিষ্ঠান, ব্যক্তি বিশেষ আৰু জাতীয় আৰু জনগোষ্ঠীয় সংগঠনসমূহে গভীৰ শোক প্ৰকাশ কৰিছে। আজি দুপৰীয়া ডুমডুমাৰ কলিয়াপানীত অৱস্থিত ৰাজহুৱা শ্মশানত শেষকৃত্য সমাপন কৰাৰ পূৰ্বে তেখেতৰ নশ্বৰ দেহত ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, কোষাধ্যক্ষ দীনেশ গোয়েল আৰু সদস্য গোৰখনাথ গুপ্তা আৰু তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ হৈ কোষাধ্যক্ষ দীনেশ গোয়েলে পুষ্পমাল্য অৰ্পণ কৰে।

**৩৪৬৩ জন লোকক স্বাস্থ্যসেৱা প্ৰদান; গোলাঘাট স্বাস্থ্য বিভাগৰ বানপানীৰ সময়ত নীৰৱচ্ছিন্ন স্বাস্থ্যসেৱা**

# গোলাঘাটত বানাক্ৰান্ত অঞ্চলত ২৮৭টা চিকিৎসা শিবিৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৪ আগষ্ট ঃ** গোলাঘাটৰ জিলা স্বাস্থ্য সমিতিয়ে জিলাখনত শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকসকলক নীৰৱচ্ছিন্ন স্বাস্থ্যসেৱা প্ৰদান কৰি আহিছে। বৰ্তমানলৈকে সাহায্য শিবিৰ আৰু বানাক্ৰান্ত অঞ্চল সামৰি ২৮৭টা বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰি মুঠ ৩৪৬৩জন লোকক স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ প্ৰদান কৰা হৈছে। ম'বাইল মেডিকেল ইউনিটকে ধৰি চিকিৎসা দলসমূহে গৰ্ভৱতী মহিলা, শিশু, জ্যেষ্ঠ নাগৰিক আৰু অন্যান্য দুৰ্বল লোকক বিশেষ গুৰুত্ব আৰোপ কৰি সকলোকে অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা প্ৰদান কৰা হৈছে। তদুপৰি সাহায্য শিবিৰ আৰু বানপীড়িত অঞ্চলত জ্বৰত আক্ৰান্ত হৈ থকা ৰোগীক চিনাক্ত কৰি বাহক জনিত ৰোগ যেনে মেলেৰিয়াৰ বিস্তাৰ ৰোধ কৰাৰ বাবে তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে ২৮৫খন ব্লাড শ্লাইড সংগ্ৰহ কৰা হৈছে। সকলো সাহায্য শিবিৰৰ লগতে বানপানীয়ে ক্ষতিগ্ৰস্ত কৰা গাঁও সমূহত সংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ প্ৰতিৰোধৰ লক্ষ্যৰে স্বাস্থ্য বিভাগে সজাগতা সৃষ্টি কৰিছে। বাহক জনিত ৰোগৰ প্ৰতিৰোধমূলক ব্যৱস্থা হিচাপে সকলো সাহায্য শিবিৰ আৰু বানপীড়িত গাঁৱত ফগিং অথবা ধোঁৱা দিয়াৰ অভিযান চলোৱা হৈছে। ইতিমধ্যে স্বাস্থ্যকৰ্মী সকলে বানপানীৰ সময়ত সম্ভাব্য ৰোগ সমূহৰ বিষয়ে ৰাইজক অৱগত কৰিছে আৰু বিশুদ্ধ খোৱাপানী, অনাময় ব্যৱস্থা, পানীজনিত আৰু বিভিন্ন বাহক জনিত ৰোগ আদিৰ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি আছে। গোলাঘাট জিলাত স্বাস্থ্য বিভাগে বানপানীৰ সময়ত প্ৰস্তুত কৰা কাৰ্যসূচী অনুসৰি চিকিৎসা বিষয়া, সামূহিক স্বাস্থ্য বিষয়া, ভ্ৰাম্যমাণ চিকিৎসা গোট, মোবাইল মেডিকেল ইউনিট, এ এন এম, বহুমুখী স্বাস্থ্য কৰ্মী, অনাময় পৰিদৰ্শক, আশা তথা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ আঁচনি পৰিচালনা গোটৰ বিষয়া-কৰ্মচাৰী আদিৰে গঠিত বিভিন্ন স্বাস্থ্য দলসমূহে বান বিধ্বস্ত এলেকা আৰু সাহায্য শিবিৰত স্বাস্থ্যসেৱা প্ৰদান কৰি আছে।

# নাৰায়ণপুৰৰ বিস্তৃত অঞ্চল জলমগ্ন; পিছলা নদীৰ বানত অচলাৱস্থা ৰাইজৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ৪ আগষ্ট ঃ** লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ বহুকেইখন গাঁও কালিৰে পৰা জলমগ্ন হৈ পৰিছে। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰীয়া খৰস্ৰোতা পিছলা নদীৰ জলপৃষ্ঠ ফেনেফুটুকাৰে উপচি পৰি নাৰায়ণপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰজাবাৰী আৰু খলিহামাৰী সংলগ্ন পিছলা নদীৰ কৃষিবান্ধ বিচ্ছিন্ন কৰি হাজাৰ হাজাৰ বিঘা কৃষিভূমিৰ বিস্তৰ ক্ষতিসাধন কৰে। বিচ্ছিন্ন অংশৰে তীব্ৰবেগেত পানী সোমাই আহি ইতিমধ্যে নিদানচোৱা, ৰজাবাৰী, ২নং খলিহামাৰী, ৰূপতলী, সৰুকাঠনি, বেতনি গাঁও, ভাতমৌ, কলমৌগুৰি আদি জলমগ্ন কৰি তুলিছে। বানৰ ফলত ইতিপূৰ্বে যাতায়ত ব্যাহত হোৱাৰ লগতে ভূঁই ৰোপণ কৰা পথাৰ প্লাৱিত কৰি মানুহৰ ঘৰ-দুৱাৰ, বাৰী, মীনপালন ক্ষেত্ৰ, শাক-পাচলি খেতিৰ ব্যাপক ক্ষতিসাধন কৰিছে। অঞ্চলটোত এই বৰ্ষৰ প্ৰথমটো বানে শ শ বিঘা কৃষিভূমিৰ ৰুৱা মাৰি নিয়াৰ পিছত দ্বিতীয় বাৰৰ বাবে কঠীয়া ৰোৱা হৈছিল যদিও কৃষকৰ আশাত চেঁচাপানী পৰাহে পৰিলক্ষিত হৈছে। যিহেতু নৈৰ প্ৰবল সোঁতে কঢ়িয়াই অনা বালি আৰু পলসে এইসমূহ ধানখেতি পুতি থৈ যোৱাৰ সম্ভাৱনাই সৰ্বাধিক বুলি ৰাইজে শংকা প্ৰকাশ কৰিছে। নদীৰ পানীয়ে বিছিন্ন কৰা কৃষিবান্ধটো তৎকালীনভাৱে মেৰামতি কৰিবলৈ স্থানীয় ৰাইজে জিলা প্ৰশাসনক আহ্বান জনাইছে যদিও বৰ্তমানলৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আনহাতে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পই এৰি দিয়া অতিৰিক্ত পানীৰ ফলত সোৱণশিৰি নদীৰ জলপৃষ্ঠও বৃদ্ধি কৰিছে। নাৰায়ণপুৰ ৰাজহ এলেকাৰ নুনীবাৰী, টিকিৰাই, স্বয়ংপাতিৰ, কংবং চাপৰি, শিলিখাগুৰি, বৰবিল, বালিগাঁও, তিনতিয়াকে ধৰি দ্বি-শতাধিক গাঁও অচিৰেই জলমগ্ন কৰি তোলাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। উল্লেখ্য যে বিগত বৰ্ষত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এনএছপিছি কৰ্তৃপক্ষৰ লগত আলোচনা কৰি ৰাইজৰ ক্ষতিসাধন নোহোৱাকৈ পানী অলপ অলপকৈ এৰিবলৈ পৰামৰ্শ দিছিল যদিও সেই নিৰ্দেশ কিমান ফলৱতী হয় সেয়া সময়তহে ক'ব পৰা যাব।

# বিশ্বনাথত জিলা প্ৰশাসনৰ অভিযানত আবাসিক এলেকাত অনুমতিবিহীনভাৱে চলি থকা এটা স্ক্ৰেপ প্ৰচেছিং ইউনিট শ্বীল জব্দ

**অসম বাৰ্তা, জিনজিয়া, ৪ আগষ্ট ঃ** আজি বিশ্বনাথ চাৰিআলি নগৰৰ কল্যাণপুৰৰ ১১ নং ৱাৰ্ডস্থিত M/s Radhika Trading নামৰ স্ক্ৰেপ প্ৰচেছিং ইউনিটটো তাৎক্ষণিকভাৱে জিলা দণ্ডাধীশৰ উপস্থিতিত প্ৰশাসনে শ্বীল কৰে। স্থানীয় বাসিন্দাৰ অভিযোগৰ ভিত্তিত বিশ্বনাথ জিলা প্ৰশাসনে তদন্ত অভিযান চলাই আবাসিক এলেকাত প্ৰয়োজনীয় অনুমতিবিহীনভাৱে হাইড্ৰ'লিক প্ৰেছ ব্যৱহাৰ কৰি স্ক্ৰেপ প্ৰচেছিং চলি আছিল। আনহাতে, শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ ব্যৱস্থা, অগ্নি নিৰ্বাপক বিভাগৰ অনুমতিহীনভাৱে নথকাকৈ উদ্যোগ চলোৱাত জিলা দণ্ডাধীশে ইউনিটটো ছিল কৰাৰ লগতে হাইড্ৰ'লিক প্ৰেছ মেচিন জব্দ কৰি বিশ্বনাথ আৰক্ষীক জিম্মাত ৰখাৰ নিৰ্দেশ দিয়ে। আনহাতে, সকলো বৈধ নথি-পত্ৰ দাখিল নকৰালৈকে ইউনিটটোত স্ক্ৰেপ সংগ্ৰহ, প্ৰচেছিং আৰু ব্যৱসায়িক কাৰ্যকলাপ সম্পূৰ্ণৰূপে বন্ধ ৰাখিবলৈও নিৰ্দেশ দিয়া হৈছে।

# মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত বানবিধ্বস্ত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ অৰ্থদান কাৰ্যসূচী




**অসম বাৰ্তা, উজনী মাজুলী, ৪ আগষ্ট ঃ** যোৱাটো বানত বিস্তৰৰূপে ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ জিলাৰ ছখন উচ্চ শিক্ষানুষ্ঠানৰ গ্ৰন্থাগাৰলৈ গ্ৰন্থক্ৰয়ৰ উদ্দেশ্য মাজুলী মহাবিদ্যালয়ৰ পৰিয়ালে আগবঢ়ালে দহ হাজাৰকৈ টকাৰ আৰ্থিক সাহায্য আৰু গ্ৰন্থৰ টোপোলা। মহাবিদ্যালয় পৰিচালনা সমিতিৰ যোৱা ২৯ জুলাইত অনুষ্ঠিত বিশেষ বৈঠকত হোৱা সৰ্বসন্মত সিদ্ধান্ত অনুসৰি, সমিতিৰ সভাপতি আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীৰ পৰামৰ্শক্ৰমে আজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ নেতৃত্বত যোৱা মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা আৰু প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা মাজুলী মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা দুয়োখন জিলাৰ বান ক্ষতিগ্ৰস্ত মহাবিদ্যালয় ক্ৰমে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়, চাৰিং শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, বীৰ লাচিত বৰফুকন মহাবিদ্যালয় আৰু নাজিৰা মহাবিদ্যালয়ত উপস্থিত হৈ মহাবিদ্যালয়কেইখনৰ মুৰব্বীৰ সৈতে কথা পাতি ক্ষয়-ক্ষতিৰ বুজ লয়। লগতে মহাবিদ্যালয়কেইখনৰ অধ্যক্ষ যথাক্ৰমে ড° মানজিৎ গগৈ, ড° বিদ্যানন্দ বৰকাকতী, ড° সৌমাৰজ্যোতি মহন্ত, ড° প্ৰতীম শৰ্মা, ড° পংকজজ্যোতি হাজৰিকা আৰু ড° ৰাজু ফুকনৰ হাতত গ্ৰন্থক্ৰয়ৰ বাবে দহ হাজাৰকৈ টকা প্ৰদান কৰে। মহাবিদ্যালয়খনিৰ তৰফৰ পৰা পৰৱৰ্তী সময়ত যোৰহাট জিলাৰ বানবিধ্বস্ত উচ্চ শিক্ষানুষ্ঠান টীয়ক চিকেবি কলেজৰ গ্ৰন্থাগাৰলৈয়ো গ্ৰন্থক্ৰয়ৰ বাবে অনুদান আগবঢ়াব বুলিও জানিবলৈ দিছে। মাজুলী মহাবিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-কৰ্মচাৰী গোট, ছাত্ৰ একতা সভাৰ সহযোগিতাত গ্ৰহণ কৰা এই ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰাৰ অন্তত সাংবাদিকেৰে হোৱা বাৰ্তালাপত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "মহাবিদ্যালয়কেইখনৰ বানত হোৱা ক্ষয়-ক্ষতিৰ তুলনাত শক্তি অনুসৰি আগবঢ়োৱা আমাৰ অনুদান নিচেই কিঞ্চিত যদিও ইয়াৰ মাধ্যমেৰেই আমি অনুষ্ঠানকেইটিৰ দুখৰ সমভাগী হৈছোঁ আৰু সাহসেৰে এই দুৰ্দিনৰ মুখামুখি হ'বলৈ সামান্য সাহস যোগোৱাৰ বিনম্ৰ প্ৰয়াস কৰিছোঁ মাত্ৰ।" মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীয়ে কেউখন শিক্ষানুষ্ঠানলৈ প্ৰেৰণ কৰা অংগবস্ত্ৰাদিৰ টোপোলা সত্ৰাধিকাৰগৰাকীৰ হৈ ড° শইকীয়াই অধ্যক্ষসকলক প্ৰদান কৰাৰ লগতে মহবিদ্যালয়কেইখনৰ গ্ৰন্থাগাৰলৈ নিজা গ্ৰন্থৰ একোটিকৈ টোপোলা আগবঢ়ায়। মাজুলীৰ প্ৰাচীনতম উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ে বানত ক্ষতিগ্ৰস্ত শিক্ষানুষ্ঠানকেইখনৰ গ্ৰন্থাগাৰলৈ এই দান কৰি মহানুভৱতাৰ পৰিচয় দিয়াৰ বাবে গ্ৰহণ গড়মূৰীয় সত্ৰাধিকাৰ পৰমানন্দদেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিৎ মহন্ত, প্ৰাক্তন অধ্যক্ষদ্বয় সৰ্বেশ্বৰ হাজৰিকা আৰু নৰেন চন্দ্ৰ ঠাকুৰীয়া, মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএগা, জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে শলাগ লৈছে।

# এছপি কাৰ্যালয়ত বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৪ আগষ্ট ঃ** বদলিজনিত উপলক্ষে আজি মৰিগাঁও জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত জিলা আয়ুক্ত অনামিকা তেৱাৰী আৰু অতিৰিক্ত জিলা আয়ুক্তদ্বয় অনুষয়া শৰ্মা, নীতিশা বৰাক সম্বৰ্ধনা জনাই এক বিদায় অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত মৰিগাঁও জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল, অতিৰিক্ত আৰক্ষী অধীক্ষকসকল, জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। অনুষ্ঠানত বদলিকৃত বিষয়াসকলক তেওঁলোকৰ নিষ্ঠাপূৰ্ণ সেৱা, দক্ষ নেতৃত্ব আৰু জিলাখনৰ উন্নয়ন আৰু প্ৰশাসনিক ক্ষেত্ৰলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে সম্বৰ্ধনা জনোৱা হয়। উপস্থিত বিশিষ্টসকলে তেওঁলোকৰ ভৱিষ্যৎ কৰ্মজীৱনৰ সাফল্য কামনা কৰে। বিদায়ী বিষয়াসকলেও মৰিগাঁৱত কৰ্মকালত লাভ কৰা সহযোগিতা আৰু সমৰ্থনৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

# গোলাঘাটৰ ঢেকিয়ালত অৱসৰী শিক্ষকক বিপুল সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ ঢেকিয়ালৰ চেতিয়া গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সত্যেন্দ্ৰ নাথ শইকীয়াই ৩১ জুলাইত বিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰা উদ্দেশ্যে বিদ্যালয়খনত আজি ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰি শিক্ষকগৰাকীক বিপুল সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি গাঁওখনৰ গৰিষ্ঠ সংখ্যক পুৰুষ মহিলাৰ সহযোগত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানটোত উপস্থিত থাকি ভাষণ প্ৰদান কৰে জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক, লেখক মৃদুল শৰ্মাই। শিক্ষাবিদ অনিল শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত মাখন চেতিয়া, উপেন বৰা, নীলিমা বৰবৰা আদিয়েও শিক্ষাগুৰুজনৰ অৱদানৰ কথা সুঁৱৰি কৃতজ্ঞতাসুচক বক্তব্য প্ৰদান কৰে। এজন কৃতী শিক্ষকক বিদায় জনাই ছাত্ৰ-ছাত্ৰীৰ লগতে উপস্থিত সকলো শোকবিহ্বল হৈ পৰা অনুষ্ঠানটো আঁত ধৰে নিতু বৰাই।

# এনডিএৰ 'মংগল মিলন'ত কৌশল নিৰ্ধাৰণ ঃ অংশগ্ৰহণ প্ৰধানমন্ত্ৰী মোদীৰ

কৌশল বৈঠক অনুষ্ঠিত কৰে। সংসদ ভৱনৰ জিএমচি বালযোগী প্ৰেক্ষাগৃহত আয়োজিত 'মংগল মিলন' শীৰ্ষক এই বিশেষ সভাখনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি মিত্ৰজোঁটৰ জ্যেষ্ঠ নেতাসকলে অংশগ্ৰহণ কৰি অহা দিনবোৰৰ কাৰ্যসূচী সম্পৰ্কে দিকনিৰ্দেশনা প্ৰদান কৰে। সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকি মিত্ৰজোঁটৰ সাংসদসকলক সম্বোধন কৰাৰ লগতে সংসদীয় কাম-কাজ সুচাৰুভাৱে আগুৱাই নিবলৈ প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়। এই বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, শিক্ষামন্ত্ৰী প্ৰ াদ যোশী, আৰু কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী জিতেন্দ্ৰ সিঙেও অংশ লয়। ইয়াৰ উপৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভ াপতি নীতিন নবীনেও এই বৈঠকত উপস্থিত থাকি মিত্ৰজোঁটৰ বিভিন্ন দলৰ মাজত সমন্বয় গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে অধিৱেশনৰ সময়ত অনুষ্ঠিত এই 'মংগল মিলন' বৈঠকে সংসদৰ দৈনন্দিন কাম-কাজৰ ব্যৱস্থাপনা আৰু বিভিন্ন মিত্ৰদলৰ মাজত সহমত গঢ়ি তোলাৰ বাবে এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে কাম কৰি আহিছে। এই বৈঠকৰ দ্বাৰা মিত্ৰজোঁটৰ ভিতৰত অভ্যন্তৰীণ ঐক্য আৰু সমন্বয় অধিক মজবুত কৰাৰ লগতে বিৰোধী দলৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিত একক ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হয়। এইবাৰৰ অধিবেশনত বিৰোধী দলসমূহে পৰীক্ষা সংস্কাৰ, ছাত্ৰ-ছাত্ৰীৰ ওপৰত আৰক্ষীৰ ব্যৱহাৰ আৰু ৰাম মন্দিৰ অনুদান সম্পৰ্কীয় বিতৰ্ককে ধৰি একাধিক গুৰুত্বপূৰ্ণ বিষয়ত প্ৰবল প্ৰতিবাদ প্ৰদৰ্শন কৰি আহিছে। এনে প্ৰতিকূল পৰিস্থিতিত মঙলবাৰে অনুষ্ঠিত বৈঠকখনে অহা দিনবোৰত চৰকাৰে কেনেধৰণৰ কৌশল অৱলম্বন কৰিব, তাৰ স্পষ্ট আভাস দিছে। সভাখনত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰতৰ শেহতীয়াকৈ স্বাক্ষৰিত মুক্ত বাণিজ্য চুক্তিসমূহৰ সফলতা আৰু ইয়াৰ কৌশলগত প্ৰভাৱ সম্পৰ্কে মিত্ৰজোঁটৰ সাংসদসকলক অৱগত কৰে। একেদৰে কেন্দ্ৰীয় পঞ্চায়তীৰাজ আৰু মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে দেশৰ মীন খণ্ডৰ অভূতপূৰ্ব উন্নয়ন, চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ আৰু ভৱিষ্যতৰ ৰোডমেপ সম্পৰ্কে বিস্তাৰিতভাৱে ব্যাখ্যা আগবঢ়ায়। ইফালে, 'মংগল মিলন' বৈঠকৰ সূত্ৰে এনডিএ মিত্ৰজোঁটৰ অভ্যন্তৰীণ ৰাজনীতিৰো কিছু চিত্ৰ প্ৰতিফলিত হৈছে। সংখ্যালঘু সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰা এনচিপিআইৰ তিনিজন গুৰুত্বপূৰ্ণ নেতা-আবু তাহেৰ খান, খলিলুৰ ৰহমান আৰু ইউছুফ পাঠানে-যোৱা সপ্তাহৰ বৈঠকৰ দৰেই এইবাৰো অংশগ্ৰহণ কৰা নাই।

# তিতাবৰত বান সাহায্য বিতৰণক লৈ

টকীয়া অন্তৰ্বৰ্তীকালীন সাহায্য বিতৰণক লৈ তিতাবৰ অঞ্চলত তীব্ৰ অশান্তি আৰু চেপা উত্তেজনাৰ সৃষ্টি হৈছে। সাহায্য বিতৰণ প্ৰক্ৰিয়াত স্থানীয় প্ৰশাসন আৰু গাঁওপ্ৰধানৰ বিৰুদ্ধে স্বজন-তোষণ আৰু দুৰ্নীতিৰ অভিযোগে চৰম ৰূপ লৈছে। সঠিক তথ্য নোপোৱা বন্যাৰ্তসকলে যেতিয়া প্ৰশ্ন উত্থাপন কৰিলে, তেতিয়া গাঁওপ্ৰধানজনে এক অভাৱনীয় হিংসাত্মক মনোভাৱ প্ৰদৰ্শন কৰে-যি ঘটনাই সমগ্ৰ অঞ্চলত চাঞ্চল্য সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, তিতাবৰৰ ৯নং মাজগাঁও কৈৱৰ্ত গাঁৱৰ শতাধিক ক্ষুব্ধ বন্যাৰ্তই চৰকাৰী অনুদানৰ সঠিক স্থিতি আৰু বিতৰণ প্ৰক্ৰিয়াৰ বিষয়ে জানিবলৈ স্থানীয় গাঁওপ্ৰধান জয়নাথ দাসৰ ওচৰলৈ যায়। কিন্তু ৰাইজৰ সৈতে সৌজন্যভাৱে কথা পতা বা প্ৰশ্নৰ সঠিক উত্তৰ দিয়াৰ সলনি গাঁওপ্ৰধানগৰাকীয়ে উগ্ৰ ৰূপ ধাৰণ কৰি এখন 'দা' (শস্ত্ৰ) লৈ ৰাইজক আক্ৰমণ কৰিবলৈ আগবাঢ়ি যায়। গাঁওপ্ৰধানৰ এই ভয়াবহ আচৰণ দেখি স্থানীয় ৰাইজ ক্ষোভত ফাটি পৰে আৰু তেওঁলোকেও প্ৰতিৰোধমূলক ভংগিমা গ্ৰহণ কৰে। ৰাইজৰ বিৰোধৰ সন্মুখীন হৈ গাঁওপ্ৰধান জয়নাথ দাস আৰু তেওঁৰ পুত্ৰই ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ বাধ্য হয়। এই ঘটনাই গাঁওখনত আতংক আৰু ক্ষোভ উভয়কে বঢ়াই তুলিছে। অভিযোগ অনুসৰি, ২নং মাজগাঁও কৈৱৰ্ত গাঁৱৰ প্ৰকৃত বানাক্ৰান্ত লোকসকলৰ সঠিক তালিকা প্ৰস্তুত নকৰাকৈ গাঁওপ্ৰধান জয়নাথ দাসে যিসকল লোকৰ ঘৰ-বাৰী বা শস্যৰ কোনো ক্ষতি হোৱা নাই, তেনে 'ভুৱা বানাক্ৰান্ত'সকলক তালিকাভুক্ত কৰি চৰকাৰী অনুদান লাভৰ পথ সুগম কৰি দিয়ে। ফলত চৰকাৰে ঘোষণা কৰা ডাইৰেক্ট বেনিফিট ট্ৰান্সফাৰ (ডি.বি.টি.) ব্যৱস্থাক লংঘন কৰি স্থানীয় পৰ্যায়ত চলা এই অপকৰ্মই প্ৰকৃত গৃহহীন আৰু সৰ্বস্বান্ত বন্যাৰ্তসকলক তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰিছে। সাহায্যৰ নামত অনিয়ম আৰু স্বজনপোষণে চৰম ৰূপ লোৱাত ৰাইজৰ মাজত চৰকাৰী প্ৰকল্পৰ প্ৰতি ক্ষোভ বৃদ্ধি পাইছে। কেৱল ৯নং মাজগাঁৱতে নহয়, তিতাবৰ সমজিলা প্ৰশাসনৰ উদাসীনতাৰ বাবে মেলামাটি পঞ্চায়ত, জোনাকী মণ্ডল গাঁও আৰু পটীয়া গাঁওকে ধৰি একাধিক অঞ্চলত চৰকাৰী সাহায্য বিতৰণত একেধৰণৰ খেলিমেলি আৰু অব্যৱস্থাপনা দেখা গৈছে। মেলামাটি অঞ্চলত যিসকলৰ সম্পত্তিৰ একো ক্ষতি হোৱা নাই, সিহঁতেও সহজতে সাহায্য লাভ কৰিলেও বানত নিজৰ ঘৰ-বেঁচা, শস্য-খেতি, গৰু-ছাগলী সকলো হেৰুওৱা প্ৰকৃত পীড়িতসকলক এই সাহায্যৰ পৰা বঞ্চিত কৰা হৈছে। এনেদৰে গাঁওপ্ৰধান আৰু স্থানীয় বিষয়া-কৰ্মচাৰীৰ দুৰ্নীতি আৰু স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে অতিষ্ঠ হৈ অঞ্চলটোৰ শ শ পুৰুষ-মহিলাই হাতে-হাতে প্লেকাৰ্ড লৈ ৰাজপথলৈ ওলাই আহে। প্ৰতিবাদকাৰীসকলে গাঁওপ্ৰধানৰ 'দাদাগিৰি' আৰু আপত্তিজনক ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে তীব্ৰ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজে কয়, "যি চৰকাৰে বানাক্ৰান্তক সাহায্য দিবলৈ ধন দিয়ে, সেই চৰকাৰৰ নামত এই ধনখন ভুৱা লোকৰ হাতত পৰি আমাৰ দৰে প্ৰকৃত দুখীয়া ৰৈ যায়-এই অন্যায় আমি আৰু সহ্য কৰিব নোৱাৰো।" উল্লেখ্য যে তিতাবৰ সমজিলাৰ প্ৰায়p৩০খন গাঁও বানপানীৰ কবলত পৰিছে। ইমান বৃহৎ সংখ্যক গাঁও ক্ষতিগ্ৰস্ত হোৱাৰ পাছতো সমজিলা প্ৰশাসনে কোনো শৃংখলাবদ্ধ সাহায্য বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰিব পৰা নাই-ইয়াকে ৰাইজে ধিক্কাৰ জনাইছে। ক্ষুব্ধ ৰাইজে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জৰুৰী হস্তক্ষেপ দাবী কৰি কয় যে অনতিবিলম্বে সমগ্ৰ ঘটনাৰ উচ্চপৰ্যায়ৰ তদন্ত আৰম্ভ কৰি গাঁওপ্ৰধান জয়নাথ দাসৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰক, ভুৱা বানাক্ৰান্তৰ নাম বাদ দি প্ৰকৃত বানপীড়িতসকলৰ বেংক একাউণ্টত অনুদান জমা কৰক, আৰু ভৱিষ্যতে এনে স্বজনপোষণৰ পুনৰাবৃত্তি নঘটাবলৈ এক স্বচ্ছ আৰু নিৰপেক্ষ প্ৰণালী প্ৰৱৰ্তন কৰক। এই দাবীসমূহ পূৰণ নকৰালৈকে ৰাইজে আন্দোলন তীব্ৰতৰ কৰি তোলাৰো হুংকাৰ দিছে। অসম চৰকাৰে এই বিষয়ত এতিয়ালৈকে কোনো আনুষ্ঠানিক মন্তব্য প্ৰকাশ কৰা নাই, কিন্তু বানপীড়িত ৰাইজে সোনকালে ন্যায় বিচাৰি মুখ্যমন্ত্ৰী শৰ্মাৰ কাৰ্যালয়লৈ আবেদন জনাইছে। তিতাবৰৰ এই ঘটনাই অসমৰ বান সাহায্য বিতৰণ ব্যৱস্থাৰ ডাঙৰ ত্ৰুটি আৰু স্থানীয় পৰ্যায়ত চলা অনিয়মক পুনৰ ৰাষ্ট্ৰীয় দৃষ্টিগোচৰ কৰাই তুলিছে।

# জনগণনা পৰ্টেলত বাদ পৰিল বড়ো ভাষা

জিলা আয়ুক্ত গোকুল চন্দ্ৰ ব্ৰহ্মক এক স্মাৰক পত্ৰ প্ৰদান কৰি বড়ো ভাষাক জনগণনা ব্যৱস্থাত অন্তৰ্ভুক্ত কৰাৰ দাবী জনায়। উল্লেখযোগ্য যে ভাৰতীয় সংবিধানৰ অষ্টম সূচী অনুসৰি মুঠ ২২টা স্বীকৃত ভাষাৰ ভিতৰত এই স্ব-গণনা পৰ্টেলত কেৱল ১৬টা ভাষাহে উপলব্ধ কৰোৱা হৈছে। বাকী ছটা ভাষাক বাদ দিয়া হৈছে, যাৰ ভিতৰত অন্যতম হৈছেবড়ো ভাষা। ফলত বড়ো অধ্যুষিত বিটিআৰ (বড়োলেণ্ড টেৰিট'ৰিয়েল ৰিজন) অঞ্চলৰ বহুসংখ্যক নাগৰিকে পৰ্টেলত নিজৰ পৰিয়ালৰ তথ্য দাখিল কৰাত অপাৰগতাৰ সন্মুখীন হ'ব পাৰে, কাৰণ এই অঞ্চলৰ সৰহভাগ লোকেই বড়ো ভাষাত সহজে কথা-বতৰা আৰু লিখা-পঢ়া কৰিব পাৰে যদিও বাকী আন ভাষাসমূহত তেনে দক্ষতা নাই। এনে অৱস্থাই জনগণনাৰ তথ্য সংগ্ৰহ প্ৰক্ৰিয়াক জটিল আৰু পক্ষপাতমূলক কৰি তোলাৰ আশংকা কৰিছে ছাত্ৰ সন্থাই। চিৰাং জিলা এবছুৰ সভাপতি দিলীপ বসুমতাৰীয়ে সংবাদ মাধ্যমৰ আগত এক গুৰুত্বপূৰ্ণ ভাষণত কয়, "সংবিধানে স্বীকৃতি দিয়া বড়ো ভাষাক কেন্দ্ৰীয় চৰকাৰে জনগণনাৰ প্ৰ-পত্ৰ আৰু পৰ্টেলৰ পৰা কৰ্তন কৰাটো অতি দুৰ্ভাগ্যজনক আৰু চিন্তনীয়। এই পৰ্টেলত যেতিয়ালৈকেবড়ো ভাষা সন্নিৱিষ্ট নহয়, তেতিয়ালৈকে বিটিচি অঞ্চলত জনগণনা চলোৱাটো এক গুৰুতৰ প্ৰত্যাহ্বান হিচাপে থিয় দিব।" তেওঁ লগতে কয় যে এই সিদ্ধান্তই ভাষাগত গৌৰৱত আঘাত কৰাৰ লগতে অঞ্চলটোৰ জনসাধাৰণক তেওঁলোকৰ মাতৃভাষাত নিজৰ তথ্য প্ৰদানৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰিছে। এই স্মাৰক পত্ৰত ছাত্ৰ সন্থাই আন এক গুৰুত্বপূৰ্ণ দাবীও উত্থাপন কৰিছে। পত্ৰখনত উল্লেখ কৰা হৈছে যে চিৰাং জিলাৰ বহু প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত মাত্ৰ এজন বা দুজন শিক্ষকহে কাৰ্যনিৰ্বাহ কৰি আছে। জনগণনাৰ দায়িত্ব যদি এই শিক্ষকসকলৰ ওপৰতো অৰ্পণ কৰা হয়, তেন্তে সেই বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকল নিয়মীয়া শিক্ষাৰ পৰা বঞ্চিত হোৱাৰ উপৰি গুণগত শিক্ষা লাভ কৰাৰ অধিকাৰো হেৰুৱাব। সেয়ে ছাত্ৰ সন্থাই জিলা আয়ুক্তগৰাকীক আহ্বান জনাইছে যে এনে বিদ্যালয়সমূহৰ শিক্ষকসকলক জনগণনাৰ কৰ্মৰ পৰা সম্পূৰ্ণ ৰেহাই দিয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰক। অন্যথা শিক্ষাৰ মানদণ্ডৰ ওপৰত এই পদক্ষেপৰ দীৰ্ঘম্যাদী নেতিবাচক প্ৰভাৱ পৰিব বুলি তেওঁলোকে সতৰ্কবাণী জাৰি কৰিছে। ইফালে, বড়ো ভাষা বাদ দিয়াৰ এই সিদ্ধান্তৰ প্ৰতিবাদত অন্যান্য বড়ো সংগঠনসমূহেও সোচ্চাৰ হৈ উঠিছে আৰু অহা দিনবোৰত বিভিন্ন অনুষ্ঠান আৰু সমাৱেশৰ জৰিয়তে আন্দোলন তীব্ৰতৰ কৰাৰ ইংগিত দিছে। অঞ্চলটোৰ ৰাইজেও ছাত্ৰ সন্থাৰ এই পদক্ষেপক স্বাগতম জনাই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বড়ো ভাষাক জনগণনা ব্যৱস্থাত অন্তৰ্ভুক্ত কৰিবলৈ সোনকালে সিদ্ধান্ত গ্ৰহণ কৰাৰ দাবী জনাইছে। নিখিল বড়ো ছাত্ৰ সন্থাই ঘোষণা কৰিছে যে চৰকাৰে যেতিয়ালৈকে এই বিষয়ত উপযুক্ত ব্যৱস্থা নলয়, তেতিয়ালৈকে তেওঁলোকে নিজৰ আন্দোলন চলাই যাব আৰু ইয়াক অঞ্চলটোৰ ভাষাগত আৰু শিক্ষাগত অধিকাৰৰ বাবে এক 'মহাসংগ্ৰাম' হিচাপে চিহ্নিত কৰিছে।

# ফুকেট-দিল্লী বিমান দুৰ্ঘটনা যাত্ৰী-ক্ৰু

কেইবাজনো যাত্ৰী আৰু ক্ৰু সদস্য আঘাতপ্ৰাপ্ত হয়। পাইলটে বিমানখন নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয় আৰু প্ৰায় ১১ বজাত দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নিৰাপদে অৱতৰণ কৰে। বিমানখনত মুঠ ১৩৪জন যাত্ৰী আছিল। অৱতৰণৰ লগে লগেই আহতসকলক দ্ৰুত চিকিৎসা প্ৰদানৰ বাবে বিমানবন্দৰৰ চিকিৎসালয়লৈ স্থানান্তৰ কৰা হয়। জানিব পৰা মতে, এই ঘটনাত প্ৰায় ১০জন যাত্ৰী আৰু দুজন ক্ৰু সদস্যক চিকিৎসাৰ বাবে মেডাণ্টা চিকিৎসালয়লৈ নিয়া হয়। কোনো যাত্ৰী গুৰুতৰভাৱে আহত হোৱা নাই বুলি নিশ্চিত কৰা হৈছে যদিও বহুতে সামান্য আঘাত, আৰু মানসিক আঘাতো পাইছে। বিমানখন অৱতৰণৰ পিছত বিমানবন্দৰ কৰ্তৃপক্ষ আৰু এয়াৰ ইণ্ডিয়াৰ বিষয়াসকলে দ্ৰুতভাৱে পৰিস্থিতিৰ মূল্যায়ন কৰি আহতসকলৰ চিকিৎসা আৰু অন্যান্য যাত্ৰীসকলৰ যাত্ৰা সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। এই ঘটনাই বিমান যাত্ৰাত টাৰ্বুলেন্সৰ সম্ভাব্য বিপদ আৰু পাইলটৰ সতৰ্কতাৰ গুৰুত্ব পুনৰ স্মৰণ কৰাই দিছে। বিমানৰ যান্ত্ৰিক অৱস্থা আৰু দুৰ্ঘটনাৰ কাৰণ সম্পৰ্কে বিমান চলাচল কৰ্তৃপক্ষই পৃথক তদন্ত আৰম্ভ কৰিছে।

# স্বাধীনতাৰ দিশত বেলুচিস্তান!

'ৰিপাব্লিক অৱ বেলুচিস্তান'ৰ নেতা মীৰ ইয়াৰ বেলুচে বিশ্বৰ বিভিন্ন দেশত বসবাস কৰা বেলুচ সম্প্ৰদায়ৰ লোকসকলক আহ্বান জনাইছে যে ১১ আগষ্টৰ দিনা তেওঁলোকে নিজ ঘৰ, দোকান, শিক্ষাপ্ৰতিষ্ঠান আৰু ৰাজহুৱা স্থানত স্বাধীন বেলুচিস্তানৰ পতাকা উত্তোলন কৰক আৰু এই দিনটো প্ৰতি বছৰে স্বাধীনতা দিৱস ৰূপে পালন কৰক। তেওঁৰ মতে, এই দিনটো বেলুচ জাতিৰ বাবে এক গৌৰৱময় পৰিচয়ৰ প্ৰতীক হৈ থাকিব। সংগঠনটোৱে লগতে ৰাষ্ট্ৰসংঘ আৰু আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক বেলুচিস্তানক এখন স্বাধীন আৰু সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিবলৈ দাবী জনাইছে। তেওঁলোকৰ মতে, পাকিস্তানৰ অধীনত থাকি বেলুচিস্তানত স্থায়ী শান্তি, উন্নয়ন আৰু ন্যায় স্থাপন সম্ভৱ নহয়, কাৰণ পাকিস্তানে দীৰ্ঘদিন ধৰি এই অঞ্চলত সামৰিক অভিযান, মানৱ অধিকাৰ উলংঘন, ৰাজনৈতিক দমন, আৰু অৰ্থনৈতিক বৈষম্য চলাই আহিছে। ইয়াৰ উপৰিও, ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত এই সংগঠনটোৱে এখন অন্তৰ্বৰ্তীকালীন সংবিধান প্ৰকাশ কৰা বুলি দাবী কৰিছে। তেওঁলোকৰ বক্তব্য অনুসৰি, এই সংবিধানে এখন ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, আৰু সৰ্বসন্মতভাৱে গৃহীত বেলুচিস্তানৰ ৰূপৰেখা দাঙি ধৰে, যিয়ে সকলো নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰিব। বেলুচ আন্দোলনৰ নেতাসকলে পাকিস্তানৰ বিৰুদ্ধে একাধিক অভিযোগ উত্থাপন কৰি আহিছে-যাৰ ভিতৰত উল্লেখযোগ্য হৈছে সামৰিক বাহিনীৰ অত্যাচাৰ, স্থানীয় জনগোষ্ঠীৰ ওপৰত বলপূৰ্বক অৰ্থনৈতিক শোষণ, আৰু কোনো ধৰণৰ ৰাজনৈতিক স্বায়ত্ত্ব শাসন নিদিয়া। তেওঁলোকৰ দাবী যে এই নীতিসমূহে কেৱল বেলুচিস্তানতে নহয়, সমগ্ৰ দক্ষিণ এছিয়াতো অস্থিৰতা আৰু অশান্তিৰ পৰিৱেশ সৃষ্টি কৰিছে। বেলুচিস্তানৰ এই স্বাধীনতা দাবীয়ে পুনৰবাৰ পাকিস্তান চৰকাৰৰ বাবে এক গুৰুতৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। পাকিস্তানে এতিয়ালৈকে এই ঘোষণাৰ কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই, কিন্তু দেশখনৰ গোয়েন্দা আৰু সামৰিক মহলে অতি গুৰুত্বসহকাৰে পৰিস্থিতি নিৰীক্ষণ কৰি থকা বুলি জানিব পৰা গৈছে। ইফালে, বেলুচিস্তানৰ স্বাধীনতা সমৰ্থকসকলে ৰৰ আগষ্টৰ দিনটোক এক ঐতিহাসিক পৰ্যায় হিচাপে চিহ্নিত কৰিবলৈ যথেষ্ট প্ৰস্তুতি চলাইছে, যাৰ ফলত অহা সপ্তাহত অঞ্চলটোৰ ৰাজনৈতিক পটভূমি আৰু অধিক উত্তপ্ত হোৱাৰ সম্ভাৱনা আছে।

# জামিনৰ পাছতো এনএছএত প্ৰণৱ

(এন এছ এ)ৰ অধীনত গ্ৰেপ্তাৰ কৰা হয়। এই ঘটনাই আম আদমি পাৰ্টীৰ অসম ৰাজ্যিক সমিতিৰ তীব্ৰ ক্ষোভ আৰু গৰিহণাৰ সৃষ্টি কৰিছে। দলটোৱে এই কাৰ্যক বিজেপি চৰকাৰৰ 'স্বৈৰাচাৰী' আৰু 'ভীতি প্ৰদৰ্শক' মনোভাৱৰ পৰিচায়ক বুলি অভিহিত কৰি তাৎক্ষণিক মুক্তিৰ দাবী জনাইছে। আম আদমি পাৰ্টীৰ ৰাষ্ট্ৰীয় তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাই আজি এক বিবৃতি প্ৰকাশ কৰি কয় যে বৰ্তমান বিজেপি চৰকাৰৰ কাম-কাজৰ বিৰুদ্ধে কোনো নাগৰিকে অকল্পনীয় প্ৰশ্ন উত্থাপন কৰিলে বা সমালোচনা কৰিলে তেওঁক গ্ৰেপ্তাৰ কৰি জেললৈ পঠোৱাটো যেন এক 'নিয়মত' পৰিণত হৈছে। তেওঁ লগতে কয় যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত হোটেল বা ৰিজ'ৰ্ট স্থাপনৰ বিৰোধিতা কৰাটো কেতিয়াও ৰাষ্ট্ৰীয় সুৰক্ষাৰ লগত জড়িত কোনো বিষয় হ'ব নোৱাৰে, গতিকে এই ক্ষেত্ৰত এন এছ এ প্ৰয়োগ কৰাটো সম্পূৰ্ণ অনৈতিক আৰু আইনবিৰুদ্ধ। ৰাজেশ শৰ্মাই ইয়াৰ আগতে লাডাখৰ শিক্ষাবিদ তথা সমাজকৰ্মী সোনম বাংচুকক একেধৰণে এন এছ এৰ অধীনত গ্ৰেপ্তাৰ কৰি কাৰাগাৰত আবদ্ধ কৰি ৰখা উদাহৰণো উল্লেখ কৰে। তেওঁৰ মতে, বিজেপি চৰকাৰে এই আইনৰ অপপ্ৰয়োগৰ যোগেদি এজন সাধাৰণ নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ ৰুদ্ধ কৰিবলৈ চেষ্টা কৰিছে, যিটো এক গুৰুতৰ উদাহৰণ। তেওঁ কয় যে কাজিৰঙাৰ দৰে সংবেদনশীল পৰিৱেশ অঞ্চলত পৰ্যটন স্থাপনৰ বিৰুদ্ধে মাত মতাটো নাগৰিকৰ বৈধ অধিকাৰ, ইয়াক ৰাষ্ট্ৰীয় সুৰক্ষাৰ লগত সংযোগ কৰি থকাটো অপসাৰণমূলক কাৰ্য্য। ইফালে, আম আদমি পাৰ্টী অসমৰ ভাৰপ্ৰাপ্ত ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়েও এক পৃথক বিবৃতিত প্ৰণৱ দলেক নিঃচৰ্তে মুক্তি দিয়াৰ দাবী জনাইছে। তেওঁ চৰকাৰক কয় যে নাগৰিকৰ প্ৰতিবাদী কণ্ঠ ৰোধ কৰিবলৈ এন এছ এৰ দৰে কঠোৰ আইন প্ৰয়োগ কৰাৰ বিপৰীতে কাজিৰঙাত ৰিজ'ৰ্ট খোলাৰ বিষয়টো সম্পৰ্কে স্থানীয় ৰাইজ আৰু পৰিৱেশবিদসকলৰ সৈতে মুকলিকৈ আৰু স্বচ্ছভাৱে আলোচনা কৰক। ডাঃ ভবেন চৌধুৰীয়ে উল্লেখ কৰে যে এন এছ এ আইনখন অতি সংবেদনশীল আৰু ইয়াক কেৱল অত্যন্ত গুৰুতৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰা উচিত, কিন্তু বৰ্তমান চৰকাৰে এই আইনক ৰাজনৈতিক বিদ্বেষ দমনৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি আছে। ডাঃ চৌধুৰীয়ে দাবী কৰে যে ৰাজ্যখনত যি কোনো ন্যায়বান নাগৰিকক ন্যায়িক প্ৰক্ৰিয়া মানি চলাৰ পূৰ্ণ অধিকাৰ দিয়াটো চৰকাৰৰ দায়িত্ব, কিন্তু ইয়াৰ পৰিৱৰ্তে চৰকাৰে 'আইন নিজ হাতত লোৱা' মনোভাৱ প্ৰদৰ্শন কৰি ৰাইজৰ মাজত আতংক বিস্তাৰ কৰিবলৈ চেষ্টা চলাইছে। প্ৰণৱ দলেকৰ পুনৰ গ্ৰেপ্তাৰক লৈ অসমৰ বিভিন্ন ৰাজনৈতিক আৰু সামাজিক সংগঠনসমূহেও উদ্বেগ প্ৰকাশ কৰিছে আৰু এই ঘটনাই অসমৰ গণতান্ত্ৰিক পৰিৱেশক অশনি সংকেত দিছে বুলি মত প্ৰকাশ কৰিছে।

# পানীত জঁপিয়াব পৰা মুখ্যমন্ত্ৰী

সকলোকে চমকিত কৰে। অখিল গগৈয়ে কয়, "আজি মই অসমৰ ৰাজনীতিত আটাইতকৈ সুখী মানুহ। কাৰণ মুখ্যমন্ত্ৰীয়ে আমাৰ বান সমস্যাৰ ছবি প্ৰত্যক্ষভাৱে বুজিবলৈ এক কঁকাল পানীত নামি খোজ কাঢ়ি দেখুৱাইছে। এনে এজন মুখ্যমন্ত্ৰী যিয়ে সমস্যা অনুভৱ কৰিবলৈ নিজে পানীত জঁপিয়াই পৰে, তেওঁক মই মোৰ জীৱনকালত দেখা নাছিলো।" তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা অত্যন্ত শক্তিশালী আৰু এক্সপাৰ্ট ব্যক্তি, আৰু বান পৰিস্থিতি মোকাবিলা কৰাৰ ক্ষেত্ৰত তেওঁ যি দক্ষতা প্ৰদৰ্শন কৰিছে, তাৰ কৃতিত্ব তেওঁক দিয়াটো প্ৰয়োজনীয়। বিধায়ক গগৈয়ে অধিক উৎসাহেৰে কয়, "মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মই ক্ৰেডিট দিবই লাগিব। তেওঁ আমাৰ বন্যাৰ্তসকলৰ মাজলৈ নিজে গৈ, তেওঁলোকৰ দুৰ্দশা অনুভৱ কৰিছে আৰু তাৎক্ষণিকভাৱে প্ৰয়োজনীয় সহায়ৰ ব্যৱস্থা কৰিছে। এনে আত্মনিষ্ঠ নেতৃত্ব অসমৰ ইতিহাসত বিৰল।" ইয়াৰ সমান্তৰালভাৱে মুখ্যমন্ত্ৰীৰ বান সাহায্য বিতৰণ সম্পৰ্কে অখিল গগৈয়ে কিছু নতুন দাবীও আগবঢ়ায়। তেওঁ কয় যে চৰকাৰে বানপীড়িত স্কুলসমূহক মাথোঁ চ লাখ টকাকৈ দিয়াৰ পৰিৱৰ্তে অধিক ধনৰ প্ৰয়োজন। একেদৰে নামঘৰসমূহ.কA৩ লাখ টকাকৈ দিয়াটোও যথেষ্ট নহয় বুলি মন্তব্য কৰি তেওঁ মুখ্যমন্ত্ৰীৰ ওচৰত বৃহৎ পৰিমাণৰ সাহায্য ঘোষণা কৰিবলৈ আহ্বান জনায়। কিন্তু এই সমালোচনা এতিয়া প্ৰশংসাৰ মাজত আবৃত হৈ পৰিছে, কাৰণ তেওঁ নিজেই স্বীকাৰ কৰিছে যে বানৰ এই সংকটময় মুহূৰ্তত মুখ্যমন্ত্ৰীয়ে যি নিষ্ঠা আৰু সাহস প্ৰদৰ্শন কৰিছে, সেয়া প্ৰশংসনীয়। উল্লেখ্য যে অখিল গগৈ এতিয়ালৈকে মুখ্যমন্ত্ৰী শৰ্মাৰ ঘোৰ সমালোচক হিচাপে পৰিচিত আছিল। কিন্তু আজি তেওঁৰ এই হঠাৎ ৰূপান্তৰে ৰাজনৈতিক মহলত চাঞ্চল্য সৃষ্টি কৰিছে। বিধায়ক গগৈয়ে স্বীকাৰ কৰে যে "পানীত জঁপিয়াই যাব পৰা এনে মুখ্যমন্ত্ৰী মই আজিলৈকে দেখা নাছিলো-অসমৰ ৰাজনৈতিৰ ইতিহাসতো সম্ভৱতঃ তেওঁ দ্বিতীয়জন যিয়ে নিজে বিপদ বুজিবলৈ আগুৱাই যায়।" অখিল গগৈৰ এই প্ৰশংসামূলক মন্তব্যে সমাজ মাধ্যমতো ব্যাপক চৰ্চা লাভ কৰিছে। অনেকে ইয়াক ৰাজনৈতিক পৰিণতি বা নতুন সমীকৰণৰ সূচনা বুলি মত প্ৰকাশ কৰিছে। আনহাতে কিছু মহলে ইয়াক বান দুৰ্যোগৰ সময়ত দলীয় নিৰ্বিশেষে একতাৰ প্ৰমাণ বুলিও অভিহিত কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যদিও এই প্ৰশংসাৰ কোনো আনুষ্ঠানিক উত্তৰ দিয়া নাই, কিন্তু অখিল গগৈৰ এই বক্তব্যে অসমৰ ৰাজনৈতিক পটভূমিত এক নতুন অধ্যায়ৰ সূচনা কৰা বুলি ধাৰণা কৰিছে ৰাজনৈতিক বিশ্লেষকসকলে।

# ১৭টা দিনৰ অন্তত বান বিধ্বস্ত

মঙলবাৰে তেওঁ ডিব্ৰুগড়তে বাহৰ পাতি ৰাতি কটায়। বুধবাৰে পুৱা পৰা কেন্দ্ৰীয় মন্ত্ৰী নাড্ডাই শিৱসাগৰ, চৰাইদেউ আৰু নাজিৰাৰ কেইবাটাও বান বিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰাৰ কথা সূচী অনুসৰি থিৰ কৰা হৈছে। এই পৰিদৰ্শনৰ জৰিয়তে তেওঁ বানৰ ফলত হোৱা ক্ষয়ক্ষতি, মানুহৰ দুৰৱস্থা, আৰু ৰাজ্য চৰকাৰে চলোৱা উদ্ধাৰ আৰু সকাহ কাৰ্য্যৰ প্ৰত্যক্ষ মূল্যায়ন কৰিব। অসমৰ বান পৰিস্থিতি সম্পৰ্কে বিস্তাৰিত বুজ লোৱাৰ পিছত কেন্দ্ৰীয় মন্ত্ৰীজনে নাগালেণ্ডৰ মন জিলালৈ যাত্ৰা কৰিব, য'ত শেহতীয়াকৈ বানপানীয়ে এক ভয়াবহ ৰূপ ধাৰণ কৰিছিল। মন জিলাত ৰাজ্যৰ মন্ত্ৰীসকলৰ লগত বৈঠক কৰি বান পৰিস্থিতিৰ ওপৰত গভীৰ আলোচনা চলাব বুলি জানিব পৰা গৈছে। নাড্ডাৰ এই ভ্ৰমণ সূচী অনুসৰি, ৬ আগষ্টত তেওঁ অৰুণাচল প্ৰদেশলৈ যাব আৰু সেই ৰাজ্যৰ বান পৰিস্থিতিও পৰ্যালোচনা কৰিব। সূত্ৰই জানিবলৈ দিয়া মতে, উজনি অসমৰ বানৰ গভীৰতা আৰু সংহাৰী ৰূপ লক্ষ্য কৰি কেন্দ্ৰীয় চৰকাৰে অন্তৰ্ভুক্ত ক্ষতিপূৰণ পেকেজ ঘোষণা কৰিব পাৰে, আৰু সেই পেকেজৰ আধাৰ নিৰ্ধাৰণত নাড্ডাৰ এই পৰিদৰ্শনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উল্লেখ্য যে যোৱা ১৯ জুলাইত নগা পাহাৰৰ পৰা নামি অহা পানীয়ে চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত এক অভূতপূৰ্ব বান দুৰ্যোগৰ সৃষ্টি কৰিছিল। এই জিলাসমূহত প্ৰায় ৮৭ গৰাকী লোকৰ মৃত্যু হোৱাৰ উপৰিও বহু গাঁও সম্পূৰ্ণৰূপে পানীৰ তলত বুৰ গৈছে, ঘৰ-বাৰী, শস্য-খেতি, গৰু-ছাগলী সকলো নিঃশেষ হৈ পৰিছে। বৰ্তমান পানীৰ পৰিমাণ কিছু পৰিমাণে হ্ৰাস পালেও হাজাৰ হাজাৰ বন্যাৰ্তই এতিয়াও আশ্ৰয়শিবিৰত দিন কটাবলগীয়া হৈছে। তেওঁলোকৰ মাজত খাদ্য, পানী, বস্ত্ৰ আৰু চিকিৎসা সেৱাৰ অভাৱে এক গভীৰ সংকটৰ সৃষ্টি কৰিছে। ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দল, সামাজিক সংগঠন আৰু ৰাইজে দীৰ্ঘদিন ধৰি দাবী জনাই আহিছিল যে প্ৰধানমন্ত্ৰী বা গৃহমন্ত্ৰীয়ে অসম ভ্ৰমণ কৰি বানপীড়িতসকলৰ দুৰ্দশা প্ৰত্যক্ষভাৱে চাওক। সেই দাবীৰ প্ৰেক্ষাপটতে জে পি নাড্ডাৰ এই ভ্ৰমণে বিশেষ তাৎপৰ্য বহন কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শন শেষত কি ধৰণৰ সিদ্ধান্ত আৰু ঘোষণা আগবঢ়ায়, সেই দিশলৈ সমগ্ৰ ৰাজ্যই এতিয়া আশাৰে চাই আছে।

# চৰাইদেউত ১০ আগষ্টলৈ গৰম বন্ধ

পেগুৱে মঙলবাৰে সোণাৰি নগৰৰ কেইবাখনো বানপীড়িত বিদ্যালয় পৰিদৰ্শন কৰি প্ৰত্যক্ষভাৱে ক্ষয়ক্ষতিৰ মূল্যায়ন কৰে। তেওঁ বিদ্যালয়সমূহৰ শ্ৰেণীকোঠা, পুথিভঁৰাল, প্ৰয়োগশালা, আৰু কম্পিউটাৰ লেবসমূহৰ অৱস্থা পৰ্যবেক্ষণ কৰে আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত আলোচনা কৰি যাতে অতি সোনকালে বিদ্যালয়সমূহত স্বাভাৱিক শিক্ষাদান কাৰ্য আৰম্ভ কৰিব পাৰি, তাৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়। পৰিদৰ্শনৰ শেষত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংবাদ মাধ্যমক জনায় যে বৰ্তমান চৰাইদেউ জিলাৰ বিদ্যালয়সমূহ পানীৰ তলত নাই যদিও শিক্ষাৰ অনুকূল পৰিৱেশ গঞ্জি তোলাৰ বাবে কিছু সময়ৰ প্ৰয়োজন। সেয়েহে তেওঁ জানিবলৈ দিয়ে যে চৰাইদেউ জিলাত গৰম বন্ধৰ সময়সীমা ৰঙ্খ আগষ্টলৈকে বৃদ্ধি কৰা হৈছে, আৰু ইতিমধ্যে ১০ তাৰিখৰ পাছত বিদ্যালয়সমূহ খোলাৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি চলাই থকা হৈছে। তেওঁ কয় যে মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অগ্ৰাধিকাৰ দি পাঠদান আৰম্ভ কৰাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা চলোৱা হৈছে, কাৰণ তেওঁলোকৰ বাৰ্ষিক পৰীক্ষা আৰু ভৱিষ্যতৰ পঢ়া-শুনাৰ বাবে সময়মতে ক্লাছ আৰম্ভ হোৱাটো অত্যন্ত জৰুৰী। ইয়াৰ উপৰি চৰকাৰে বানত ক্ষতিগ্ৰস্ত হোৱা প্ৰতিখন বিদ্যালয়ক চ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, যাতে বিদ্যালয়সমূহে নিজৰ আন্তঃগাঁথনি মেৰামতি আৰু প্ৰয়োজনীয় উপকৰণ কিনাত ব্যৱহাৰ কৰিব পাৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে বিশেষভাৱে কয় যে ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহত চৰকাৰী পক্ষৰ পৰা কম্পিউটাৰ, লেপটপ, টেলিভিছন (টেলেট) আদি ইলেক্ট্ৰনিক সামগ্ৰী সোনকালে প্ৰদান কৰাৰ ব্যৱস্থা চলাই থকা হৈছে, যাতে ডিজিটেল শিক্ষা আৰু আধুনিক শিক্ষা উপকৰণ যাতে ব্যাহত নহয়। শিক্ষামন্ত্ৰীগৰাকীয়ে পৰিদৰ্শন কালত স্থানীয় প্ৰশাসন আৰু বিদ্যালয় পৰিচালনা সমিতিকো আহ্বান জনায় যে বিদ্যালয়সমূহৰ পৰিচ্ছন্নতা, পানী যোগান আৰু পায়খানা-প্ৰস্ৰাৱালয়ৰ স্বাস্থ্যসন্মত অৱস্থা নিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব দিয়ক, কাৰণ বানোত্তৰ পৰিৱেশত ৰোগৰ সম্ভাৱনা অধিক থাকে। তেওঁ আশ্বাস দিয়ে যে চৰাইদেউ জিলাৰ শিক্ষাক্ষেত্ৰক পুনৰুজ্জীৱিত কৰিবলৈ চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই থাকিব আৰু কোনো বিদ্যালয় যাতে শিক্ষাবঞ্চিত নহয়, তাৰ দিশত সজাগ দৃষ্টি ৰখা হৈছে। এই সিদ্ধান্ত আৰু মন্ত্ৰীৰ পৰিদৰ্শনে বানপীড়িত চৰাইদেউৰ শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে।

# তামিলনাডুৰ বিৰোধী

সূত্ৰপাত হয় সোমবাৰে অনুষ্ঠিত এখন ৰাজনৈতিক সমাবেশত। সেই সভাত উদয়নিধিয়ে কৰা মন্তব্যক লৈ টিভিকে (টিভিকে). দলে তীব্ৰ আপত্তি জনায় আৰু বিষয়টো ৰাজ্যজুৰি চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰে। আৰক্ষীয়ে মঙলবাৰে পুৱা উদয়নিধিৰ বাসগৃহত অভিযান চলাই তেওঁক গ্ৰেপ্তাৰ কৰি নিয়ে। গ্ৰেপ্তাৰী প্ৰক্ৰিয়াৰ সময়তো উদয়নিধিক হাঁহিমুখে দেখা যায়। তেওঁ এই গ্ৰেপ্তাৰক "ধেমালি" বুলি অভিহিত কৰি কয় যে বিষয়টো তেওঁ আইনীভাৱে মোকাবিলা কৰিব। ইফালে, ডিএমকে দলে এই পদক্ষেপক ৰাজনৈতিক প্ৰতিশোধ বুলি অভিযোগ তোলে। দলৰ নেতা টি কে এছ ইলাংগোভানে স্পষ্টভাৱে কয় যে উদয়নিধিয়ে কাৰো অপমান কৰা নাছিল আৰু অভিনেত্ৰী তৃষাৰ নামো তেওঁ উল্লেখ কৰা নাছিল। ডিএমকেৰ দাবী অনুসৰি, উদয়নিধিৰ বক্তব্য সম্পূৰ্ণৰূপে সঠিক প্ৰসংগৰ পৰা বিকৃত কৰি দেখুওৱা হৈছে আৰু ইয়াৰ পিছতেই আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰাৰ সিদ্ধান্ত লৈছে। ঘটনাটোৱে নতুন মোৰ লয় যেতিয়া মাদ্ৰাজ উচ্চ ন্যায়ালয়ে আৰক্ষীক সোধ-পোছ সম্পূৰ্ণ কৰাৰ পিছতেই উদয়নিধিক মুকলি কৰি দিবলৈ নিৰ্দেশ দিয়ে। আদালতে লগতে তদন্তত প্ৰয়োজন অনুসৰি সহযোগিতা কৰিবলৈ উদয়নিধিক নিৰ্দেশ দিয়ে। ৰাজ্যৰ এডভোকেট জেনেৰেল বিজয় নাৰায়ণনে আদালতক অৱগত কৰে যে আৰক্ষীৰ উদয়নিধিক ন্যায়িক জিম্মাত বিচাৰৰ কোনো পৰিকল্পনা নাছিল আৰু সোধ-পোছ শেষ হোৱাৰ পিছতেই থানাৰ পৰাই তেওঁক জামিনত মুকলি কৰি দিয়া হ'ব। উদয়নিধিৰ গ্ৰেপ্তাৰ আৰু পিছমুহূৰ্ততে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশে তামিলনাডুৰ ৰাজনীতিত এক নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। বিৰোধী দলসমূহে চৰকাৰৰ এই পদক্ষেপক গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি আঘাত বুলি অভিহিত কৰিছে, আনহাতে শাসক দলটোৱে কোনো আনুষ্ঠানিক মন্তব্য প্ৰকাশ কৰা নাই। ৰাজনৈতিক বিশ্লেষকসকলে ধাৰণা কৰে যে আগন্তুক দিনবোৰত এই ঘটনাই অধিক চৰ্চিত হৈ থাকিব আৰু ৰাজ্যৰ ৰাজনৈতিক সমীকৰণত ইয়াৰ প্ৰভাৱ পৰিব। এতিয়ালৈকে উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশ অনুসৰি উদয়নিধিক মুক্তি দিয়া হৈছে যদিও এই গোচৰক লৈ ৰাজনৈতিক মহলত বিতৰ্ক আৰু তীব্ৰ হৈ উঠাৰ সম্ভাৱনা দেখা গৈছে।

# নাগালেণ্ড সীমান্তৱৰ্তী এলেকাত হোৱা

নিয়ন্ত্ৰণৰ বাবে দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁৰ মতে, সংবেদনশীল আৰু বানপ্ৰৱণ অঞ্চলসমূহত সুৰক্ষামূলক মথাউৰি নিৰ্মাণ কৰিবলৈ স্থানীয় ভূম্যধিকাৰীসকলৰ সক্ৰিয় সহযোগিতা অতি প্ৰয়োজন, কাৰণ ভূমি অধিগ্ৰহণ আৰু প্ৰশাসনিক অনুমোদনৰ বিভিন্ন জটিলতা আছে। সেইবাবেই ৰাইজৰ সহযোগিতা অবিহনে এই প্ৰকল্পসমূহ সফলভাৱে ৰূপায়ণ কৰাটো কঠিন বুলি তেওঁ স্পষ্ট কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানীৰ স্তৰ অস্বাভাৱিকভাৱে বৃদ্ধি হোৱাৰ বাবে বহু ঠাইত পানী নিষ্কাশন ব্যৱস্থা ধীৰ হৈ পৰিছে বুলি উল্লেখ কৰে। তেওঁ কয় যে কিছুমান ৰাষ্ট্ৰীয় ঘাইপথ আৰু বান্ধেও পানীৰ স্বাভাৱিক গতি প্ৰতিহত কৰি বানৰ তীব্ৰতা বঢ়াইছে, গতিকে সেই স্থানসমূহত অতিৰিক্ত ক্ৰছ-ড্ৰেনেজ নিৰ্মাণ কৰিবলৈ সংশ্লিষ্ট কেন্দ্ৰীয় কৰ্তৃপক্ষক অনুৰোধ জনোৱা হৈছে। তেওঁ আশ্বাস দিয়ে যে এনে পদক্ষেপে আগন্তুক বৰ্ষত বানৰ তীব্ৰতা কিছু পৰিমাণে হ্ৰাস কৰিবলৈ সহায় কৰিব। সমান্তৰালভাৱে, মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে ৯ আগষ্টৰ পৰা বানপীড়িত ঘৰ-বাৰী, শস্য ক্ষেত্ৰ, আৰু ৰাজহুৱা সম্পত্তিৰ ক্ষয়-ক্ষতিৰ মূল্যায়ন জৰীপ আৰম্ভ কৰা হ'ব। এই জৰীপৰ তথ্যৰ ভিত্তিত চৰকাৰে ক্ষতিগ্ৰস্তসকলক ন্যায্য ক্ষতিপূৰণ আৰু পুনৰসংস্থাপন সহায় প্ৰদানৰ কাম খৰতকীয়া গতিৰে আগুৱাই নিব। তেওঁ কয় যে প্ৰশাসনক প্ৰকৃত পীড়িতসকলৰ তথ্য সংগ্ৰহ আৰু সহায় বিতৰণত কোনো ধৰণৰ অৱহেলা বা অনিয়ম নকৰিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে। এই ঘোষণাই বানপীড়িত ৰাইজৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে যদিও নাগালেণ্ডৰ খনন কাৰ্য আৰু অসমৰ বানৰ সম্পৰ্কক লৈ চলি থকা বিতৰ্কই ৰাজ্যৰ ৰাজনৈতিক আৰু পৰিৱেশ মহলত গুৰুত্বপূৰ্ণ আলোচনাৰ সূত্ৰপাত কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ বৈজ্ঞানিক অধ্যয়ন আৰু কেন্দ্ৰীয় হস্তক্ষেপৰ ওপৰত গুৰুত্ব থকা এই মন্তব্যক বহুতে স্বাগতম জনাইছে, আনহাতে কিছু মহলে ইয়াক সময়সাপেক্ষ প্ৰক্ৰিয়া বুলি সমালোচনা কৰিছে। অসম চৰকাৰে এতিয়া ৯ আগষ্টৰ জৰীপ আৰু কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনাৰ জৰিয়তে এই সংকটৰ সমাধান উলিওৱাৰ দিশত আগবাঢ়িছে।

# "বান-সাহায্যক ৰাজনীতিকৰণ নকৰিব!"

দলৰ অনুগত একাংশই সমতা, ঐক্য আৰু সহমৰ্মিতাৰ বিপৰীতে দলীয় অনুগত্যতাক প্ৰাধান্য দিয়াৰ লগতে বন্যাৰ্তৰ বাবে যোগান ধৰা সাহায্য সামগ্ৰী আত্মসাৎ কৰি একাংশই ন্যস্তস্বাৰ্থ সিদ্ধিৰ বাবে উঠি-পৰি লাগিছে। এই অভিযোগ নিষিদ্ধ ঘোষিত সংগঠন আলফা স্বাধীনৰ। সংগঠনটোৱে ৰাইজৰ কৰ-কাটলৰ ধনেৰে বানাক্ৰান্তলৈ অহা সাহায্য সামগ্ৰী আত্মসাৎ তথা লুণ্ঠনকাৰীক এনে নিকৃষ্ট কাণ্ডৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱাৰ লগতে চৰকাৰক ইয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহবান জনায়। যদি চৰকাৰে এই সন্দৰ্ভত কোনো পদক্ষেপ গ্ৰহণ নকৰে, তেন্তে আলফা স্বাধীনে এনে লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলিও হুংকাৰ দিয়ে। আলফা স্বাধীন সভাপতি জেনেৰেল পৰেশ অসমৰ হৈ প্ৰচাৰ বিভাগৰ সহঃ সম্পাদক চয় লেফটেনেণ্ট অনুৰণন অসমে আজি সংবাদ মাধ্যমলৈ প্ৰদান কৰা এক বিবৃতিত উল্লেখ কৰা অনুসৰি, চৰকাৰে যি ধনেৰে বন্যাৰ্তসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰচেষ্টা হাতত লৈছে, সেই ধনৰ মূল উৎস হৈছে জনসাধাৰণে দিয়া কৰ-কাটল। বিবৃতিটোত সংগঠনটোৱে লগতে উল্লেখ কৰা অনুসৰি, আলফা (স্বাঃ)ৰ অনুৰোধমৰ্মেও দেশ (অসম)-বিদেশৰ বহু মানৱদৰদী ব্যক্তি, সংগঠন আৰু প্ৰতিষ্ঠানে দুৰ্যোগ-পীড়িতসকলৰ সহায়ৰ উদ্দেশ্য চৰকাৰী (?) সাহায্য পুঁজিৰ উপৰি বিভিন্ন মাধ্যমেৰে যি সাহায্য-অনুদান আগবঢ়াইছে, সেয়াও কোনো ব্যক্তি, দল বা গোটৰ সম্পত্তি নহ'য়; ই সমগ্ৰ জনসাধাৰণৰ সম্পদ। বানপীড়িত মানুহৰ ওপৰত ৰাজনীতি কৰাটো ৰাজনৈতিক মূল্যবোধৰ পৰিপন্থী। বান সাহায্য বিতৰণত ৰাজনৈতিক পৰিচয়, দলীয় সমৰ্থন, জাতি, ধৰ্ম, ভাষা বা অন্য কোনো পক্ষপাতিত্ব কৰাটো একেবাৰে অনুচিত। যদি কোনো ঠাইত দলীয় আনুগত্যৰ ভিত্তিত সাহায্য প্ৰদান কৰা হয় বা কোনো দুৰ্গতক বঞ্চিত কৰা হয়, তেন্তে সেয়া ন্যায়, সমতা আৰু মানৱীয়তাৰ মূল নীতিৰ পৰিপন্থী। যি গৰাকী বানপীড়িত লোক অধিক ক্ষতিগ্ৰস্ত হৈছে, তেওঁৰ প্ৰয়োজন অনুসৰিয়েই সাহায্য লাভ কৰাৰ অধিকাৰ আছে। দুৰ্যোগৰ সময়ত সকলো নাগৰিক একে মৰ্য্যাদা আৰু অধিকাৰৰ অধিকাৰী। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত চৰকাৰী বান-সাহায্য কোনো ৰাজনৈতিক অনুগ্ৰহ নহয়; ই জনসাধাৰণৰ ন্যায্য অধিকাৰ বুলি কৈ চৰকাৰক এই ক্ষেত্ৰত কোনো ধৰণৰ বৈষম্য প্ৰদৰ্শন নকৰিবলৈ দাবী জনোৱাৰ লগতে একাংশ ন্যস্ত স্বাৰ্থকাৰীক কঠোৰ সকীয়নিও প্ৰদান কৰে সংগঠনটোৱে।

# শিশুৰ মৰ্যাদা ৰক্ষাত অসম আৰক্ষীৰ

সতৰ্কবাণী আৰু পৰামৰ্শ আগবঢ়াইছে। আৰক্ষী বিভাগে নিজৰ এক্স (X) হেণ্ডেলত প্ৰকাশ কৰা পোষ্টযোগে স্পষ্টভাৱে উল্লেখ কৰিছে যে বানৰ দৃশ্য প্ৰচাৰৰ সময়ত শিশুৰ সুৰক্ষা, গোপনীয়তা আৰু মৰ্যাদা ৰক্ষা কৰাটো সৰ্বোচ্চ অগ্ৰাধিকাৰ হ'ব লাগে। এই নিৰ্দেশনাসমূহ কেৱল গণমাধ্যমকৰ্মী বা সাংবাদিকৰ বাবেই নহয়, যিকোনো সামাজিক মাধ্যমৰ ব্যৱহাৰকাৰী আৰু কণ্টেণ্ট সৃষ্টিকৰ্তাৰ বাবেও প্ৰযোজ্য বুলি স্পষ্ট কৰা হৈছে। অসম আৰক্ষীয়ে দিয়া পৰামৰ্শসমূহৰ ভিতৰত অন্যতম হৈছে-শিশুৰ ফটো বা ভিডিঅ' শ্বেয়াৰ কৰাৰ আগতে তেওঁলোকৰ মুখমণ্ডল সম্পূৰ্ণৰূপে 'ব্লাৰ' (অস্পষ্ট) কৰি ল'ব লাগে, যাতে তেওঁলোকৰ পৰিচয় সুৰক্ষিত থাকে। একেদৰে শিশুৰ নাম, ঠিকনা, বিদ্যালয়ৰ নাম বা সঠিক অৱস্থান সম্পৰ্কীয় কোনো তথ্য প্ৰকাশ কৰিব নোৱাৰি। লগতে আৰক্ষীয়ে কণ্টেণ্ট ক্ৰিয়েটৰসকলক স্পষ্টভাৱে কৈছে যে তেওঁলোকে বানপীড়িত শিশুৰ সাক্ষাৎকাৰ ল'ব নোৱাৰে বা তেওঁলোকক সেই ভয়াৱহ আৰু দুখজনক অভিজ্ঞতা পুনৰ বৰ্ণনা কৰিবলৈ বাধ্য কৰাব নোৱাৰে-কাৰণ এনে কৰিলে শিশুটিৰ মানসিক আঘাত আৰু গভীৰ হ'ব পাৰে। ইয়াৰ উপৰি, কোনো শিশু বিপদত পৰা বা শাৰীৰিক-মানসিকভাৱে অস্বস্তিত থকা অৱস্থাৰ দৃশ্য প্ৰচাৰ কৰিবলৈও কঠোৰভাৱে নিষেধ কৰা হৈছে। আনকি ক্ষতিকাৰক বা অনুপযুক্ত বুলি বিবেচিত যিকোনো কণ্টেণ্ট ফৰৱাৰ্ড কৰিবলৈও বাধা দিয়া হৈছে। যদি কাৰোবাৰ পোষ্টত এনে কোনো অনুপযুক্ত দৃশ্য দেখা পায়, তেন্তে তৎক্ষণাত সেই বিষয়ে ৰিপ'ৰ্ট কৰিবলৈও সমাজ মাধ্যম ব্যৱহাৰকাৰীসকলক আহ্বান জনোৱা হৈছে। উল্লেখযোগ্য যে বানৰ বিভীষিকাৰ মাজতে বহু কণ্টেণ্ট ক্ৰিয়েটৰ বানপীড়িত অঞ্চলৰ ফটো-ভিডিঅ' সমাজ মাধ্যমত প্ৰচাৰ কৰি থকা দেখা গৈছে। কিন্তু বহু ক্ষেত্ৰত শিশুসকলক কেন্দ্ৰ কৰি তোলা এই সামগ্ৰীসমূহে তেওঁলোকৰ গোপনীয়তা আৰু মৰ্যাদাক ক্ষুণ্ণ কৰাৰ আশংকা কৰিছিল। সেই প্ৰেক্ষাপটতে অসম আৰক্ষীৰ এই পদক্ষেপক ৰাইজ আৰু বিশেষজ্ঞ মহলে স্বাগতম জনাইছে। আৰক্ষীয়ে কয় যে বানপীড়িত শিশুসকল ইতিমধ্যেই এক কঠিন মনস্তাত্বিক অৱস্থাৰ মাজেৰে পাৰ হৈ আছে, গতিকে তেওঁলোকক অধিক ক্ষতিগ্ৰস্ত কৰিব পৰা যিকোনো কণ্টেণ্ট প্ৰচাৰ সম্পূৰ্ণৰূপে এৰাই চলাটো সকলোৰে নৈতিক দায়িত্ব। এই নিৰ্দেশনাই অসমৰ বান দুৰ্যোগৰ সময়ত সংবাদ মাধ্যম আৰু সমাজ মাধ্যমৰ ব্যৱহাৰকাৰীসকলক এক দিশ নিৰ্দেশনা প্ৰদান কৰিছে, যাৰ দ্বাৰা শিশুৰ অধিকাৰ আৰু মৰ্যাদা সুৰক্ষিত ৰখাত গুৰুত্ব প্ৰদান কৰা হৈছে।

# উজনিৰ বানাক্ৰান্ত অঞ্চললৈ চিকিৎসক-

পৰ্যালোচনা কৰি প্ৰয়োজনীয় সংশোধনীৰ বাবে বিষয়াসকলক দিহা-পৰামৰ্শ দিয়ে। পৰিদৰ্শন শেষত স্বাস্থ্যমন্ত্ৰীয়ে হাস্পতাল কৰ্তৃপক্ষ আৰু বিভাগীয় বিষয়াসকলৰ সৈতে প্ৰায় দুঘণ্টা জুৰি এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত বৰ্তমান হাস্পতালখনৰ সা-সুবিধা, চিকিৎসক-কৰ্মচাৰীৰ অভাৱ, আৰু আগন্তুক পৰিকল্পনা সম্পৰ্কে বিস্তাৰিত আলোচনা হয়। পৰিদৰ্শন আৰু বৈঠকৰ পিছত সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰি স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে কয়, "নলবাৰী মেডিকেল কলেজ হাস্পতালখন এখন নতুন আৰু আধুনিক চিকিৎসা প্ৰতিষ্ঠান যদিও ইতিমধ্যে ই সকলো দিশতে আগুৱাই যাবলৈ সক্ষম হৈছে। যেতিয়ালৈকে ইয়াত স্নাতকোত্তৰ (পিজি) শিক্ষাৰ্থীসকলৰ ভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হয়, তেতিয়ালৈকে এইখন সম্পূৰ্ণ অংগীভূত চিকিৎসা মহাবিদ্যালয় হিচাপে পৰিগণিত হ'ব।" তেওঁ লগতে কয় যে অহা বছৰ ইয়াৰ পৰা প্ৰথমবাৰৰ বাবে এমবিবিএছৰ ছাত্ৰ-ছাত্ৰী স্নাতক হৈ ওলাব, তাৰ পাছতে পিজি শিক্ষাৰ্থীসকল অহা আৰম্ভ কৰিব আৰু অহা দুই-তিনি বছৰৰ ভিতৰত নলবাৰী মেডিকেল কলেজখন অসমৰ অন্যতম শ্ৰেষ্ঠ চিকিৎসা প্ৰতিষ্ঠান হিচাপে স্বীকৃতি পাব। ইতিমধ্যে কিছুমান অভাৱ-অভিযোগ তেওঁলোকৰ দৃষ্টিগোচৰ হৈছে, যিবোৰ সোনকালে সমাধান কৰিবলৈ চৰকাৰে প্ৰয়াস চলাই আছে আৰু বৰ্তমান হাস্পতালখনে যি প্ৰক্ৰিয়াৰে চলি আছে, সেয়া যথাযথ বুলিও তেওঁ স্পষ্ট কৰে। আনহাতে, উজনি অসমৰ বানপীড়িত অঞ্চলসমূহত বুধবাৰৰ পৰা বিশেষ স্বাস্থ্য শিবিৰ আৰম্ভ কৰিবলৈ স্বাস্থ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। তেওঁ জানিবলৈ দিয়ে যে ইতিমধ্যে ডিব্ৰুগড় আৰু যোৰহাট মেডিকেল কলেজৰ পৰা ১০০ৰো অধিক চিকিৎসক আৰু চিকিৎসাকৰ্মী উজনিৰ বানাক্ৰান্ত অঞ্চললৈ প্ৰেৰণ কৰা হৈছে। লখিমপুৰ মেডিকেল কলেজৰ পৰাও পৰৱৰ্তী পৰ্যায়ত এএনএম আৰু জিএনএমসকলক পঠিওৱাৰ ব্যৱস্থা চলাই থকা হৈছে। বানপীড়িত অঞ্চলত বেছিকৈ চৰ্মৰোগ দেখা দিয়াৰ বাবে তাৰো প্ৰয়োজনীয় ঔষধসমূহ প্ৰেৰণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে লগতে কয় যে তেওঁ নিজেও আজি নিশা উজনি অসমলৈ যাত্ৰা কৰিব আৰু প্ৰত্যক্ষভাৱে পৰিস্থিতি বুজ ল'ব। উজনি অসমৰ বান পৰিস্থিতি নিৰীক্ষণ কৰিবলৈ কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাও ইতিমধ্যে অসমত উপস্থিত হৈছে বুলিও তেওঁ সাংবাদিকসকলক অৱগত কৰে। স্বাস্থ্যমন্ত্ৰী সিংহলৰ এই পদক্ষেপে বানপীড়িত লোকসকলৰ মাজত চিকিৎসা সেৱাৰ আশা সঞ্চাৰ কৰিছে আৰু ৰাজ্য চৰকাৰে এই দুৰ্যোগত স্বাস্থ্য ব্যৱস্থাক কিদৰে গুৰুত্ব দিছে, তাৰো প্ৰমাণ দিছে।

# বানপীড়িতসকলৰ বাবে শিৱসাগৰ

কৰিব পাৰি। আকস্মিকভাৱে অহা বানৰ সংহাৰী ৰূপে অঞ্চলটোৰ প্ৰায় সকলোকে সৰ্বস্বান্ত কৰি তুলিলে, অধিকাংশ লোকৰ ঘৰৰ সকলো সামগ্ৰী পানীত বুৰ গ'ল। যদিও ৰাজ্য চৰকাৰৰ উপৰিও ৰাজ্যৰ বিভিন্ন প্ৰান্ত আৰু বহিঃৰাজ্যৰ পৰা অহা স্বেচ্ছাসেৱী সংগঠন আৰু ব্যক্তিসকলৰ প্ৰচেষ্টাই বন্যাৰ্তসকলক কিছু পৰিমাণে সকাহ দিছে, তথাপি বানৰ প্ৰকোপ কমাৰ লগে লগে নতুন আশংকাই দেখা দিছে। বানাক্ৰান্ত অঞ্চলসমূহত বানৰ পিছত হাজাৰ হাজাৰ লোক বিভিন্ন ধৰণৰ ৰোগত আক্ৰান্ত হৈছে। ইতিমধ্যে বানোত্তৰ জ্বৰত আক্ৰান্ত হৈ দুগৰাকী ব্যক্তিয়ে প্ৰাণ হেৰুওৱা বুলি জানিব পৰা গৈছে। এনে পৰিপ্ৰেক্ষিততে উজনি অসমৰ বানপীড়িত ৰাইজৰ স্বাস্থ্য সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনে বিশেষ স্বাস্থ্য শিবিৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত শিৱসাগৰ আৰু চৰাইদেউ জিলাত এই শিবিৰসমূহ অনুষ্ঠিত হ'ব। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি, চৰাইদেউ জিলাত ৫ আগষ্টৰ পৰা ক্ৰমে বিভিন্ন অস্থায়ী আশ্ৰয়শিবিৰত স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হ'ব। ৫ আগষ্টত মাহমৰা সমষ্টিৰ পিএমশ্ৰী ডবা তিনিআলি উচ্চ মাধ্যমিক বিদ্যালয়ত, ৬ আগষ্টত সোণাৰি সমষ্টিৰ সোণাৰি মহাবিদ্যালয়ত, ৭ আগষ্টত টেঙাপুখুৰী ৰাজহুৱা প্ৰেক্ষাগৃহত, আৰু ৮ আগষ্টত ভজো উচ্চ মাধ্যমিক বিদ্যালয়ত এই শিবিৰ অনুষ্ঠিত হ'ব। একেদৰে শিৱসাগৰ জিলাত ৬ আগষ্টৰ পৰা ৯ আগষ্টলৈ স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হৈছে। ৬ আগষ্টত ভাধৰা বিএড কলেজ আৰু লোনপুৰীয়া গদাপাণি হাইস্কুলত, ৭ আগষ্টত শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় আৰু ডিচি গগৈ জকাইচুক হাইস্কুলত, ৮ আগষ্টত জোৱাবাৰী এলপিএছ চিন্তামণি গড় আৰু নাজিৰা এমচি ক্লাবত, আৰু ৯ আগষ্টত চকীমুখ এমপিএইচচি ভৱন আৰু বিহুৱৰ শিৱ মন্দিৰত স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। এই স্বাস্থ্য শিবিৰসমূহত বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা ৰোগীসকলৰ সম্পূৰ্ণ স্বাস্থ্য পৰীক্ষা কৰোৱা হ'ব। শিশুৰোগ, স্ত্ৰী আৰু প্ৰসূতি ৰোগ, মেডিচিন, চৰ্মৰোগ, চকুৰ ৰোগ, হাড়ৰ ৰোগ, নাক-কাণ আৰু ডিঙিৰ ৰোগ আৰু মনোৰোগকে ধৰি বিভিন্ন বিভাগৰ চিকিৎসা সেৱা উপলব্ধ থাকিব।

# ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল (SSB), ৰঙিয়া দ্বাৰা বিনামূলীয়া পশু চিকিৎসা শিবিৰৰ আয়োজন

**অসম বাৰ্তা, মঙলদৈ, ২ আগষ্ট ঃ** শ্ৰী এইচ. কে. গুপ্তা, কমাণ্ডেণ্ট, ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ সুদক্ষ নিৰ্দেশনাত ০২.০৮.২০২৬ তাৰিখে নাগৰিক কল্যাণ কাৰ্যসূচীৰ অধীনত 'ডি' সমবায় আৰু সীমা চকী বিমলানগৰৰ অধীনস্থ নং-১ ডোংগৰগাঁৱত বিনামূলীয়া পশু চিকিৎসা শিবিৰ (Veterinary Civic Action — VCA) সফলতাৰে আয়োজন কৰা হয়। উক্ত পশু চিকিৎসা শিবিৰটো ড° ই. চাওবা সিং, কমাণ্ডেণ্ট (পশু চিকিৎসা), সীমান্ত মুখ্য কাৰ্যালয়, গুৱাহাটীৰ নেতৃত্বত ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ পশু চিকিৎসা দলৰ সক্ৰিয় সহযোগিতাত অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীটোৰ মূল উদ্দেশ্য আছিল সীমান্তৱৰ্তী অঞ্চলৰ গাঁওসমূহৰ পশুপালকসকলক পশু চিকিৎসা সেৱা প্ৰদান কৰা আৰু পশুধনৰ স্বাস্থ্য সম্পৰ্কে সজাগতা বৃদ্ধি কৰা। কাৰ্যসূচীৰ সময়ছোৱাত পশু চিকিৎসক আৰু পশু চিকিৎসা কৰ্মীসকলে বিভিন্ন প্ৰকাৰৰ পোহনীয়া পশুধনৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা প্ৰদান কৰে। এই উপলক্ষে মুঠ ৩৩ গৰাকী পশুপালকে কাৰ্যসূচীটোৰ সুবিধা লাভ কৰাৰ লগতে ৮৯টা পোহনীয়া পশুধনৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা কৰা হয়। ইয়াৰ উপৰি পশুপালকসকলক পশুধনৰ উপযুক্ত পালন-পোষণ, ৰোগ প্ৰতিৰোধ, টিকাকৰণ, জাত উন্নয়ন তথা পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে প্ৰয়োজনীয় তথ্য আৰু পৰামৰ্শ প্ৰদান কৰা হয় লগতে বিনামূলীয়াকৈ ঔষধো বিতৰণ কৰা হয়। গাঁওবাসী আৰু পশুপালকসকলে এই জনকল্যাণমূলক পদক্ষেপটোৰ শলাগ লোৱাৰ লগতে ভৱিষ্যতেও এনে জনহিতকৰ কাৰ্যসূচী আয়োজন কৰাৰ বাবে আশা প্ৰকাশ কৰে। ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়াই নিজৰ কাৰ্যক্ষেত্ৰত কেৱল চিকিৎসা শিবিৰেই আয়োজন কৰি অহা নাই, ইয়াৰ উপৰি সীমান্তৱৰ্তী অঞ্চলত বহিঃৰোগী বিভাগ (OPD) সেৱা আৰু বিনামূলীয়া এম্বুলেন্স সেৱাও প্ৰদান কৰি আহিছে। যিকোনো নাগৰিকে স্বাস্থ্য সম্পৰ্কীয় সমস্যাৰ ক্ষেত্ৰত এম্বুলেন্সৰ সহায়তা আৰু চিকিৎসা পৰামৰ্শ গ্ৰহণ কৰিব পাৰে। ২৪নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়া ভাৰত-ভূটান সীমান্তৰ সুৰক্ষাৰ লগতে সমাজ আৰু নাগৰিকসকলৰ সেৱা তথা কল্যাণৰ বাবে সদায়ে প্ৰতিশ্ৰুতিবদ্ধ আৰু তৎপৰ।

বিভিন্ন সমস্যা আৰু ইয়াৰ সমাধানৰ ওপৰত বিস্তৃত আলোচনা

# মৰিগাঁৱত নগৰ ব্যৱসায়ী সমাজৰ গুৰুত্বপূৰ্ণ সাধাৰণ সভা

## এম্বুলেন্স সেৱা প্ৰৱৰ্তন, জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি নিৰ্মাণকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, মৰিগাঁও, ২ আগষ্ট ঃ** মৰিগাঁও নগৰৰ ব্যৱসায়ী সকলৰ বিভিন্ন সমস্যাৰাজিৰ লগতে ইয়াৰ সমাধানৰ উপায় সম্পৰ্কত আলোচনা কৰাৰ উদ্দেশ্যে মৰিগাঁও নগৰ ব্যৱসায়ী সমাজৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা আজি মৰিগাঁৱত অনুষ্ঠিত কৰা হয়। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে মৰিগাঁও নগৰ ব্যৱসায়ী সমাজৰ সভাপতি হৰিপদ নাথে। সভাৰ আৰম্ভণিতে সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰি সম্পাদক ইফটিকাৰ হুছেইনে নগৰখনৰ সৰু-বৰ ব্যৱসায়ী সকলৰ সমস্যাৰাজিৰ বিষয়ে বৰ্ণনা কৰাৰ লগতে মৰিগাঁও নগৰ ব্যৱসায়ী সমাজৰ সাংগঠনিক কাম-কাজ সমূহৰ ওপৰত বিস্তৃত ভাৱে আলোকপাত কৰে। সভাখনত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মাই নগৰখনৰ ব্যৱসায়ী সকলক ঐক্যবদ্ধ হৈ থাকি তেওঁলোকক মৌলিক সমস্যাসমূহৰ আশু সমাধানৰ বাবে সংগ্ৰাম কৰি যাবলৈ আহ্বান জনায়। সভাত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই ভাষণ প্ৰদান কৰি উজনি অসমৰ বণ্যাৰ্ত সকলক যৎকিঞ্চিত সাহায্য প্ৰদান, সংগঠনটোৰ চৰকাৰী পঞ্জীয়ন, ঐক্যবদ্ধ কাৰ্যপন্থা গ্ৰহণকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ পৰামৰ্শ প্ৰদান কৰে। সভাখনত অংশগ্ৰহণ কৰি মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্পাদক গুলজাৰিলাল শৰ্মা, মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সভাৰ সম্পাদক ভূজেন ডেকাসহ কেবাজনো বিশিষ্ট ব্যক্তিয়ে ব্যৱসায়ী সংগঠনটোৰ সাংগঠনিক ভেটি অধিক শক্তিশালীকৰণৰ হকে বহুকেইটা গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। সভাত বিশিষ্ট ব্যৱসায়ী জীৱন পাল, সন্দিপ তচনিৱাল, লক্ষ্মন পাল, গাড়ীৰ মালিক তথা পৰিবহণ সন্থাৰ সভাপতি হলিৰাম বৰা প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সভাতে মৰিগাঁও নগৰ ব্যৱসায়ী সমাজক এটা স্বতন্ত্ৰীয়া সংগঠন হিচাপে ৰাখিবলৈ, মৰিগাঁও নগৰবাসীৰ জৰুৰীকালীন চিকিৎসাৰ সেৱাৰ বাবে এখন এম্বুলেন্স আগবঢ়াবলৈ, নগৰৰ মাজমজিয়াত জুবিন গাৰ্গৰ এটা পূৰ্ণাংগ প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণৰ উপৰিও নগৰৰ মাজৰ অবৈধ গাড়ী আস্থান আৰু নিয়ম শৃংখলা নমনা গাড়ীৰ চালকৰ বিৰুদ্ধে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱাৰ লগতে কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইপিনে সভাৰ আৰম্ভণিতে নগৰখনৰ প্ৰয়াত জ্যেষ্ঠ ব্যৱসায়ী উৎপল নাথ, উৎপল শইকীয়া আৰু বিমল দত্তৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

# ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ শিৱসাগৰৰ নেপালী সুতীত বন্যাৰ্তক সাহায্য প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, ডিব্ৰুগড়, ২ আগষ্ট ঃ** ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত সদৌ অসম প্ৰাথমিক শিক্ষক সন্থা, মধ্য ইংৰাজী শিক্ষক সন্থা, ডিব্ৰুগড় জিলা সমিতিৰ সহযোগত শিৱসাগৰ জিলাৰ বিহুবৰ নেপালী সুতীত ১৫০ টাৰো অধিক পৰিয়ালক বান সাহায্য প্ৰদান কৰে। ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি জনক দাস আৰু সাধাৰণ সম্পাদক দেবিকা দেবীয়ে উল্লেখ কৰে যে এই সংকটৰ সময়ত কিছু সকাহ আৰু সাহস দিয়াৰ উদ্দেশ্যে খাদ্য সামগ্ৰী আৰু প্ৰয়োজনীয় চাউল দাইল, আলু, নিমখ, জুইশলা, মম, মহ খেদৰা ধূপ, আঁঠুৰা, চেনিটেৰী নেপকিন, পেণ্টি, পানী, বাকেট, মগ ইত্যাদি আৰু পশু খাদ্য চাপৰ আৰু ঘাঁহ প্ৰদান কৰে। মুঠ ২৬ জনীয়া প্ৰতিনিধি দলটোৱে সোনকালে পৰিস্থিতি উন্নত হোৱাটো কামনা কৰে।

# পুৰণিগুদাম ৰঙ্গালয়ৰ গ্ৰীষ্ম কালীন নাট কৰ্মশালাৰ সামৰণি



**অসম বাৰ্তা, পুৰণিগুদাম, ২ আগষ্ট ঃ** বৰ্তমান অসমৰ নাট্যজগতত অতি স্বকীয়তাৰে যিকেইটা নাট্য অনুষ্ঠানে নাট্যচৰ্চা কৰি আহিছে তাৰ ভিতৰত নগাঁও জিলাৰ পুৰণিগুদামৰ ৰঙ্গালয় অন্যতম। যোৱা তিনি বছৰৰ দৰে এই বছৰো অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসনৰ সহযোগত ৰঙ্গালয়ে যোৱা সোতৰ জুলাই পৰা আৰম্ভ কৰা পোন্ধৰদিনীয়া নাট কৰ্মশালাখনি যোৱা একত্ৰিশ জুলাইত সামৰণি পৰে। শিশুৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশত নাট্য কলাৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ তাক অগ্ৰাধিকাৰ প্ৰদান কৰি আয়োজন কৰা হৈছিল এই পোন্ধৰদিনীয়া নাট কৰ্মশালা। পঞ্চম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ ভিতৰৰ প্ৰায় পঞ্চাশজন শিশোৱে সফলতাৰে অংশগ্ৰহণ কৰা এই কৰ্মশালাত নাট্যকালৰ বিভিন্ন বিভাগৰ বিষয়ত পাঠদান কৰিবৰ বাবে মুখ্য প্ৰশিক্ষকৰূপে অসমৰ এজন নিষ্ঠাবান নাট্যকৰ্মী তথা নাট প্ৰশিক্ষক মৃণাল কুমাৰ বৰাৰ লগতে অভিজ্ঞতা সম্পন্ন অভিনেতা টিকেন্দ্ৰ জিৎ হাজৰিকা আৰু আদিত্য কুমাৰ বৰা উপস্থিত আছিল। যোৱা একত্ৰিশ জুলাইৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলে নিজে নিজেই প্ৰস্তুত কৰা চাৰিখন চুটি নাটকেই তেওঁলোকৰ কৃতকাৰ্যতাৰ স্বাক্ষৰ বহন কৰিছে বুলি উপস্থিত সচেতন দৰ্শকসকলে মন্তব্য প্ৰকাশ কৰিছে। অনুষ্ঠানত প্ৰতিজন শিশুৰ চমু বক্তব্যই প্ৰমাণ কৰে যে তেওঁলোক প্ৰতিজনেই সৰ্বতোপ্ৰকাৰে এই কৰ্মশালাৰ পৰা উপকৃত হৈছে। উল্লেখ্য যে, অসমৰ প্ৰতিটো বিধানসভা সমষ্টিৰ অন্তৰ্গত দুটাকৈ স্থানত অনুষ্ঠিত হোৱা এই গ্ৰীষ্মকালীন কৰ্মশালাৰ অংশৰূপে বড়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত যমুনামুখত ৰঙ্গালয়ে আয়োজন কৰিছিল এই পোন্ধৰদিনীয়া নাট কৰ্মশালা। শংকৰদেৱ বিদ্যা নিকেতন, যমুনামুখত অনুষ্ঠিত কৰা এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানত শিশুসকলৰ অভিভাৱক সকলৰ লগতে বিদ্যালয়খনৰ প্ৰধান আচাৰ্য্য, হেমকান্ত ভূমিজ, যামিনী দেৱী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক দেউতি বৰা, কামপুৰ মণ্ডলৰ সভাপতি ৰাতুল বৰা আৰু বহুজন গুণী-জ্ঞানী ব্যক্তি উপস্থিত আছিল। শেষত গ্ৰীষ্মবন্ধৰ সময়খিনিত শিশুসকলৰ ব্যক্তিত্ব বিকাশৰ বাবে এনে মহান কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে অসম চৰকাৰক সকলোৱে কৃতজ্ঞতা জ্ঞাপন কৰে।

# বান অধ্যুষিত এলেকাত কেন্দ্ৰীয় চৰকাৰে বিশেষ পেকেজ ঘোষণা কৰি গাঁওসমূহ পুনৰ নিৰ্মাণ কৰাৰ দাবী গোলাঘাট নাগৰিক সমাজৰ

## ৫ লাখ মূল্যৰ সাহায্য সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, গোলাঘাট, ২ আগষ্ট ঃ** শেহতীয়া অভূতপূৰ্ব বিধ্বংসী বানে উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ সাত লাখৰো অধিক লোকক ক্ষতিগ্ৰস্ত কৰে। এই বানত বৰ্তমানলৈকে প্ৰায় ৭০জন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে যদিও মৃত্যুৰ সংখ্যা অধিক হ'ব যে সেয়া নিশ্চিত। শেহতীয়া বানত প্লাৱিত হোৱা বহু গাঁৱত কোনো কালে বানপানী হোৱাই নাছিল। এখন এখন গাঁও এই বানপানীত নিচিহ্ন হৈ পৰে। বহু যুগ ধৰি পিছুৱাই যোৱা এই গাঁওসমূহ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰে বিশেষ পেকেজ ঘোষণা কৰি খৰতকীয়া আঁচনি গ্ৰহণ কৰিব লাগে। এই দাবী গোলাঘাট নাগৰিক সমাজৰ। গোলাঘাট নাগৰিক সমাজৰ এটি দলে শিৱসাগৰ, যোৰহাট, চৰাইদেউ, গোলাঘাট আদিৰ বানত বিধ্বস্ত অঞ্চল ভ্ৰমণ কৰি গাওঁ সমূহৰ ভয়াবহ পৰিস্থিতি প্ৰত্যক্ষ কৰি চৰকাৰক শীঘ্ৰে উক্ত অঞ্চল সমূহত উন্নয়নমূলক কাম ৰূপায়ণ কৰাৰ দাবী জনায়। ভ্ৰমণ কালত গোলাঘাট নাগৰিক সমাজৰ সভাপতি কিশোৰ কুমাৰ দত্ত, কাৰ্যকৰী সভাপতি সঞ্জীৱ সন্দিকৈ আৰু সাধাৰণ সম্পাদক পিকুমণি দত্তৰ নেতৃত্বত এটা দলে বানত আক্ৰান্ত লোক সকলৰ সহায় হোৱাকৈ কেতবোৰ নিত্য ব্যৱহাৰ্য সামগ্ৰী বিতৰণ কৰে। বিশেষকৈ ছাত্ৰ ছাত্ৰীৰ মাজত বহী, কলম, শিশুৰ কাপোৰ, ডেটল, চাবোন, আঁঠুৰা, গামোচা, তাৱেল, মহিলাৰ উপযোগী চাদৰ, মেখেলা, শাৰী, নাইটী, ব্লাউজ, বিছনা চাদৰ, গাৰু, গাৰুকভাৰ, পুৰুষৰ টি চাৰ্ট, পেণ্ট, মাস্ক, পানী বটল, ফেনাইল, ব্লিচিং পাউদাৰ, লেপ-তুলি, কাঁহী- বাটি আদি প্ৰায় ৫ লাখ টকা মূল্যৰ সামগ্ৰী বিতৰণ কৰে। এই ভয়াবহ বান বিভীষিকাৰ সময়ত আৰ্তজনৰ ওচৰত সহায়ৰ হাত আগবঢ়োৱা গোলাঘাট নাগৰিক সমাজে ভৱিষ্যতে দুৰ্যোগ কাহানিও নাহক বুলি কামনা কৰে।

# গোলাঘাটৰ পুলিবৰৰ ভগাগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা; থিতাতে নিহত দুজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, গোলাঘাট, ২ আগষ্ট ঃ** গোলাঘাট নগৰৰ দাঁতিকাষৰীয়া পুলিবৰৰ ভগাগাঁৱত কালি সন্ধিয়া প্ৰায় ৮: ১৫ বজাত সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাটোত থিতাতে নিহত হয় এহাল দম্পতী। আৰক্ষীয়ে নিহত লোককেইজনক পুলিবৰ গাঁওবুঢ়া চুকৰ প্ৰতীম ৰাজপুত (৩২)আৰু তেওঁৰ পত্নী দীপা ৰাজপুত (৩০) বুলি চিনাক্ত কৰিছে। ভয়ংকৰ পথ দুৰ্ঘটনাটোৰ পাছতে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ দুয়োটা মৃতদেহ উদ্ধাৰ কৰি গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। জানিব পৰা দম্পতীহালে এই এছ-০৫-এক্স-৭৮৩০ নম্বৰৰ এখন বাইকত দেৰগাঁৱ দিশৰ পৰা পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথেৰে গোলাঘাটলৈ আহি থকা অৱস্থাত বিপৰীত দিশৰ পৰা অহা আন এখন বাইকৰ সৈতে সংঘৰ্ষ হয়। ফলত দুয়োখন বাইকৰ কেওজন আৰোহী পথৰ ওপৰত ছিটিকি পৰে। কিন্তু দম্পতীহাল পথৰ ওপৰত পৰি থকাৰ সময়তে গোলাঘাট দিশে তেওঁলোকৰ পাছে পাছে আহি থকাএ এছ-০৫-এচি-৮০৮৬নম্বৰৰ এখন মালবাহী ট্ৰাকে মহতিয়াই নি দুয়োৰে গাৰ ওপৰেদি গাড়ীখন পাৰ হৈ যায়। ফলত থিতাতে নিহত হয় প্ৰতীম ৰাজপুত আৰু তেওঁৰ পত্নী দীপা ৰাজপুত। তেওঁলোকে ঘৰৰ পৰা গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা মাতৃক নিশাৰ আহাৰ দিবলৈ আহিছিল। দুৰ্ঘটনাত পতিত হোৱা ট্ৰাকখনৰ চালকে লগে লগে ট্ৰাকখন সদৰ থানালৈ লৈ অনা বুলি জানিব পৰা গৈছে। দম্পতীহালৰ শোকাৱহ মৃত্যুত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰে।

# বানপীড়িত লোকসকলৰ সহায়ত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক অনুদান আগবঢ়ালে হৃষিকেশ গোস্বামীয়ে

**অসম বাৰ্তা, কুমুল্লীপাৰা, ২ আগষ্ট ঃ** উজনি অসমৰ শেহতীয়া বান দুৰ্যোগত ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত থিয় দিয়াৰ মানৱীয় প্ৰয়াসৰ অংশ হিচাপে হাউলী সৰ্বজনীন শিৱ মন্দিৰ পৰিচালনা সমিতিৰ মুখ্য পৃষ্ঠপোষক, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা, হাউলীৰ গৌৰৱ, বিশিষ্ট লেখক তথা অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষিকেশ গোস্বামীয়ে অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক অনুদান আগবঢ়ায়। বান দুৰ্যোগত ক্ষতিগ্ৰস্ত হাজাৰ হাজাৰ পৰিয়ালৰ পুনৰ্বাসন, অত্যাৱশ্যকীয় সাহায্য আৰু পুনৰ নিৰ্মাণমূলক কাৰ্যসূচীত সহায়ক হোৱাৰ লক্ষ্যৰে এই অনুদান আগবঢ়োৱা হয়। এই পদক্ষেপে কেৱল সামাজিক দায়বদ্ধতাৰ পৰিচয় দিয়াই নহয়, দুৰ্যোগৰ সময়ত মানৱীয় মূল্যবোধ আৰু সহমৰ্মিতাৰ এক উজ্জ্বল নিদৰ্শনো দাঙি ধৰে। সমাজৰ বিভিন্ন স্তৰৰ লোকসকলে হৃষিকেশ গোস্বামীৰ এই মানৱীয় পদক্ষেপক আন্তৰিকভাৱে প্ৰশংসা কৰাৰ লগতে এনে উদ্যোগে সমাজৰ আন ব্যক্তি আৰু অনুষ্ঠানসমূহকো দুৰ্যোগৰ সময়ত আৰ্তজনৰ কাষত থিয় দিবলৈ অনুপ্ৰাণিত কৰিব বুলি মত প্ৰকাশ কৰিছে।

# প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে

অভিযোগ পোহৰলৈ অহাৰ লগে লগে পুনৰ চাঞ্চল্য সৃষ্টি হৈছে। ঝাৰখণ্ড লোকসেৱা আয়োগৰ অধীনত অনুষ্ঠিত হোৱা নিযুক্তি পৰীক্ষাসমূহ, যেনে জেএছএছচি - চিজিএল আদিৰ প্ৰশ্নকাকত আগতীয়াকৈ ফাদিল হোৱাৰ অভিযোগ তুলি ৰাজ্যখনৰ শিক্ষিত যুৱক-যুৱতীসকলে ৰাঁচীৰ জয়পাল সিং মুণ্ডা ষ্টেডিয়ামত যোৱা ২৯ জুলাইৰ পৰা অনিৰ্দিষ্টকালীন প্ৰতিবাদ আৰম্ভ কৰিছে। এই প্ৰেক্ষাপটতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মঙলবাৰে এক গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰি প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকললৈ পূৰ্ণ নৈতিক সমৰ্থন আগবঢ়ায়। মুখ্যমন্ত্ৰী শৰ্মাই স্পষ্টভাষাত কয়, "ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ সময়তে মই নিজ চকুৰে দেখিছিলোঁ-কিদৰে নিযুক্তি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা প্ৰাৰ্থীসকল যন্ত্ৰণা, ক্ষোভ আৰু উদ্বেগৰ মাজেৰে পাৰ হৈছিল। আজি যি ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলে নিজৰ ভৱিষ্যত আৰু ন্যায়ৰ বাবে পথত নামি আহিছে, সিহঁতৰ আবেগ মই সম্পূৰ্ণৰূপে অনুভৱ কৰিব পাৰো।" অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দুৰ্ভাগ্যজনকভাৱে অনিয়ম আৰু প্ৰশ্নকাকত ফাদিলৰ দৰে অভিযোগসমূহ ধাৰাবাহিকভাৱে বৃদ্ধি পাই আছে, যাৰ ফলত ৰাজ্যখনৰ লাখ লাখ যুৱক-যুৱতীৰ ভৱিষ্যত বিপদাপন্ন হৈ পৰিছে। "মই ঝাৰখণ্ডৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলে কৰা এই বৈধ আন্দোলনৰ প্ৰতি নৈতিক সমৰ্থন জ্ঞাপন কৰিছো। লগতে ৰাজ্য চৰকাৰক আহ্বান জনাইছো যে সিহঁতৰ যুক্তিসংগত দাবীসমূহ তৎকালীনভাৱে মানি লৈ ন্যায় প্ৰদান কৰক। যুৱক-যুৱতীসকলৰ ভৱিষ্যতৰ সৈতে জড়িত কোনো ধৰণৰ অন্যায় কোনো কাৰণতে সহ্য কৰিব নোৱাৰি" বুলি মুখ্যমন্ত্ৰী শৰ্মাই পুনৰব্যক্ত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে ঝাৰখণ্ড মুক্তি মৰ্চা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে যদি ছাত্ৰ-ছাত্ৰীৰ অভিযোগৰ প্ৰতি অতি সংবেদনশীলতাৰে আৰু সম্পূৰ্ণ স্বচ্ছতাৰে ব্যৱস্থা গ্ৰহণ কৰে, তেন্তে এই সংকটময় পৰিস্থিতিৰ পৰা ৰক্ষা পাব পাৰিব। তেওঁ ৰাজ্য চৰকাৰক উদ্দেশ্যি কয়, "সময়ৰ লগে লগে যদি ব্যৱস্থা লোৱা নহয়, তেন্তে এই ক্ষোভ অধিক ঘনীভূত হৈ পৰিব।" প্ৰতিবাদকাৰীসকলে ইতিমধ্যে কেইবাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰি আহিছে। মঙলবাৰে তেওঁলোকে দাবী কৰে যে তদন্তৰ বাবে ঝাৰখণ্ডৰ বাহিৰৰ পৰা অহা উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশসকলৰ এখন সুকীয়া বিচাৰপীঠ গঠন কৰা হওক। ইয়াৰ পূৰ্বে প্ৰতিবাদকাৰীসকলে চিবিআই আৰু প্ৰৱৰ্তন সঞ্চালকালয় (ইডি)ৰ হস্তক্ষেপ দাবী কৰি এই নিযুক্তি কেলেংকাৰীত বৃহৎ পৰিমাণৰ ধনৰ লেনদেন হোৱাৰ অভিযোগো উত্থাপন কৰিছিল। ঝাৰখণ্ডৰ এই পৰিস্থিতিৰ মাজতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমৰ্থনক প্ৰতিবাদকাৰী মহলে স্বাগতম জনাইছে। তেওঁলোকে আশা প্ৰকাশ কৰিছে যে মুখ্যমন্ত্ৰী শৰ্মাৰ দৰে অন্য ৰাজ্যৰ নেতাসকলেও এই অন্যায়ৰ বিৰুদ্ধে মাত মাতিব। অন্যহাতে, ঝাৰখণ্ড চৰকাৰে এতিয়ালৈকে এই বিষয়ত কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে শেষত কয়, "যুৱক-যুৱতীসকলেই দেশৰ ভৱিষ্যৎ। সিহঁতৰ সপোন বিফল কৰা যিকোনো প্ৰচেষ্টা সমাজবিৰোধী কাৰ্য্য। মই আশা কৰো, ঝাৰখণ্ড চৰকাৰে সোনকালে গুৰুত্বসহকাৰে এই বিষয়টো সমাধান কৰে।"

# বন্যাক্ৰান্ত লোকৰ কাষত সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক

**অসম বাৰ্তা, উজনী মাজুলী, ২ আগষ্ট ঃ** উজনি অসমৰ তিনি জিলা- শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটত সৃষ্টি হোৱা প্ৰলয়ংকাৰী বানৰ তাণ্ডৱৰ পাছতে সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ ডিব্ৰুগড়, যোৰহাট, বিশ্বনাথ, শিৱসাগৰ, ধেমাজি, গোলাঘাট, চৰাইদেউ আদি জিলা সমিতিৰ সদস্যসকলে বানবিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে বানপীড়িত লোকসকলক যথাসাধ্য সাহায্য প্ৰদান কৰাৰ চেষ্টা চলাই আছে। যোৱা বৃহস্পতিবাৰ, ৩০ জুলাই তাৰিখে সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ত্ৰৈলোক্য ডেকা, কাৰ্যকৰী সভাপতি দীপাৰ্ণৱ ঘোষ, সাধাৰণ সম্পাদক দ্বয় কুলজিৎ ঠাকুৰীয়া আৰু পাৰ্থপ্ৰতিম গগৈৰ নেতৃত্বত দুটা সজাতি দলে শিৱসাগৰ জিলাৰ নাজিৰাৰ মাউত গাঁও, ৰজাপুল (সন্দিকৈ গাঁও), ৰজাপুল (দুৱৰা গাঁও), লেফেৰা গাঁও, বলমিয়া গাঁও, জেলেঙীটোপ, খুটিৰা হাবি, তিপোমিয়া, ডিবদোৰিয়া আদি বিভিন্ন অঞ্চলতপৃথকে পৃথকে বন্যাক্ৰান্ত লোকৰ মাজত সাহায্য বিতৰণৰ কাৰ্যসূচী গ্ৰহণ কৰে। আঁঠুৱা, বিছনাচাদৰ, ডাঙৰ মানুহ আৰু সৰু ল'ৰাৰ গেঞ্জী, মহিলাৰ বিভিন্ন প্ৰয়োজনীয় বস্ত্ৰ, অন্তৰ্বাস, চেনিটাৰী নেপকিন, সৰু ছোৱালীৰ ফ্ৰক, ব্লিচিং পাউদাৰ, চাবোন, ডেটল, ফেনাইল, ডিটাৰজেণ্ট পাউদাৰ আদি ২০ বিধমান সামগ্ৰী সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষকসমাজৰ কেন্দ্ৰীয় সমিতিয়ে বানপীড়িত লোকৰ মাজত বিতৰণ কৰে। ইয়াৰ উপৰি সেইদিনাকাৰ্বি আংলং, , ডিব্ৰুগড় আৰু কামৰূপ জিলা সমিতিয়ে কেন্দ্ৰীয় সমিতিৰ সৈতে একেলগে বাল্টি, মগ, চাৰ্ফ, কাপোৰ ধুৱা চাবোন, কাহী-বাতি, মহিলাৰ শাৰী আদি ৬ বিধমান সামগ্ৰী বিতৰণ কৰে।

# বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত বিদ্যুৎ বিভাগৰ বিষয়া ৰমাকান্ত বৰদলৈৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, গোলাঘাট, ২ আগষ্ট ঃ** গোলাঘাটৰ কছাৰিহাটৰ চিনাতলী গাঁৱৰ নিবাসী, বিশিষ্ট সমাজকৰ্মী, সমাজ সংগঠক, মানৱদৰদী, পৰোপকাৰী আৰু অসম চৰকাৰৰ বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী পৰিচালক বিষয়া ৰমাকান্ত বৰদলৈ যোৱা ৩০ জুলাইত বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯১ বছৰ। বিদ্যুৎ বিভাগৰ চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত নিজকে ৰাইজৰ কামত নিয়োগ কৰে। নিজে জন্ম দিয়া স্বেচ্ছাসেৱী সংগঠন 'Society for social Development Research Training Centre' যোগেদি বিভিন্ন ঠাইত তৃণমূল পৰ্য্যায়ত সজাগতা সভা অনুষ্ঠিত কৰি ৰাইজক সেৱা আগবঢ়াইছিল। তেওঁৰ সংগঠনত বহুতো দুখীয়া, দৰিদ্ৰ যুৱক যুৱতীক প্ৰাইভেট চাকৰিত নিয়োগ দিছিল। তেখেতে জ্যেষ্ঠ নাগৰিক সন্মিলনৰ গোলাঘাট জিলা সমিতিৰ সভাপতিৰ দৰে পদত নিয়োজিত হৈ ৰাজহুৱা উন্নয়নৰ হকে মাত মাতিছিল। তেখেতৰ এক সুকীয়া বিশেষত্ব আছিল। তেখেতে সকলোকে সম দৃষ্টিৰে চাইছিল আৰু সম ব্যৱহাৰ কৰিছিল। সমাজৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান লগত জড়িত আছিল। কেইবাটাও অনুষ্ঠানত পদবীৰ দায়িত্ব গ্ৰহণ কৰি নিজৰ ব্যক্তিগত খৰচৰে সমাজ সেৱা কৰিছিল। তেখেতৰ নিকা আৰু স্পষ্ট বাদি ভাৱমূৰ্ত্তিৰে কাম কৰি ভাল পাইছিল। সকলোৰে লগত বন্ধুসুলভ ব্যৱহাৰ কৰিছিল। মুখত মিঠা হাঁহী আৰু ৰং ধেমালিৰে দৈনন্দিন জীৱন অতিবাহিত কৰা তেখেত এগৰাকী স্বামী, পিতৃ, বিষয়া আৰু সমাজ সংগঠক দায়িত্ব নিষ্ঠাৰে পালন কৰি গৈছিল। ধৰ্মীয় অনুষ্ঠান সমূহতো তেখেতৰ অংশ গ্ৰহণ যথেষ্ট সহযোগ আছিল। তেখেতৰ মৃত্যুত স্থানীয় গাৱৰ ৰাইজৰ এগৰাকী সুদক্ষ সমাজ কৰ্মী আৰু অভিভাৱক হেৰোৱালে। তেখেতৰ মৃত্যুৰ সময়ত সহধৰ্মিনী, দুজন পুত্ৰ, এগৰাকী জীয়ৰী, জোঁৱাই, দুগৰাকী বোৱাৰী আৰু পাঁচগৰাকী নাতি নাতিনী এৰি থৈ যায়। তেখেতৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। স্থানীয় দ'ল সংগঠন, সমাজকৰ্মী, সচেতন ৰাইজ সকলোৱে তেখেতৰ আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা আৰু শ্ৰদ্ধাঞ্জলি জনায় শোকসন্তপ্ত পৰিয়াবৰ্গলৈ সমবেদনা জনাইছে।

# ডুমডুমা শাখা লেখিকা সমাৰোহ সমিতিৰ মাহেকীয়া বৈঠকত তন্ময় সোণোৱালক অভিনন্দন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, তিনিচুকীয়া, ২ আগষ্ট ঃ** সদৌ অসম সমাৰোহ সমিতি, ডুমডুমা শাখাৰ মাহেকীয়া বৈঠকখন শাখাৰ নিজা ভৱনত যোৱা ৩১ জুলাইত অনুষ্ঠিত হৈ যায়। সদস্যাকলৰদ্বাৰা পৰিবেশন কৰা ড° অৰুণা গগৈ বৰুৱাৰ ৰচনাৰ সমবেত গীতেৰে আৰম্ভ হোৱা সভাখনিৰ আঁত ধৰে শাখাৰ সম্পাদিকা ৰঞ্জিতা গগৈ বৰুৱাই। সভাত সভাপতিত্ব কৰে শাখাৰ সভানেত্ৰী দিব্যলতা ডেকাই। সভাত আগন্তুক 'জয়মতী কোঁৱৰ বটাঁ' ৰ লগতে সাহিত্য বিভাগৰ কেইবাটাও গুৰুত্বপূৰ্ণ আলোচনাৰ আঁত ধৰে সাহিত্য বিভাগৰ সম্পাদিকা সংগীতা বৰুৱা ডেকাই। এই সভাতেই স্পেনিছ ভাষাৰ অনুবাদক ৰূপাই চাইডিং বিষ্ণু নগৰৰ নিবাসী তথা শাখাৰ জ্যেষ্ঠা সদস্যা বন্তি সোণোৱালৰ সুপুত্ৰ তথা আমাৰ গৌৰৱ তন্ময় সোণোৱালক অভিনন্দন জনোৱা হয়। তন্ময় সোণোৱালে লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' ৰ পিছতে ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাসখন স্পেনিছ ভাষালৈ অনুবাদ কৰি বিশ্ব দৰবাৰত অসমীয়া সাহিত্যৰ পৰিচয় আগবঢ়াইছে। সভাত সুন্দৰ মত বিনিময়ৰ অন্তত তন্ময় সোণোৱালৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি এটি স্মাৰকৰ লগতে গামোছা আৰু কিতাপৰ টোপোলাৰে অভিনন্দন জনোৱা হয়। উক্ত সভাতে বিশিষ্ট কবি তথা শাখাৰ জ্যেষ্ঠা সদস্যা ড° মীনা দেৱী বৰুৱাইও তেখেতক এটি কিতাপৰ টোপোলা আগবঢ়াই। সভাত তন্ময় সোণোৱালৰ পৰিচয় লগতে ল'ৰালিৰ কিছু স্মৃতিৰ ওপৰত বক্তব্য ৰাখে শাখাৰ জ্যেষ্ঠা সদস্যা মীৰা শইকীয়াই।

# শিৱসাগৰত ইউকো বেংকৰ বিষয়া ইউনিয়নৰ বৃহৎ বান সাহায্য বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, ডিব্ৰুগড়, ২ আগষ্ট ঃ** শিৱসাগৰৰ বিধ্বংসী বানত ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত ইউকো বেংকৰ বিষয়া ইউনিয়নৰ নিজা ৰবীয়া সংগৃহীত অৰ্থপুঁজিৰ ফালৰ পৰা আজি জিলাখনৰ গৌৰীসাগৰ ভিতৰুৱা অঞ্চলত বান সাহায্য বিতৰণ কৰা হয়। বিশাল পৰিমাণৰ সামগ্ৰীৰ বানপীড়িত লোকৰ মাজত বিভিন্ন খাদ্য সামগ্ৰী আৰু নিত্যব্যৱহাৰ্য প্ৰয়োজনীয় সামগ্ৰী প্ৰায় এশৰো অধিক পৰিয়ালৰ মাজত বিতৰণ কৰা হয়। সাহায্য সামগ্ৰীৰ ভিতৰত আছে চাউল, দাইল, আলু, পিঁয়াজ, মিঠাতেল, ব্লিচিং পাউডাৰ, ফেনাইল, চাবোন আদি। এই সাহায্য অভিযানত অংশগ্ৰহণ কৰিছে- ইউকো বেংক বিষয়া এচ'ছিয়েচনৰ সাধাৰণ সম্পাদক ঋষিৰাজ দাসৰ নেতৃত্বত যোৱা দলটিত সহযোগ কৰে প্ৰাচুৰ্য্য খাউণ্ড, দিপম বাৰোৱাতি, ৰশ্মিৰ শৰ্মা, দিপাংকৰ বৰগোঁহাইৰ লগতে অন্যান্য বিষয়া সকলে। শিৱসাগৰ জিলা অতিৰিক্তি আৰক্ষী অধীক্ষকৰ পৰামৰ্শত খনামুখ -চিন্তামনিগড়ৰ ভিতৰুৱা গাঁৱত এই সাহায্য বিতৰণ কৰাৰ লগতে বেতবাৰী অঞ্চলতো বিতৰণ কৰা হয়। স্থানীয় ৰাইজে এই কাৰ্যৰ বাবে ইউকো বেংকৰ পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰে।

# মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত বানবিধ্বস্ত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ অৰ্থদান কাৰ্যসূচী

**অসম বাৰ্তা, মাজুলী, ৪ আগষ্ট ঃ** যোৱাটো বানত বিস্তৰৰূপে ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ জিলাৰ ছখন উচ্চ শিক্ষানুষ্ঠানৰ গ্ৰন্থাগাৰলৈ গ্ৰন্থক্ৰয়ৰ উদ্দেশ্যে মাজুলী মহাবিদ্যালয়ৰ পৰিয়ালে আগবঢ়ালে দহ হাজাৰকৈ টকাৰ আৰ্থিক সাহায্য আৰু গ্ৰন্থৰ টোপোলা। মহাবিদ্যালয় পৰিচালনা সমিতিৰ যোৱা ২৯ জুলাইত অনুষ্ঠিত বিশেষ বৈঠকত হোৱা সৰ্বসন্মত সিদ্ধান্ত অনুসৰি, সমিতিৰ সভাপতি আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীৰ পৰামৰ্শক্ৰমে আজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ নেতৃত্বত যোৱা মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা আৰু প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা মাজুলী মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা দুয়োখন জিলাৰ বান ক্ষতিগ্ৰস্ত মহাবিদ্যালয় ক্ৰমে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়, চাৰিং শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, বীৰ লাচিত বৰফুকন মহাবিদ্যালয় আৰু নাজিৰা মহাবিদ্যালয়ত উপস্থিত হৈ মহাবিদ্যালয়কেইখনৰ মুৰব্বীৰ সৈতে কথা পাতি ক্ষয়-ক্ষতিৰ বুজ লয়। লগতে মহাবিদ্যালয়কেইখনৰ অধ্যক্ষ যথাক্ৰমে ড° মানজিৎ গগৈ, ড° বিদ্যানন্দ বৰকাকতী, ড° সৌমাৰজ্যোতি মহন্ত, ড° প্ৰতীম শৰ্মা, ড° পংকজজ্যোতি হাজৰিকা আৰু ড° ৰাজু ফুকনৰ হাতত গ্ৰন্থক্ৰয়ৰ বাবে দহ হাজাৰকৈ টকা প্ৰদান কৰে। মহাবিদ্যালয়খনিৰ তৰফৰ পৰা পৰৱৰ্তী সময়ত যোৰহাট জিলাৰ বানবিধ্বস্ত উচ্চশিক্ষানুষ্ঠান টীয়ক চি কে বি কলেজৰ গ্ৰন্থাগাৰলৈয়ো গ্ৰন্থক্ৰয়ৰ বাবে অনুদান আগবঢ়াব বুলিও জানিবলৈ দিছে। মাজুলী মহাবিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-কৰ্মচাৰী গোট, ছাত্ৰ একতা সভাৰ সহযোগিতাত গ্ৰহণ কৰা এই ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰাৰ অন্তত সাংবাদিকেৰে হোৱা বাৰ্তালাপত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "মহাবিদ্যালয . কেইখনৰ বানত হোৱা ক্ষয়-ক্ষতিৰ তুলনাত শক্তি অনুসৰি আগবঢ়োৱা আমাৰ অনুদান নিচেই কিঞ্চিত যদিও ইয়াৰ মাধ্যমেৰেই আমি অনুষ্ঠানকেইটিৰ দুখৰ সমভাগী হৈছোঁ আৰু সাহসেৰে এই দুৰ্দিনৰ মুখামুখি হ'বলৈ সামান্য সাহস যোগোৱাৰ বিনম্ৰ প্ৰয়াস কৰিছোঁ মাত্ৰ।" মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীয়ে কেউখন শিক্ষানুষ্ঠানলৈ প্ৰেৰণ কৰা অংগবস্ত্ৰাদিৰ টোপোলা সত্ৰাধিকাৰগৰাকীৰ হৈ ড° শইকীয়াই অধ্যক্ষসকলক প্ৰদান কৰাৰ লগতে মহবিদ্যালয়কেইখনৰ গ্ৰন্থাগাৰলৈ নিজা গ্ৰন্থৰ একোটিকৈ টোপোলা আগবঢ়ায়। মাজুলীৰ প্ৰাচীনতম উচ্চশিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ে বানত ক্ষতিগ্ৰস্ত শিক্ষানুষ্ঠানকেইখনৰ গ্ৰন্থাগাৰলৈ এই দান কৰি মহানুভৱতাৰ পৰিচয় দিয়াৰ বাবে গ্ৰহণ গড়মূৰীয় সত্ৰাধিকাৰ পৰমানন্দদেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিৎ মহন্ত, প্ৰাক্তন অধ্যক্ষদ্বয় সৰ্বেশ্বৰ হাজৰিকা আৰু নৰেন চন্দ্ৰ ঠাকুৰীয়া, মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে শলাগ লৈছে।

# প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ উদ্যোগত তিনিচুকীয়া জিলাৰ সাংবাদকৰ্মীসকলৰ মাজত 'বাৰ্তা' শীৰ্ষক কৰ্মশালা



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, অসম বাৰ্তা বিশেষ, পেংৰী, ৪ আগষ্ট ঃ** ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ ন'ডেল সংস্থা প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ উদ্যোগত আজি তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত 'বাৰ্তা' শীৰ্ষক 'জনগণনা-২০২৭' সন্দৰ্ভত তিনিচুকীয়া জিলাৰ সাংবাদকৰ্মীসকলৰ মাজত এখনি কৰ্মশালা আজি অনুষ্ঠিত হয়। জিলা আয়ুক্ত সুমিত ছাত্তাৱানে এই কৰ্মশালাৰ শুভউদ্বোধন কৰি কয় যে, দেশ তথা ৰাজ্যৰ উন্নয়নৰ বাবে ফলপ্ৰসূ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ জনগণনা অতিশয় গুৰুত্বপূৰ্ণ। জনগণনা-২০২৭ সফলভাৱে আয়োজন কৰিবৰ বাবে ৰাইজৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ অতিশয় জৰুৰী। এই বাৰৰ চেনছাছত ডিজিটেল পদ্ধতিৰ সংযোজনে সম্পূৰ্ণ প্ৰক্ৰিয়াটো যথেষ্ট সুচল কৰি তুলিব বুলিও জিলা আয়ুক্তই উল্লেখ কৰে। আনহাতে ২ আগষ্টৰ পৰা আৰম্ভ হোৱা জনগণনা-২০২৭ ৰ প্ৰথম পৰ্যায়ৰ স্ব-গণনা প্ৰক্ৰিয়া সন্দৰ্ভতো তেওঁ বিতংভাৱে আলোকপাত কৰে। জিলা আয়ুক্তই ৰাইজক কোনো শংকা নোহোৱাকৈ স্ব-গণনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্ব-গণনা প্ৰক্ৰিয়াত ৰাইজে দাখিল কৰা তথ্য সম্পূৰ্ণ সুৰক্ষিত আৰু গোপনীয়তা ৰক্ষা কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। কৰ্মশালাত উপস্থিত সংবাদকৰ্মীসকলক জনগণনা-২০২৭ ৰ গুৰুত্বতাৰ লগতে স্ব-গণনাৰ বিষয়ে ৰাইজক অৱগত কৰিবলৈ আহ্বান জনায়। জনগণনা-২০২৭ ৰ জিলা স্তৰৰ সংবাদ মাধ্যমৰ এই কৰ্মশালাত অসম লোকপিয়ল সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক বিকাশ নাথ আৰু মাষ্টাৰ ট্ৰেইনাৰ তথা ডুমডুমা মহাবিদ্যালয়ৰ প্ৰফেচাৰ প্ৰাণজিৎ শইকীয়াই চেনছাছ আইন ১৯৪৮, জণগণনা-২০২৭ ৰ সম্পূৰ্ণ প্ৰক্ৰিয়া তথা স্ব-গণনা সন্দৰ্ভত বিতংভাৱে আলোকপাত কৰে। ইয়াৰ পাছতে কৰ্মশালাত উপস্থিত কেইবাগৰাকী সংবাদকৰ্মীৰ স্ব-গণনা প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। আজিৰ কৰ্মশালাত অতিৰিক্ত জিলা আয়ুক্ত(চেনছাছ) পংকজ কুমাৰ নাগবংশী, সহকাৰী আয়ুক্ত মাধুৰীমা দিহিঙ্গীয়া, চেণ্ট্ৰেল ব্যুৰ' অৱ্ কমিউনিকেশ্যন (চি বি চি)ৰ ক্ষেত্ৰ প্ৰচাৰ বিষয়া ন'ভাল কিশোৰ প্ৰসাদ, দূৰদৰ্শন ডিব্ৰুগড়ৰ ৰিজনেল নিউজ এডিটৰ চুবিনা ৰয়, অসম লোকপিয়ল কাৰ্যালয়ৰ উপ সঞ্চালক প্ৰশান্ত কুমাৰ প্ৰমুখ্যে লোকপিয়ল সঞ্চালকালয়ৰ অন্যান্য বিষয়ববীয়া উপস্থিত থাকে। কৰ্মশালাত তিনিচুকীয়া জিলা তথ্য আৰু জনসংযোগ বিষয়া মামুন বৰকটকী, 'আপকু'ৰ জিলা সমিতিৰ সভাপতি ৰবীন মৰাণ, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সম্পাদক বিপ্লৱ চেতিয়া আৰু 'জাৰ্ণেলিষ্ট ইউনিয়ন অৱ্ আসাম'ৰ সভাপতি আৰু সম্পাদক ক্ৰমে ৰূপম কাকতী আৰু ৰাণাদ্বীপ দুৱাৰা, জ্যেষ্ঠ সাংবাদিক কমল তালুকদাৰকে প্ৰমুখ্য কৰি প্ৰায় ডেৰকুৰি সাংবাদিক উপস্থিত আছিল।

**টাইকোৱানডোত চমক; উষ্ম আদৰণিৰে আদৰিব বিমানবন্দৰত**

# থাইলেণ্ডত ব্ৰঞ্জৰ পদক লাভ মঙলদৈৰ প্ৰজ্ঞাপ্ৰিয়া বসুমতাৰীৰ

**অসম বাৰ্তা, মঙলদৈ, ৪ আগষ্ট ঃ** থাইলেণ্ডৰ পাট্টায়া চিটিত ৩১ জুলাইৰ পৰা ২ আগষ্টলৈ অনুষ্ঠিত নৰম হিৰ'জ টাইকোৱানডো ইণ্টাৰনেচনেল চেম্পিয়নশ্বিপত মঙলদৈৰ প্ৰজ্ঞাপ্ৰিয়া বসুমতাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰি দৰং জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজত স্নাতক দ্বিতীয় সান্মাষিকত অধ্যয়নৰত প্ৰজ্ঞাপ্ৰিয়া মঙলদৈৰ নিকটৱৰ্তী বেজপাৰা গাঁৱৰ প্ৰসেনজিৎ বড়ো আৰু নিজৰা বড়োৰ কন্যা। প্ৰজ্ঞাপ্ৰিয়াই ১৮ বছৰ অনুৰ্ধৰ মহিলাৰ ৪৬ কেজি ওজন শাখাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি ব্ৰঞ্জৰ পদক লাভ কৰাত মঙলদৈৰ ক্ৰীড়া মহলত আনন্দৰ জোৱাৰ উঠিছে। খেলুৱৈ গৰাকীৰ এনে সফলতাত মঙলদৈৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী নিলীমা দেৱী, প্ৰাক্তন বিধায়ক বসন্ত দাস, মঙলদৈ ক্ৰীড়া সন্থাৰ সভাপতি গুৰুজ্যোতি দাস, মঙলদৈ মিডিয়া চাৰকোল, ক্ৰীড়া সংগঠক প্ৰতাপ বৰদলৈ, দৰং জিলা ক্ৰীড়া সাংবাদিক সংস্থাৰ সভাপতি আব্দুল খালেক, সম্পাদক গণেশ দত্ত আদিয়ে অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে উঃ মাঃ ৰ চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ নম্বৰেৰে উত্তীৰ্ণ প্ৰজ্ঞা বাস্কেটবল, খো-খো খেলটো সুনাম অৰ্জন কৰিছে। কাইলৈ বৰঝাৰ আন্তৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হ'বলগীয়া প্ৰজ্ঞাৰ স'তে দলটোক অনুগামীসকলে উষ্ম আদৰণি জনোৱাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলাইছে।

**বিধায়ক উৎপল বৰাক "গহপুৰ ৰূপকাৰ", সমাজকৰ্মী উদয় আদিত্য গোস্বামীক "প্ৰেৰণা পুৰুষ", মীনপালক অনুপ শৰ্মাক "আত্মনিৰ্ভৰতা প্ৰেৰণা" বঁটা প্ৰদান**

# গহপুৰ হেডলাইনচৰ দশম বৰ্ষপূৰ্তি অনুষ্ঠানত তিনি গৰাকী বিশিষ্ট ব্যক্তিলৈ বঁটা

**অসম বাৰ্তা, গহপুৰ, ৪ আগষ্ট ঃ** "সমাজৰ সকলো স্তৰতে এতিয়া প্ৰদূষণে চানি ধৰিছে। আমাক এতিয়া এখন প্ৰদূষণমুক্ত সমাজৰ প্ৰয়োজন। যি প্ৰদূষণমুক্ত পৰিৱেশে সমাজত এক যোগাত্মক প্ৰভাৱ পেলাব পাৰে।" গহপুৰৰ জ্যেষ্ঠ সাংবাদিক নৱজিৎ শইকীয়াৰ নেতৃত্বত পৰিচালিত গহপুৰৰ অন্যতম ডিজিটেল মাধ্যম "গহপুৰ হেডলাইনচ"ৰ দশম বৰ্ষপূৰ্তি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি আগবঢ়োৱা ভাষণত এইদৰে কয় বিশিষ্ট লেখক, অধ্যাপক, সুবক্তা, সাহিত্য অকাডেমি অনুবাদ বঁটা প্ৰাপক ড° দিগন্ত বিশ্ব শৰ্মাই। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে প্ৰদূষণযুক্ত হৃদয়ৰ পৰা প্ৰদূষণমুক্ত এখন পৃথিৱী আশা কৰিব নোৱাৰি। সেইবাবে তেওঁ অন্তৰৰ মলিনতা আঁতৰাই এখন প্ৰদূষণমুক্ত আৰু সংস্কৃতিবান সমাজ গঢ়াৰ ক্ষেত্ৰত সকলোকে আত্মনিয়োগ কৰিবলৈ ভাষণৰ জৰিয়তে আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ আৰু কয় যে স্থানীয় এটা ডিজিটেল মাধ্যমে সংশ্লিষ্ট এলেকাটোৰ প্ৰতিটো বিষয় সুন্দৰ ৰূপত উপস্থাপন কৰাত সুবিধা হয়। যিটো গহপুৰ হেডলাইনচে কৰি আহিছে। নৱ প্ৰজন্মক উদ্দেশ্যি ড° দিগন্ত বিশ্ব শৰ্মাই কয় যে প্ৰতিভা নাথাকিলে কেৱল মেধাই পৃথিৱীখন ধুনীয়া কৰিব নোৱাৰে। সেয়েহে তেওঁ ভাষণৰ জৰিয়তে প্ৰতিভাধৰ হ'বলৈ নৱ প্ৰজন্মৰ প্ৰতি আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ ৰাজনীতি সমাজৰ এটা অংশহে, ই সৰ্বোচ্চ নহয় বুলি তাৎপৰ্য্যপূৰ্ণ মন্তব্য আগবঢ়ায়। যুৱ সাংবাদিক নিতুল শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত গহপুৰৰ তিনিগৰাকী বিশিষ্ট ব্যক্তিক গহপুৰ হেডলাইনচে আনুষ্ঠানিকভাৱে বঁটা প্ৰদান কৰে। সেই অনুসৰি গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাক "গহপুৰ ৰূপকাৰ", গহপুৰৰ বিশিষ্ট সমাজকৰ্মী তথা শংকৰদেৱ শিক্ষা নিকেতনৰ সভাপতি উদয় আদিত্য গোস্বামীক "প্ৰেৰণা পুৰুষ" আৰু উদ্যোগী মীনপালক অনুপ শৰ্মাক "আত্মনিৰ্ভৰতা প্ৰেৰণা" বঁটা প্ৰদান কৰা হয়। বিশিষ্ট অতিথিৰ ভাষণত বিশিষ্ট সাংবাদিক সুনীল বৰাই কয় যে সাম্প্ৰতিক সময়ত ডিজিটেল মাধ্যমে যথেষ্ট সমাদৰ লাভ কৰিছে। বৰ্তমান সময়ত উজনি অসমত হৈ থকা বান বিভীষিকাৰ পৰিস্থিতি জলজল-পটপটকৈ দেখুওৱাৰ ক্ষেত্ৰত ডিজিটেল মাধ্যমে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। কিন্তু এই ডিজিটেল মাধ্যমক ৰাতিটোৰ ভিতৰতে হোৱা একাংশ সাংবাদিকে ব্লেকমেইলিঙৰ আহিলা হিচাপে ব্যৱহাৰ কৰি অহাটো দুৰ্ভাগ্যজনক বুলি অভিহিত কৰে সাংবাদিক সুনীল বৰাই। নৱপ্ৰজন্মৰ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী কমলিকা কাশ্যপৰ গীতৰ অনুষ্ঠানে অনুষ্ঠানটো অধিক জীপাল কৰি তোলে। গহপুৰৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানটোত সকলোকে সম্বৰ্ধনা জ্ঞাপন কৰে গহপুৰ হেডলাইনছে। অনুষ্ঠানটোৰ শেষত শলাগৰ শৰাই আগবঢ়াই সাংবাদিক নৱজিৎ শইকীয়াই। সোমবাৰে গহপুৰৰ কনকলতা ভৱনত অনুষ্ঠিত হয় গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটো।

# চেঙাত কৃষ্ণাঙ্গ নাট্য দলৰ জন্ম; প্ৰথম নাট্যবৰ্ষৰ নাটৰ শুভাৰম্ভ

**অসম বাৰ্তা, দৌলাশাল, ৪ আগষ্ট ঃ** অসমৰ ভ্ৰাম্যমাণ নাট্যগোষ্ঠীৰ তালিকাত সংযোজিত হ'ল আন এটি নাট্যদল। বৰপেটা জিলাৰ চেঙা অঞ্চলৰ বৰচেঙা পাৰাৰ প্ৰবীণ নাট্য শিল্পী প্ৰয়াত লোহিত ৰয়ৰ সুযোগ্য পুত্ৰ তপন কুমাৰ ৰয়ৰ প্ৰযোজনাত জন্ম লাভ কৰে কৃষ্ণাংগ ভ্ৰাম্যমাণ নাট্য দল নামৰ এটি নাট্যগোষ্ঠীৰ। 'ঐ খাপলা' ধাৰাবাহিকৰ 'গোবিন্দ' খ্যাত যুৱ অভিনেতা তপন কুমাৰ ৰয়ৰ প্ৰযোজনাত জন্ম লাভ কৰা কৃষ্ণাঙ্গ ভ্ৰাম্যমাণ নাট্য দলটিৰ প্ৰথম বৰ্ষৰ (২০২৬-২০২৭ বৰ্ষ) নাট্য শুভমহুৰত কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। প্ৰযোজকৰ বৰচেঙা পাৰাস্থিত বাসগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় নাট্য দলটোৰ প্ৰথম বৰ্ষৰ শুভাৰম্ভ। পুৱা শিল্পী-কলাকুশলী আৰু পৰিয়ালৰ সমূহীয়া প্ৰাৰ্থনাৰে আৰম্ভ কৰা অনুষ্ঠানটোৰ মাংগলিক কাৰ্য সমাপন কৰাৰ পিছতে আৰম্ভ হয় মুকলি সভা। প্ৰথম নাট্যবৰ্ষৰ নাট্য আখৰা আৰু নাটকৰ শুভ মহুৰত আনুষ্ঠানিকভাৱে মুকলি কৰে বৰপেটা বিধানসভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক দীপক কুমাৰ দাসে। নাট্য দলটিৰ শুভাৰম্ভ কৰি ভাষণ প্ৰসংগত বিধায়ক দীপক কুমাৰ দাসে নাট্য সাহিত্যক ৰসোত্তীৰ্ণ এক মাধ্যম বুলি কোৱাৰ লগতে অসমত ভ্ৰাম্যমাণ নাটকৰ ইতিহাস সম্পৰ্কত ব্যাখ্যা দাঙি ধৰে। ভাষণ প্ৰসংগত তেখেতে কয় যে- পিতৃৰ আদৰ্শ অনুকৰণ কৰি পুত্ৰই যি কাম কৰিবলৈ মন মেলিছে সেয়া আদৰণীয়। কৃষ্ণাঙ্গ অৰ্থাৎ কৃষ্ণৰ অংগ হৈ জিলিকি থাকক নাট্য দলটি। এক বৰ্ণিল পৰিৱেশত নাট্য শাস্ত্ৰ বা নাট্য সাহিত্যৰ সকলো গুণ মাৰ্জিতভাৱে প্ৰতিফলিত হৈছেবুলি নাট্য দলটিক ভূয়সী প্ৰশংসা কৰে বিধায়ক দীপক কুমাৰ দাসে। চেঙা অঞ্চলৰ সমাজকৰ্মী তথা সাংস্কৃতিক কৰ্মী কুলধৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিধায়ক দীপক কুমাৰ দাসক নাট্য দলটিয়ে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে কৃষ্ণাংগ ভ্ৰাম্যমাণ নাট্য দলৰ সহঃ প্ৰযোজক তথা চিত্ৰশিল্পী জয়ন্ত কুমাৰ ৰয়ৰ তুলিকাৰ পৰশত প্ৰাণ পাই উঠা বিধায়কৰ ফটো এখন প্ৰয়োজকৰ মাতৃ মিনা কুমাৰী ৰয়ে বিধায়ক দীপক কুমাৰ দাসৰ হাতত অৰ্পণ কৰে। মুকলি সভাত বহৰি হৰিদেৱ সত্ৰ পৰিচালনা সমিতিৰ সভাপতি বিশিষ্ট লেখক সোমনাথ তালুকদাৰে উপস্থিত থাকি চেঙা অঞ্চলত নাট্য কলাৰ চৰ্চা সম্পৰ্কত বিশদ ব্যাখ্যা দাঙি ধৰে। অনুষ্ঠানত খাপলাং কাই ধাৰাবাহিকৰ হাপাখ্যাত অভিনেতা আব্দুল মালিক, বিশিষ্ট কৰিওগ্ৰাফাৰ মোহন কলিতাই উপস্থিত থাকি শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। নাট্য দলটিৰ সম্পাদক গোপীনাথ বৰ্মনে আঁত ধৰা অনুষ্ঠানটোত বিৰিণা গোষ্ঠী অসমৰ প্ৰতিষ্ঠাপক সভাপতি লীলাধৰ পাঠক, প্ৰবীন ৰাজনীতিক অমিয় তালুকদাৰ, চেঙা গাঁও পঞ্চায়তৰ সভানেত্ৰী ববিতা দাস তালুকদাৰ, চেঙা ঐক্য সন্মিলন উপ সভাপতি ধৰ্মেন্দ্ৰ তালুকদাৰ, সমাজকৰ্মী বৰ্মন পাঠক, চাণক্য ডেকা, গৌতম পাঠক, লক্ষ্মীকান্ত ৰামচিয়াৰী, দিপ্তী দেৱী, নাট্যকৰ্মী দিলীপ ডেকা, মহানন্দ পাঠক, অঞ্জন ৰয়, কুলেন ডেকা, সঞ্জয় তালুকদাৰ, বিশিষ্ট কৌতুক অভিনেতা ৰবীন দাসকে আদি কৰি দুই শতাধিক শুভাকাংক্ষী আৰু নাট্য দলটিৰ অভিনেতা, কলা-কুশলী উপস্থিত থাকে। প্ৰথম নাট্যবৰ্ষৰ চুক্তিবদ্ধ শিল্পীসকল ক্ৰমে তপন কুমাৰ ৰয়, মোহময়ী অভিনেত্ৰী বিষ্ণুপ্ৰিয়া গগৈ, সুমিত্ৰা বৰা, অনামিকা নাথ, অভিনেতা গোপীনাথ বৰ্মন, জয়ন্ত ৰয়, প্ৰাণকৃষ্ণ ঠাকুৰীয়া, ৰাজীৱ ৰয়, ৰামকৃষ্ণ ডেকা, পংকজ নাথ, প্ৰণৱ হাজৰিকা, নয়ন নাথ আদি।

# সৰুপথাৰৰ শ্যাম গাঁৱত অ'এনজিচিৰ পাইপলাইন ফুটা কৰি বৃহৎ তেল চুৰি; ঘটনাস্থলীত আৰক্ষী আৰু অ'এনজিচিৰ দল

**অসম বাৰ্তা, সৰুপথাৰ, ৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ সৰুপথাৰৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৱৰ্তী উৰিয়ামঘাট অঞ্চলত একাংশ দুষ্ট চক্ৰই অ'এনজিচিৰ (ONGC) পাইপলাইন ফুটা কৰি দীৰ্ঘদিন ধৰি অত্যাধুনিক পদ্ধতিৰে ব্যাপক হাৰত তেল চুৰি কৰি অহাৰ এক ভয়ংকৰ কাৰ্য পোহৰলৈ আহিছে। জানিব পৰা মতে, উৰিয়ামঘাটৰ ঘোলাপানী তৈলখাদৰ পৰা তিতাবৰৰ বৰহোলালৈ অ'এনজিচিয়ে পাইপলাইনযোগে তেল সৰবৰাহ কৰে, আৰু এই পাইপলাইনতেই সুৰুঙা উলিয়াই চক্ৰটোৱে এই অপকৰ্ম সংঘটিত কৰি আহিছে। সোমবাৰে নিশা স্থানীয় ৰাইজ আৰু গাঁৱৰক্ষী বাহিনীৰ অভিযোগৰ ভিত্তিত জব্দ কৰা হয় তেল চুৰি কৰা সা-সঁজুলি। আজি ঘটনাস্থলীত আৰক্ষীৰ এটা বৃহৎ দল উপস্থিত হৈ পাইপলাইন ফুটা কৰি তেল চুৰি কৰা কাৰ্যত ব্যৱহৃত বিভিন্ন সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয় যদিও বৰ্তমানলৈকে চুৰি কাৰ্যৰ সৈতে জড়িত কোনো লোকক কৰায়ত্ত কৰিব পৰা হোৱা নাই। ইয়াৰ পাছতেই আজি অ'এনজিচিৰ এটা দলো শ্যাম গাঁৱৰ ঘটনাস্থলীত উপস্থিত হৈ উৰিয়ামঘাট আৰক্ষীৰ সহযোগত সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ইতিমধ্যে অ.এন.জি.চিৰ শীৰ্ষ বিষয়াই জনোৱা অনুসৰি উক্ত পাইপলাইনযোগে যোৱা তেল বন্ধ কৰি দিয়া হৈছে। তদন্তৰ পিছত ঘটনাস্থলী ছিল কৰা হ'ব বুলিও জানিবলৈ দিয়ে। উল্লেখ্য যে, ৰজাপুখুৰী গাঁৱৰ এঘৰ মানুহৰ বাৰীৰ পিছফালে অতিকৈ সংগোপনে অত্যাধুনিক সঁজুলি ব্যৱহাৰ কৰি দীৰ্ঘসময় ধৰি চলাই অহা এই তৈল চুৰি কাৰ্যই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ নিৰাপত্তা ব্যৱস্থাক লৈয়ো প্ৰশ্নবোধক চিহ্নৰ সৃষ্টি কৰিছে। উৰিয়ামঘাটৰ ঘোলাপানী তৈলখাদৰ পৰা তিতাবৰৰ বৰহোলালৈ যোৱা পাইপলাইনটো ফুটা কৰি শ্যামগাঁৱৰ একাংশ লোকৰ ঘৰৰ বাৰীৰ পিছফালে অতিকৈ সংগোপনে এই চুৰিকাণ্ড সংঘটিত কৰি অহা হৈছিল, যিটো দুষ্ট চক্ৰটোৰ বাবে ধন ঘটাৰ এক সহজ আহিলালৈ ৰূপান্তৰিত হৈছিল। একপ্ৰকাৰে উক্ত পাইপলাইন একাংশ দুষ্ট চক্ৰৰ বাবে সোণৰ কণী পৰা হাঁহলৈ ৰূপান্তৰ হৈছে।

**ৰাস পালনাম মহোৎসৱত দেশী বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হ'ব বিক্ৰী কেন্দ্ৰ**

# মাজুলীৰ মুখা শিল্পীসকলৰ সৈতে জিলা আয়ুক্তৰ সভা

## ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি মুখা শিল্পৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ আহ্বান

**অসম বাৰ্তা, উজনী মাজুলী, ৪ আগষ্ট ঃ** বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলীৰ ঐতিহ্যমণ্ডিত মুখাশিল্পক বিশ্বদৰবাৰত অধিক সমাদৃত কৰাৰ লগতে স্থানীয় মুখাশিল্পীসকলক অৰ্থনৈতিকভাৱে সৱল কৰাৰ উদ্দেশ্যে মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে হাতত লৈছে এক বিশেষ পদক্ষেপ। ঘৰতে বা স্বতন্ত্ৰভাৱে মুখা নিৰ্মাণত ব্ৰতী হৈ থকা শিল্পীসকলক একগোট কৰি আজি দিনৰ ১১ বজাৰ পৰা আয়ুক্ত সভাকক্ষত এক সুপৰিকল্পিত ব্যৱস্থাৰে মুখাশিল্পৰ উৎপাদন, প্ৰদৰ্শনী আৰু বিক্ৰী নিশ্চিত কৰাৰ দিশত বিতংভাৱে আলোচনা কৰা হয়। মাজুলীৰ ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱৰ সময়ত দেশী-বিদেশী পৰ্যটকৰ বৃহৎ সমাগমলৈ লক্ষ্য ৰাখি জিলা প্ৰশাসনে গড়মূৰ, কমলাবাৰী আৰু বনগাঁৱৰ দৰে ব্যস্ত তথা মূল কেন্দ্ৰসমূহ চিহ্নিত কৰিছে। এই অঞ্চলসমূহত মুখা প্ৰদৰ্শনী আৰু বিক্ৰী কেন্দ্ৰ গঢ়ি তোলাৰ সম্পৰ্কত জিলা প্ৰশাসনে স্থানীয় মুখাশিল্পীসকলৰ সৈতে এক ঐক্য মতত উপনীত হোৱাৰ উপৰিও সমন্বয় আৰু গুণগত মান ৰক্ষাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত শিল্পীসকলৰ সমস্যা, প্ৰচাৰ আৰু মুখা বিপণনৰ সম্ভাৱনীয়তা সন্দৰ্ভত ব্যাপক আলোচনাৰ আত ধৰি মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে মুখাশিল্পক স্থানীয় অৰ্থনীতিৰ মূল স্তম্ভ ৰূপে গঢ়ি তোলাৰ পোষকতা কৰে। আয়ুক্ত গৰাকীয়ে কয় যে মাজুলীৰ চামগুৰি সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সৃষ্টি কৰা মুখা শিল্পৰ পৰম্পৰাগত আৰু আধ্যাত্মিক জ্ঞান সমৃদ্ধৰে মুখা নিৰ্মাণ কৰি বিশ্বৰ মানচিত্ৰত মাজুলীক অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। বৰ্তমান মুখাৰ জনপ্ৰিয়তা বৃদ্ধি পাবলৈ ধৰিছে। এই সময়ছোৱাত ঘৰতে বা স্বতন্ত্ৰভাৱে মুখা বনাই থকা শিল্পীসকলক সংগঠিত কৰি সুপৰিকল্পিত ৰূপত মুখা প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰি দেশী-বিদেশী পৰ্যটকৰ যোগেদি যদি মুখাসমূহ সঠিকভাৱে প্ৰদৰ্শন আৰু বিক্ৰী কৰিব পৰা যায়, তেন্তে ই মাজুলীৰ অৰ্থনীতিৰ বাবে এক নতুন দুৱাৰ মুকলি কৰিব। "জিলা আয়ুক্তগৰাকীয়ে স্পষ্ট কৰে যে মাজুলীৰ অনন্য মুখাশিল্প কেৱল এখন ধৰ্মীয় বা সাংস্কৃতিক উপাদানেই নহয়, ই স্থানীয় লোকসকলৰ বাবে স্বাৱলম্বনৰ এক বৃহৎ মাধ্যম হৈ পৰিব পাৰে। সঠিক সমাদৰ আৰু উপযুক্ত বিপণনৰ অভাৱত যাতে কোনো শিল্পী বঞ্চনাৰ স্বীকাৰ নহয়, তাৰ বাবেই প্ৰশাসনে ব্যৱসায়িক দৃষ্টিভংগীৰে সমন্বয়কৰ ভূমিকা ল'বলৈ আগবাঢ়িছে। উল্লেখ্য যে প্ৰতি বছৰে ৰাস মহোৎসৱৰ সময়ত মাজুলীলৈ হাজাৰ হাজাৰ দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে। এই বৃহৎ পৰ্যটন সম্ভাৱনাক কামত লগাই চামগুৰি, গড়মূৰ, কমলাবাৰী আৰু বনগাঁৱত প্ৰদৰ্শনী কেন্দ্ৰ স্থাপন কৰিলে পৰ্যটকসকলে সহজে সত্ৰীয় সংস্কৃতিৰ এই বিৰল সামগ্ৰী সংগ্ৰহ কৰিব পাৰিব। ইয়াৰ দ্বাৰা মধ্যভোগীৰ শোষণ অন্ত পৰাৰ লগতে থলুৱা সামগ্ৰীৰে তৈয়াৰ কৰা মুখাই প্ৰত্যক্ষভাৱে মূল শিল্পীগৰাকী আৰ্থিকভাৱে লাভান্বিত কৰিব। সভাত শিল্পী সকলৰ হৈ দীপু বৰাই প্ৰশাসনৰ এই সময়োপযোগী পদক্ষেপে মাজুলীৰ সত্ৰীয়া সংস্কৃতি তথা মুখাশিল্পক বিশ্বজনীন পৰ্যায়ত অধিক উজ্জ্বল কৰি তোলাৰ লগতে স্থানীয় অৰ্থনৈতিক উন্নয়নৰ এক নতুন দিশ উন্মোচিত কৰিব বুলি ভাষণ প্ৰসংগত আশা প্ৰকাশ কৰে। সভাত চামগুৰি সত্ৰৰ প্ৰখ্যাত মুখা শিল্পী প্ৰসন্ন গোস্বামী, খগেন গোস্বামী আৰু কৃষ্ণ বৰাই সত্ৰৰ শশ বছৰীয়া মুখা নিৰ্মাণৰ ইতিহাস আৰু ইয়াৰ ব্যৱসায়িক প্ৰযুক্তি ব্যৱহাৰ, পৰম্পৰাগত থলুৱা সামগ্ৰী ব্যৱহাৰ আদিৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰাৰ উপৰিও প্ৰয়াত সত্ৰাধিকাৰ কোষকান্ত দেৱগোস্বামীক সংগীত নাটক একাডেমী বঁটা, ড° হেমচন্দ্ৰ গোস্বামীক পদ্মশ্ৰী সন্মান প্ৰদান কৰি স্ব মহিমামণ্ডিত সত্ৰৰ মুখা শিল্পৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। সভাত শিল্পী কৃষ্ণ বৰুৱা, বুলবুলি হাজৰিকা, সুধিলে শইকীয়া, জিলা প্ৰশাসনৰ নিৰ্বাচনী বিষয়া ৰিমজিম কোৱাৰ, অতিৰিক্ত সহকাৰী আয়ুক্ত, অনুৰাগ প্ৰতীম বৰবৰাই ভাষণ দিয়ে। সভাত মাজুলীৰ মুখা নিৰ্মাণ কৰা শিল্পী সকলক চামগুৰি সত্ৰৰ অভিজ্ঞ মুখা শিল্পীৰ দ্বাৰা ১৫ দিনীয়া প্ৰশিক্ষণ, আয়ুক্তক মুখ্য পৃষ্ঠপোষক হিচাপে লৈ শিল্পী সুৰক্ষা মঞ্চ গঠন কৰা, নকল মুখা নিৰ্মাণ ৰোধ কৰা, ৰাস পালনাম মহোৎসৱৰ সময়ত সামূহিক প্ৰচেষ্টাৰে চামগুৰি, কমলাবাৰী, আউনীআটী সত্ৰ, গড়মূৰ আদি ঠাইত প্ৰদৰ্শনৰ ব্যৱস্থা কৰা আদি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত স্মাৰক পত্ৰ সদৌ অসম ছাত্ৰ সন্থা গোটৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ আগষ্ট ঃ** শেহতীয়া ভয়ংকৰ বানপানীৰ ফলত অসমৰ চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত সৃষ্টি হোৱা দুৰ্যোগে হাজাৰ হাজাৰ পৰিয়ালৰ জীৱন-জীৱিকাৰ লগতে বহু ছাত্ৰ-ছাত্ৰীৰ শিক্ষাজীৱন গভীৰ সংকটৰ মুখলৈ ঠেলি দিছে। বহু শিক্ষাৰ্থীয়ে ঘৰ-দুৱাৰ, খেতি-পথাৰ, জীৱিকাৰ উৎস আৰু প্ৰয়োজনীয় শিক্ষাগত নথি-পত্ৰ হেৰুৱাই অনিশ্চয়তাৰ মাজত দিন অতিবাহিত কৰিবলৈ বাধ্য হৈছে। এনে পৰিস্থিতিত বানপীড়িত শিক্ষাৰ্থীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লক্ষ্যৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় "আছু" গোটে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° জিতেন হাজৰিকাক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰত বানপীড়িত শিক্ষাৰ্থীসকলৰ বাবে বিশ্ববিদ্যালয়ৰ ছাত্ৰবাস/ছাত্ৰীনিবাসত বিশেষ ভিত্তিত আসন প্ৰদান কৰাৰ ব্যৱস্থা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ বিভিন্ন অধ্যয়ন কেন্দ্ৰত নামভৰ্তিৰ মাচুল কমেও দুটা কিস্তিত পৰিশোধ কৰাৰ বিশেষ সুবিধা, বানপানীত ক্ষতিগ্ৰস্ত হোৱা বৰ্তমান আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলৰ শিক্ষাগত নথি-পত্ৰ সম্পূৰ্ণ বিনামূল্যে পুনৰ প্ৰদানৰ বাবে বিশেষ ব্যৱস্থা বা প'ৰ্টেল মুকলি কৰাৰ দাবী জনোৱা হয়। ইয়াৰোপৰি ৬ আগষ্ট, ২০২৬ তাৰিখৰ পৰা নিয়মীয়া পাঠ্যক্ৰম আৰু ১০ আগষ্ট, ২০২৬ তাৰিখৰ পৰা নতুন পাঠ্যক্ৰম আৰম্ভ হ'ব যদিও বহু বানপীড়িত শিক্ষাৰ্থীৰ ঘৰ-দুৱাৰ এতিয়াও পানীত আবদ্ধ হৈ থকাৰ লগতে বহু পৰিয়ালে আশ্ৰয় শিবিৰত বাস কৰিবলৈ বাধ্য হৈছে। সেয়েহে দুৰ্যোগজনিত কাৰণত যদি কোনো শিক্ষাৰ্থীয়ে নিৰ্ধাৰিত সময়ত বিশ্ববিদ্যালয়ত উপস্থিত হ'ব নোৱাৰে, তেন্তে তেওঁলোকৰ উপস্থিতি, নামভৰ্তি, শ্ৰেণীকোঠাৰ পাঠদান আৰু অন্যান্য শৈক্ষিক কাৰ্যসূচীৰ ক্ষেত্ৰত বিশেষ শিথিলতা প্ৰদান কৰিবলৈও বিশ্ববিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনোৱা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আছু গোটে কয় যে, প্ৰাকৃতিক দুৰ্যোগৰ দৰে এক জটিল পৰিস্থিতিৰ বাবে কোনো শিক্ষাৰ্থীৰ শিক্ষাজীৱন ব্যাহত হ'ব নালাগে। এনে সংকটৰ সময়ত শিক্ষানুষ্ঠানসমূহে মানৱীয় আৰু দায়িত্বশীল ভূমিকা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। সেয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বানপীড়িত শিক্ষাৰ্থীসকলৰ সমস্যাসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰি শীঘ্ৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব বুলি "আছু গোটে" আশা প্ৰকাশ কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা

● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন